Content includes AI-generated material

কণ্ঠ পৰীক্ষাৰ বাবে সাজু মনোৰঞ্জন

ই-সংবাদ, ২২ মাৰ্চঃ অসম বিধানসভাত চিণ্ডিকেটৰ বিৰোধিতা কৰি তদন্তৰ দাবী কৰা ২ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SUNDAY, MARCH 23, 2025 ■ দেওবাৰ, ৯ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৮৫ Guwahati, Assam ।। মূল্যঃ এটকা

'ভাৰত বসবাসযোগ্য নহয়!'

## আৰক্ষীৰ বিৰুদ্ধে কৰ্ণেল পত্নীৰ তদন্ত বিচাৰি হাহাকাৰ



পাটিয়ালা, ২২ মাৰ্চঃ পঞ্জাৱৰ পাটিয়ালাত সেনাৰ কৰ্ণেল পুষ্পিন্দৰ সিং বাথ আৰু তেওঁৰ পুত্ৰৰ ওপৰত আৰক্ষীৰ আক্ৰমণক লৈ বিতৰ্ক তীব্ৰতৰ শেষাংশ ৫ পৃষ্ঠাত

## কেন্দ্ৰৰ বিৰুদ্ধে ঐক্যবদ্ধ দক্ষিণ, প্ৰস্তাৱ গৃহীত



চেন্নাই, ২২ মাৰ্চঃ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে পুনৰ স্থিতি স্পষ্ট কৰিলে দক্ষিণ ভাৰতে। এইবাৰ মোদী চৰকাৰৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰস্তাৱৰ বিৰুদ্ধে ঐক্যবদ্ধ হ'ল দক্ষিণ ভাৰত আৰু পঞ্জাৱৰ প্ৰায়সকল বিৰোধী নেতা। শুকুৰবাৰে শেষাংশ ৩ পৃষ্ঠাত

ধেমাজিৰ উন্নয়মূলক কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ

## কুৰ্মীক গৰিহণা, অখিলকো সমালোচনা

ই-সংবাদ, ২২ মাৰ্চঃ উজনি অসম ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাটাও কাৰ্যসূচীত অংশ লয়। ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত উজনিৰ জিলাসমূহৰ



উচ্চপদস্থ বিষয়াৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। বিষয়াসকলৰ সৈতে ধেমাজি বিধানসভা সমষ্ঠিত ৰূপায়িত বিভিন্ন প্ৰকল্প শেষাংশ ৫ পৃষ্ঠাত

অধঃপাতে শিক্ষা বিভাগ! ৪ দিনত ভাইৰেল ৩ খন পেপাৰ

# ফাদিল প্ৰশ্নকাকত, ছাত্ৰ-ছাত্ৰীক লৈ হেতালি

ই-সংবাদ, ২২ মাৰ্চঃ এটা পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰিব নোৱাৰা এখন চৰকাৰ চলি আছে ৰাজ্যত। প্ৰশ্নকাকত ফাদিল নোহোৱাকৈ এটা পৰীক্ষা অনুষ্ঠিত কৰাৰ নজিৰ নোহোৱা হৈছে এইখন চৰকাৰৰ। বৰ বৰ কথা কোৱা শিক্ষামন্ত্ৰী, শিক্ষা শেষাংশ ৪ পৃষ্ঠাত

## ব্ৰিটিছ খেদা কংগ্ৰেছ ভয়াতুৰ নহয়ঃ ভূপেন বৰা

ই-সংবাদ, ২২ মাৰ্চঃ আজি ধেমাজিৰ জোনাইত এখন সংবাদমেল সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কংগ্ৰেছৰ নেতা-কৰ্মীক আক্ৰমণকৰা দুৰ্বৃত্তক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত ৰাজ্যৰ বিজেপি শেষাংশ ৪ পৃষ্ঠাত



ধেমাজিত সংবাদমেল এপিচিচিৰ সভাপতি ভূপেন বৰাৰ

## মণিপুৰত ন্যায়াধীশৰ দল, আহিব শান্তি

ইম্ফল, ২২ মাৰ্চঃ অতি সোনকালে শান্তি ঘূৰি আহিব মণিপুৰলৈ- এই বিশ্বাস উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ এটা প্ৰতিনিধি দলৰ। শনিবাৰে ন্যায়াধীশ বি আৰ গভাইৰ নেতৃত্বত চাৰিজনীয়া শেষাংশ ২ পৃষ্ঠাত

## ঘোচ লৈ গ্ৰেপ্তাৰ ৩ আৰক্ষী

ই-সংবাদ, ২২ মাৰ্চঃ বিভিন্ন সময়তে ঘোঁচ লোৱা আৰক্ষী বিষয়া আৰু আৰক্ষীৰ তলতীয়া লোক হাতে-লোটে গ্ৰেপ্তাৰ হৈ আহিছে যদিও একাংশ আৰক্ষীৰ যেন শেষাংশ ৫ পৃষ্ঠাত

## ভতিজাকৰ বিয়া খাবলৈ গৈ এঘৰীয়া ৩ ভাতৃ

ই-সংবাদ, ২২ মাৰ্চঃ পুনৰ বিতৰ্কত সোমাই পৰিছে শ্ৰীমন্ত শংকৰদেৱ সংঘ। এইবাৰ বামুনীয়া বিয়া খাবলৈ যোৱা পৰিয়ালক এঘৰীয়া কৰিছে শ্ৰীমন্ত শংকৰদেৱ সংঘই। শেষাংশ ৪ পৃষ্ঠাত

## বিজেপিৰ সংস্কাৰ নহয়! কুৰ্মীলৈ চিঠি দিলীপৰ

ই-সংবাদ, ২২ মাৰ্চঃ ২০২১ চনৰ নৱেম্বৰ মাহত অসমৰ পৰা নিৰ্বাচিত বিধায়কসকলক মুম্বাইৰ ৰামভাও মালগী প্ৰবোধিনীত বিশেষ

বিজেপি বিধায়ক হৈয়ে সংস্কাৰ প্ৰশিক্ষণ লৈছিল ৰূপজ্যোতিয়ে

তিনিদিনীয়া সংস্কাৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছিল। প্ৰশিক্ষণ শিবিৰত জনসংঘ-বিজেপিৰ সংস্কাৰ আৰু আদৰ্শক লৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জয়প্ৰকাশ নাড্ডা, বি সতীশ, উত্তৰ পূৰ্বৰ সাংগঠনিক সাধাৰণ সম্পাদক অজয় জামোৱাল, মনোবিজ্ঞানী ডাঃ হৰীশ ছেট্টি, ৩ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত ন্যায়াধীশৰ দল, আহিব শান্তি

ন্যায়াধীশৰ পেনেলে মণিপুৰ ভ্ৰমণ কৰি ৰাজ্যখনৰ কুকি-মেইটেই সংঘাতৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ পৰিদৰ্শন কৰে। এই প্ৰতিনিধি দলটোত ন্যায়াধীশ গভাইৰ লগতে ন্যায়াধীশ বিক্ৰম নাথ, ন্যায়াধীশ এম এম সুন্দৰেশ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথন উপস্থিত থাকে। তেওঁলোকে চুৰাচান্দপুৰ জিলাৰ বিভিন্ন সাহায্য শিবিৰত গৃহহীন লোকসকলক সাক্ষাৎ কৰি ৰাজ্যখনত অতি শীঘ্ৰে স্থিতিশীলতা ঘূৰি আহিব বুলি আশ্বাস দিয়ে। সম্প্ৰতি মণিপুৰ ৰাষ্ট্ৰপতিৰ শাসনত আছে। ২০২৩ চনৰ মে' মাহৰ পৰা আৰম্ভ হোৱা এই সংঘাতত এতিয়ালৈকে ২৫০ জনতকৈ অধিক লোকৰ মৃত্যু হোৱাৰ লগতে হাজাৰ হাজাৰ লোক গৃহহীন হৈ পৰিছে। চলি থকা অশান্তিৰ মাজতে ১৩ ফেব্ৰুৱাৰীত মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছিল। সেই প্ৰেক্ষাপটত ৰাজ্যপাল অজয় ভল্লাই প্ৰশাসনিক দায়িত্ব চম্ভালিছে। এনে পৰিস্থিতিতেই উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলে চুৰাচান্দপুৰৰ সাহায্য শিবিৰ পৰিদৰ্শন কৰি গৃহহীন লোকসকলৰ সৈতে কথা পাতি আইনী সাহায্য আৰু স্বাস্থ্যসেৱাৰ প্ৰতিশ্ৰুতি দিয়ে। লামকাত উপ-সচিবালয়ৰ পৰা আইনী সাহায্য শিবিৰ আৰু স্বাস্থ্য শিবিৰো ভাৰ্চুৱেলি উদ্বোধন কৰে। তেওঁলোকৰ সৈতে মণিপুৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি কৃষ্ণকুমাৰ আৰু ন্যায়াধীশ গোলমেই গায়ফুলশিলুও উপস্থিত থাকে।সাহায্য শিবিৰত উপস্থিত থকা ৰাইজক সম্বোধন কৰি ন্যায়াধীশ গভাইয়ে কয়, "আমি জানো যে আপোনালোকৰ পৰিস্থিতি অতি কঠিন। কিন্তু পৰিস্থিতি অতি সোনকালে স্বাভাৱিক হ'ব। সকলোৰে সহযোগত মণিপুৰলৈ স্থায়ী শান্তি ঘূৰি আহিব।" ৰাজ্যবাসীক সংবিধানৰ ওপৰত বিশ্বাস ৰাখিবলৈ অনুৰোধ কৰি তেওঁ আশ্বাস দিয়ে যে সংবিধানে নিশ্চিত কৰিব যে এদিন এই অশান্তিৰ সম্পূৰ্ণ অন্ত পৰিব। ইফালে ৰাষ্ট্ৰপতিৰ শাসনৰ মাজতে চুৰাচান্দপুৰত বিয়পি পৰিছে পুনৰ অশান্তি। যোৱা দেওবাৰে নিশাৰ পৰা সমগ্ৰ জিলাখনত উত্তেজনা বিয়পি পৰাৰ ফলত সোমবাৰে পুৱাৰে পৰা ১৬৩ ধাৰা জাৰি কৰা হয়। অৱশ্যে বৃহস্পতিবাৰৰ পৰা কিছু পৰিমাণে শিথিল কৰা হৈছে নিষেধাজ্ঞা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কণ্ঠ পৰীক্ষাৰ বাবে সাজু মনোৰঞ্জন

চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ এটা অডিঅ' ভাইৰেল হোৱাত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। ভাইৰেল অডিঅ'ত বিধানসভাত ভিতৰত চিণ্ডিকেটৰ বিৰোধিতা কৰি তালকুদাৰে বিধানসভাৰ বাহিৰত চিণ্ডিকেট গেঙৰ পৰা ধন বিচৰাৰ অভিযোগ উঠিছে। বিধায়ক মনোৰঞ্জন তালুকদাৰৰ ভাইৰেল অডিঅ'ক প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে পাৰ্টীৰ বাবে চান্দা লোৱাটো অপৰাধ নহয়। অডিঅ' টেপৰ কণ্ঠ মোৰ নহয়। ফৰেণচিক লেবত কণ্ঠ পৰীক্ষা কৰবাৰ বাবে সাজু। সোমবাৰে গোচৰ ৰুজু কৰিব মনোৰঞ্জন তালুকদাৰে। সাংবাদিকৰে হোৱা কথা-বতৰাত সৰভোগৰ বিধায়কগৰাকীৰ মন্তব্য, হৰ্ষজিৎ বা হৰেন মহন্তৰ দৰে মানুহৰ সৈতে মোৰ কোনো সম্পৰ্ক নাই। মোৰ ওচৰত ফোন নম্বৰো নাই। কিন্তু এতিয়া মই এচেম্বলীত যিহেতু চিণ্ডিকেটৰ ওপৰত এটা প্ৰস্তাৱ উত্থাপন কৰিছে আলোচনা কৰিছো আৰু এচেম্বলীত এই দুই মহাপুৰুষৰ নামটো লৈছো। মই বক্তব্যতেই স্পষ্টকৈ কৈছো এই হৰেন মহন্ত নামৰ মানুহজনেই মূল মানুহ। কাৰণ তেওঁলোকে গোটেই চুপাৰি চিণ্ডিকেট চলায়। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে প্ৰত্যুত্তৰ দিব। মই যদি পইছা ল'লোহেঁতেন, তেতিয়া এচেম্বলীত নাম লোৱাৰ কোনো কথাই নাথাকিলহেঁতেন। এচেম্বলীৰ মাজত মই পইছা বিচাৰিম নেকি? এয়া তেওঁলোকৰ এটা ষড়যন্ত্ৰ। মই কিমান পইছা খুজিলো, কিমান পইছা দিলে, সেইবোৰ তেওঁলোকে একো ক'ব নোৱাৰে। এইটো কেনেকৈ তেওঁলোকে কৰিছে আৰ্টিফিচিয়েল ইন্টেলিজেন্সৰ মাজত, সেইটো তেওঁলোকেহে জানিব। সেইটো মোৰ মাত নহয়। মোৰ লগত তেওঁলোকৰ ফোন নম্বৰো নাই, ফোনো কৰা নাই। এয়া কৃত্ৰিম বুদ্ধিমত্তাৰ দ্বাৰা সৰভোগৰ বিধায়কগৰাকীৰ মাতটো অবিকল কৰা হৈছে বুলি দাবী কৰি মনোৰঞ্জন তালুকদাৰৰ মন্তব্য, আজিকালি প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰপতি-অমিতাভ বচ্চনৰ মাতত ডায়েবেটিছৰ ঔষধৰ বিজ্ঞাপন দি থকা হয়। এইবোৰ তেওঁলোকৰ মাত নহয়, এইবোৰ আৰ্টিফিছিয়েল ইন্টেলিজেন্সৰ দ্বাৰা প্ৰস্তুত কৰা মাত। সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বিধায়কগৰাকীৰ মন্তব্য, বিধানসভাত তেওঁ এটা সমান্তৰাল অৰ্থনীতিৰ কথা উল্লেখ কৰিছে, ইয়াৰ বাবে তেওঁ তদন্তৰ দাবী কৰিছে। ইয়াৰ বাবে বহুতৰে সান্দহ খোৱা বালি তল যাব। সেয়ে মনোৰঞ্জন তালুকদাৰৰ মন্তব্য, তেওঁ কাৰোবাৰ ষড়যন্ত্ৰৰ বলি হৈছে। আনহাতে, মুখ্যমন্ত্ৰীয়ে চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ অডিঅ' টেপ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এটা টেপ ওলাইছে। তেওঁ কৈছে যে এইটো এআই হ'ব পাৰে। আজিকালি ডিপফেক বা এআই হয় নে নহয় সেই কথা কৈ দিয়ে। অহাকালি যদি অধ্যক্ষই বিচাৰে এইটো এআই বা ডিপফেক হয় নেকি চাই দিব লাগে। ১০ মিনিটত ৰিজাল্ট দি দিব পাৰো। এইটো যিহেতু বিধানসভাৰ অধ্যক্ষৰ বিশেষাধিকাৰ। কালি মোক যেনেকৈ ক'ব তেনেকৈ কৰিম।

# মেঘালয়ৰ এনইএইচইউৰ উপাচাৰ্যৰ পদত্যাগক লৈ বিতৰ্ক

**শ্বিলং, ২৩ মাৰ্চঃ** মেঘালয়ৰ নৰ্থ ইষ্টাৰ্ণ হিল ইউনিভাৰ্চিটিৰ উপাচাৰ্য অধ্যাপক প্ৰভা শংকৰ শুক্লাৰ পদত্যাগক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে বিশ্ববিদ্যালয়খনত শেহতীয়াকৈ সৃষ্টি হোৱা অশান্তি আৰু তাৰ ফলত বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াত পলম হোৱা সন্দৰ্ভত মুকলিকৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে উপাচাৰ্যগৰাকীয়ে। কেৰিয়াৰ এডভান্সমেন্ট আঁচনিৰ অধীনত অধ্যাপকক পদোন্নতি দিয়াকে ধৰি কেইবাটাও বিষয়ত পলম হোৱাৰ বাবে তেওঁ দুখ প্ৰকাশ কৰে। তেওঁ কয় যে ২০২৪ চনত দ্বিতীয়বাৰৰ বাবে চিএএছৰ পদোন্নতি প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। মোৰ লক্ষ্য আছিল ২০২৫ চনৰ মাৰ্চ মাহৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা, বিশেষকৈ কেৰিয়াৰৰ উচ্চতম পৰ্যায়ত থকা আৰু অৱসৰৰ পথত থকাসকলক অগ্ৰাধিকাৰ দিয়া। অৱশ্যে বিভিন্ন প্ৰশাসনিক জটিলতাৰ বাবে এই প্ৰক্ৰিয়া স্থবিৰ হৈ পৰা বুলি তেওঁ স্বীকাৰ কৰে। এনইএইচইউৰ অধ্যাপকৰ কঠোৰ পৰিশ্ৰম আৰু অৱদানক স্বীকৃতি দিয়াটো তেওঁৰ অন্যতম অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি উপাচাৰ্যগৰাকীয়ে কয় যে অনাগত মাহত চিএএছৰ পদোন্নতি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মই সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। লগতে তেওঁ কয় যে প্ৰশাসনিক পলমৰ বাবে অনুমোদন প্ৰক্ৰিয়াত পলম হৈছে, যাৰ ফলত শৈক্ষিক কাম-কাজতো প্ৰভাৱ পৰিছে। বিশেষকৈ মেঘালয়ৰ স্থানীয় ছাত্ৰ-ছাত্ৰীসকলে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে, কিয়নো তেওঁলোকে বিশ্ববিদ্যালয়খনৰ মুঠ ছাত্ৰসংখ্যাৰ ৮২ শতাংশতকৈও অধিক। তেওঁ কয় যে এই ছাত্ৰ-ছাত্ৰীসকলে স্থিতিশীলতা আৰু জ্ঞানৰ বাবে আমাৰ ওপৰত আশা কৰে। উপাচাৰ্য অধ্যাপক শুক্লাই বিশ্ববিদ্যালয়খনৰ অধ্যাপক, কৰ্মচাৰী, আৰু প্ৰশাসনৰ মাজত ঐক্য আৰু সহযোগিতাৰ আহ্বান জনায়। তেওঁ কয় যে এনইএইচইউৰ মূল মিছন- শৈক্ষিক উৎকৃষ্টতা, শিক্ষকৰ স্বীকৃতি, আৰু ছাত্ৰৰ সফলতা পুনৰুদ্ধাৰ কৰাটো এতিয়া সকলোৰে প্ৰথম অগ্ৰাধিকাৰ হ'ব লাগে। উপাচাৰ্যগৰাকীয়ে কয়, "মোৰ দুৱাৰ সদায় সকলোৰে বাবে মুকলি, মই আপোনালোকৰ কথা শুনিবলৈ, সহযোগিতা কৰিবলৈ আৰু বিশ্ববিদ্যালয়খনৰ শৈক্ষিক লক্ষ্যত উপনীত হ'বলৈ একেলগে কাম কৰিবলৈ সাজু। আহক আমি সকলোৱে একেলগে আগবাঢ়ি যাওঁ আৰু এনইএইচইউক এনে এক প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলোঁ যাৰ বাবে আমি গৌৰৱ কৰিব পাৰো।" শুক্লাৰ মন্তব্যই শিক্ষা প্ৰতিষ্ঠানখনৰ ভৱিষ্যতক লৈ নতুন আশাৰ সঞ্চাৰ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ সংস্কাৰ নহয়! কুৰ্মীলৈ চিঠি

তেজস্বী সূৰ্য, বি.এল সন্তোষ, বৈজয়ন্ত জয় পাণ্ডাই প্ৰশিক্ষণ দিছিল। যাতে অসমৰ পৰা নিৰ্বাচিত জনপ্ৰতিনিধিসকলে শৃংখলতাৰে জনহিত জনসেৱাৰ্থে কাম কৰে। এনে দিহা-পৰামৰ্শ দিয়া বুলি সেই সময়ত খুব চৰ্চা হৈছিল। সেই প্ৰশিক্ষণ শিবিৰত উপস্থিত আছিল বিধায়ক ৰূপজ্যোতি কুৰ্মী। কিন্তু সংস্কাৰৰ প্ৰশিক্ষণ লোৱা বিজেপিৰ দলটোৰ মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বাৰে বাৰে অসংস্কাৰমূলক কাম কৰি আহিছে। এইবাৰ অসম বিধানসভাৰ মজিয়াত অসংস্কাৰমূলক কাম কৰিলে। ২১ মাৰ্চত অধিৱেশনৰ কাৰ্যপ্ৰণালী চলি থকাৰ সময়তে আসনৰ পৰা উঠি ফটুৱা, বান্দৰ, মাইক ভাঙি দিম বুলি কৈ বিৰোধিৰ বিধায়কক চোঁচা লয়। কেৱল অবাইচ মাত মতাই নহয় নিজ অসনৰ পৰা উঠি গৈ বিৰোধিৰ বিধায়কৰ আসনৰ সন্মুখত থিয় হৈ প্ৰহাৰ কৰিবলৈ উদ্যত হৈছিল। যদি আন আন বিধায়কে আসনৰ পৰা উঠি আহি হকা-বাধা নকৰিলেহেঁতেন তেন্তে আক্ৰমণ কৰি দিয়াৰ সম্ভাৱনাই আছিল। বিজেপিৰ মৰিয়ানীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে অসম বিধানসভাৰ ভিতৰত অবাইচ মাত মাতি বিৰোধী বিধায়কক প্ৰহাৰ কৰিবলৈ যোৱাত ৰাজ্যজুৰি থু-থু কৰিছে ৰাইজে। জনপ্ৰতিনিধিৰ এনে আচৰণত হতভম্ব অসমবাসী। কিন্তু মুম্বাইৰ পৰা প্ৰশিক্ষণ লৈ অহা বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিজেপিৰ সংস্কাৰত মন-মগজুৰে অন্তৰ্ভুক্ত হ'ব পৰা নাই নেকি? হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰী হিচাপে শপত লয় ২০২১ চনৰ মে' মাহত। ২০২১ চনৰ মাচ-এপ্ৰিল মাহত কংগ্ৰেছৰ টিকটত জয়ী হৈ অহা কুৰ্মীয়ে দুমাহ পিছতে ২১ জুন মাহত কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰে। ২০২১ চনৰ ৩০ অক্টোবৰত মৰিয়নীত উপ-নিৰ্বাচন অনুষ্ঠিত হয়। ২ নৱেম্বৰত অনুষ্ঠিত ভোটগণনাত পুনৰ জয়ী হয় কুৰ্মী। ২০২১ চনৰ ৮ নৱেম্বৰত ৰাজ্যিক বিজেপিৰ বশিষ্ঠৰ কাৰ্যালয়ত বিজেপিৰ বিধায়িক নিৰ্বাচিত হোৱাত ৰাজ্যিক বিজেপিৰ সম্বৰ্ধনা গ্ৰহণ কৰে। ২০২১ চনৰ ১১ নৱেম্বৰত বিধায়ক হিচাপে শপত লয়। ১২ নৱেম্বৰৰ পৰা মুম্বাইৰ ৰামভাও মালগী প্ৰবোধিনীত অনুষ্ঠিত সংস্কাৰ কৰ্মশালাত অংশ লয় ৰূপজ্যোতি কুৰ্মী। কংগ্ৰেছৰ পৰা বিজেপিত যোগদান কৰি উপ-নিৰ্বাচনত বিজেপিৰ টিকটত পুনৰ বিধায়ক নিৰ্বাচিত হয়। হয়তো পুৰণি কংগ্ৰেছ পৰিয়ালৰ হোৱাৰ বাবে কুৰ্মীয়ে বিজেপিৰ সংস্কৃতিক আকোৱালি ল'ব নোৱাৰাৰ ফলতে মদগৰ্বী স্বভাৱটো গাৰ পৰা যোৱাই নাই। কিন্তু বিজেপিয়ে এনে আচৰণক সহজে ল'ব পৰা নাই। বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ কাণ্ডই পুৰণি বিজেপিৰ মাজত জোকাৰণি তুলিছে। তাৰ পিছতে এনে আচৰণ বিজেপিৰ সংস্কাৰৰ পৰিপন্থী বুলি বিবৃতি জাৰি কৰিবলৈ বাধ্য হয় বিজেপিৰ ৰাজ্যিক সমিতিয়ে। বিধানসভাত পুনৰ এনে আচৰণ নকৰিবলৈ এক পত্ৰ যোগে সকীয়াই দিলে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। অসমৰ জনসাধাৰণক ক্ষমা খোজাৰ নিৰ্দেশ প্ৰদান কৰিছে দিলীপ শইকীয়াই। পত্ৰযোগে দিলীপ শইকীয়াই কয় যে বিধানসভাৰ পৱিত্ৰ মজিয়াত আপোনাৰ বক্তব্যৰ মাজতে সদনৰ নিজৰ আসনৰ পৰা উঠি গৈ সতীৰ্থ বিধায়কলৈ খেদি যোৱা বিষয়টো অসমৰ ৰাইজৰ দৃষ্টিগোচৰ হৈছে। আপোনাৰ এই আচৰণ সদনৰ পৰম্পৰাৰ পৰিপন্থী। এগৰাকী অভিজ্ঞ ৰাজনীতিবিদ হিচাপে বিধানসভাত আপোনাৰ অপ্ৰত্যাশিত আচৰণ ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তা হিচাপে আমি আশ্বৰ্যচকিত হৈছো। ভাৰতীয় জনতা পাৰ্টী এটা অনুশাসনসমৃদ্ধ আৰু এক বিশেষ সংস্কাৰৰ দ্বাৰা পৰিচালিত আৰু প্ৰতিপালিত সংগঠন। ইয়াত সহিষ্ণুতা, সংযমৰ লগতে প্ৰয়োজন সাপেক্ষে আদৰ্শগত যুঁজৰ বাবেও আমি আমাৰ উদাহৰণ প্ৰতিপন্ন কৰিছো। সদনত আপোনাৰ আচৰণত ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যকৰ্তাৰ সংস্কাৰৰ লগত যথেষ্ট পাৰ্থক্য পৰিলক্ষিত হৈছে। ইতিমধ্যে এগৰাকী জনপ্ৰতিনিধি হিচাপে বিষয়টো সন্দৰ্ভত সদনত ক্ষমা প্ৰাৰ্থনাৰে নিজস্ব দায়বদ্ধতা পালন কৰিছে যদিও এনেধৰণৰ আচৰণৰ পুনৰাবৃত্তি নকৰিবলৈ আপোনাক পৰামৰ্শ প্ৰদান কৰা হ'ল। একে সময়তে উক্ত বিষয়ত অসমৰ জনসাধাৰণৰ ওচৰতোক্ষমা প্ৰাৰ্থনা বিচাৰিবলৈ আপোনাক নিৰ্দেশনা প্ৰদান কৰা হ'ল। আনহাতে দিলীপ শইকীয়াই সংবাদমাধ্যমৰ সন্মুখতো প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। শইকীয়াই কয় যে এইটো বেয়া কথা হৈছে। স্পষ্ট কথা। ৰূপজ্যেতি কুৰ্মী জ্যেষ্ঠ জনপ্ৰতিনিধি। চাৰিবাৰৰ বিধায়ক। এজন বক্তাই যেতিয়া বক্তব্য দি থাকে তেতিয়া বাকীসকলে শুনাৰ এটা পৰম্পৰা আছে। সেই পৰম্পৰা কালি ভংগ হৈছিল। কিন্তু ৰূপজ্যোতি কুৰ্মীয়ে আসনৰ পৰা উঠি চোঁচা মাৰি গৈছে। সেইটো জনসাধাৰণে ভাল পোৱা নাই। ভাৰতীয় জনতা পাৰ্টীৰ সংস্কাৰত এইটো নাই। আমি ৰূপজ্যোতি কুৰ্মীক এখন পত্ৰ প্ৰেৰণ কৰিছো। তেওঁ যাতে বিষয়টো গভীৰভাৱে লয়। এনেকুৱা আচৰণ যাতে অসমৰ ৰাইজে দেখিবলৈ নাপায়। তেওঁ চাহজনগোষ্ঠীৰ নেতা হয়েই। চাৰিবাৰকৈ নিৰ্বাচিত প্ৰতিনিধি। জ্যেষ্ঠ বিধায়কৰ পৰা মানুহে বহুত বেছি আশা কৰে। তেওঁ ক্ষমা বিচাৰিছে। আগন্তুক দিনত তেওঁ অসমৰ ৰাইজো ক্ষমা বিচাৰিব। আগন্তুক দিনত যাতে তেওঁ এনেকুৱা কৰ্ম নকৰে- কয় দিলীপ শইকীয়াই। কিন্তু এইগৰাকী মদগৰ্বী কুৰ্মীৰ অহংকাৰ এতিয়াই কমা নাই। অসমৰ ৰাইজে লেইলেই ছেইছেই কৰাৰ পিছতো পুনৰ বিৰোধীৰ বিধায়কক হুংকাৰ দিয়া পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেন্দ্ৰৰ বিৰুদ্ধে ঐক্যবদ্ধ দক্ষিণ, প্ৰস্তাৱ

চেন্নাইত অনুষ্ঠিত জইন্ট একচন কমিটীৰ বৈঠকত স্বচ্ছতা অবিহনে আৰু অংশীদাৰসকলৰ মতামত অবিহনে কৰা সমষ্টি পুনৰ নিৰ্ধাৰণ অগ্ৰহণযোগ্য বুলি ঘোষণা কৰি এক প্ৰস্তাৱ গ্ৰহণ কৰে দক্ষিণ ভাৰত আৰু পঞ্জাৱৰ বিৰোধী নেতাসকলে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনৰ আহ্বানত অনুষ্ঠিত হোৱা এই বৈঠকত উপস্থিত থকা নেতাসকলে দাবী জনায় যে যিকোনো সমষ্টি পুনৰ নিৰ্ধাৰণৰ প্ৰস্তাৱত স্বচ্ছ আৰু ন্যায্যভাৱে সকলো ৰাজ্য চৰকাৰ, ৰাজনৈতিক দল আৰু অন্যান্য গুৰুত্বপূৰ্ণ অংশীদাৰৰ মতামত সন্নিৱিষ্ট কৰি কৰিব লাগে। জনসংখ্যা নিয়ন্ত্ৰণত সফল হোৱা ৰাজ্যসমূহ আসনৰ সংখ্যা হ্ৰাসৰ ফলত অন্যায়ভাৱে প্ৰভাৱিত হ'ব পাৰে বুলি জেএচিয়ে উদ্বেগ প্ৰকাশ কৰিছে। নেতাসকলে উল্লেখ কৰে যে ১৯৭১ চনৰ লোকপিয়লৰ ভিত্তিত আসনৰ সংখ্যা অপৰিৱৰ্তিত ৰখাৰ বাবে সাংবিধানিক সংশোধনীসমূহ মূলতঃ জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা ৰাজ্যসমূহক সুৰক্ষা আৰু উৎসাহিত কৰাৰ বাবে গ্ৰহণ কৰা হৈছিল। কিন্তু ৰাষ্ট্ৰীয় জনসংখ্যাৰ স্থিৰতাৰ লক্ষ্য এতিয়াও লাভ কৰিব পৰা নাই, গতিকে এই সীমা আৰু ২৫ বছৰলৈ বৃদ্ধি কৰাৰ দাবী উত্থাপন হৈছে। প্ৰস্তাৱটোত কোৱা হৈছে যে, "যি ৰাজ্যই জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু ফলত জনসংখ্যাৰ হাৰ হ্ৰাস কৰিছে, সেইবোৰক শাস্তি দিয়া উচিত নহয়।" এই বৈঠকত অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ সাংসদসকলৰ এখন 'ক'ৰ কমিটী' গঠন কৰাৰ সিদ্ধান্ত লোৱা হয়, যিয়ে সংসদত এই বিষয়ত সমন্বিত ব্যৱস্থা গ্ৰহণ কৰিব। তদুপৰি চলিত সংসদৰ অধিৱেশনৰ সময়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক যুটীয়া আবেদন দাখিল কৰা হ'ব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ইতিহাস আৰু ইয়াৰ সম্ভাব্য প্ৰভাৱৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ বাবে জেএচিয়ে দেশজোৰা সজাগতা অভিযান চলোৱাৰ সিদ্ধান্ত লৈছে। তেওঁলোকৰ লক্ষ্য হৈছে জনমত সংগঠিত কৰি কেন্দ্ৰৰ পৰিকল্পিত প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনোৱা। ডিএমকেৰ সংসদীয় দলৰ নেতা কানিমোঝিয়ে বৈঠকৰ খচৰা প্ৰস্তাৱ পাঠ কৰি কয়, "যদি কেন্দ্ৰই গণতন্ত্ৰৰ প্ৰকৃতি আৰু গাঁথনি আৰু অধিক উন্নত কৰিব বিচাৰে, তেন্তে সমষ্টিসমূহ স্বচ্ছভাৱে পুনৰ নিৰ্ধাৰণ কৰা উচিত, যাতে ৰাজনৈতিক দল, চৰকাৰ আৰু সকলো ৰাজ্যৰ অংশীদাৰসকলে অংশগ্ৰহণ কৰি নিজৰ মতামত প্ৰকাশ কৰিব পাৰে।" এই বৈঠকত কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ন, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডী, পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মান আৰু কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ উপস্থিত থাকে। ইয়াৰ উপৰিও তেলেংগানাৰ প্ৰাক্তন মন্ত্ৰী তথা বাৰ্হৰ কাৰ্যকৰী সভাপতি কে টি ৰামা ৰাও, কংগ্ৰেছ, চি পি আই (এম), চি পি আই, বিজেডি, আপকে ধৰি কেইবাটাও দলৰ নেতাই অংশগ্ৰহণ কৰে। এই ঐক্যবদ্ধতাৰ পৰিণাম কি হয় সেয়া লক্ষ্যণীয় হব।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্ৰিটিছ খেদা কংগ্ৰেছ ভয়াতুৰ নহয়

চৰকাৰ আৰু আৰক্ষীৰ তীব্ৰ সমালোচনা কৰে। ১৮ মাৰ্চত বগৰী চাপৰিৰ এখন সভালৈ গৈ থকাৰ সময়ত কেইবাগৰাকীও কংগ্ৰেছ কৰ্মীক একাংশ দুৰ্বৃত্তই আক্ৰমণ কৰা ঘটনা সন্দৰ্ভত জোনাই সমষ্টিৰ মুৰ্ককচেলেং ব্লকৰ লাইমেকুৰি গাঁৱত সংবাদমেল সম্বোধন কৰি ভূপেন বৰাই আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। কংগ্ৰেছৰ নেতা-কৰ্মীক আক্ৰমণ কৰা দুৰ্বৃত্তক থানালৈ মাতি আনি চাহ-মিঠাই খুৱাই যাবলৈ দিয়াৰ অভিযোগ আনে বৰাই। বৰাই লগতে বিধানসভাৰ অধিৱেশন চলি থকাৰ পিছতো জোনাইৰ বিজেপি বিধায়ক ভুবন পেগুৱে জোনাইলৈ আহি দুৰ্বৃত্তক উদ্ধাৰত নমাৰ লগতে থানাৰ পৰা মুকলি হৈ যোৱা দুৰ্বৃত্তৰ সৈতে ফটো তোলাৰ অভিযোগ আনে। ইয়াৰ লগতে কেইবাটাও বিষয় সন্দৰ্ভত মন্তব্য প্ৰদান কৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। ভূপেন বৰাই কয় যে ব্ৰিটিছ খেদা কংগ্ৰেছ দল কেতিয়াও ভয়াতুৰ নহয়। বগৰী চাপৰিৰ সভালৈ যোৱা কংগ্ৰেছ কৰ্মীক আক্ৰমণ কৰা ঘটনাৰ আঁৰত জোনাইৰ বিধায়ক ভুবন পেগু জড়িত থকাৰ অভিযোগ উত্থাপন কৰি এই ঘটনাৰ তীব্ৰ গৰিহণা প্ৰদান কৰে। দুষ্কৃতিকাৰীসকলক চিনাক্ত কৰি চিমেন চাপৰি থানাত গোচৰ ৰুজু কৰাৰ পিছতো কোনোধৰণৰ আইনী ব্যৱস্থা গ্ৰহণ নকৰি ঘটনা জড়িত দুৰ্বৃত্তসকলক থানা লৈ মাতি আনি আৰক্ষীয়ে চাহ-মিঠাই খুৱাই ঘূৰাই পঠিওৱা বুলি অভিযোগ তুলিছে ভূপেন বৰাই। কংগ্ৰেছ নেতা-কৰ্মীক আক্ৰমণকাৰীসকলৰ সৈতে জোনাইৰ বিধায়ক ভুৱন পেগুৱে মৰা এখন ফটো দেখুৱাই এই আক্ৰমণকাৰী ব্যক্তিসকলৰ সৈতে বিধায়কগৰাকীৰ সম্পৰ্ক কি বুলি প্ৰশ্ন কৰে ভূপেন বৰাই। উল্লেখ্য, ধেমাজি জিলা যুৱ কংগ্ৰেছৰ সভাপতি ৰহিম পেগু, প্ৰদেশ কংগ্ৰেছৰ এছ.টি চেলৰ সাধাৰণ সম্পাদক বিক্ৰম ৰামছিয়াৰী, মুককচেলেং ব্লকৰ সভাপতি তুনিৰাম দলে, বাণীকান্ত দলে, কনকলতা পাটিৰ, ৰশ্মি দলেসহ কেইবাজনো কংগ্ৰেছ কৰ্মীক আক্ৰমণ কৰিছিল দুৰ্বৃত্তই। কংগ্ৰেছ দলৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাৰ বাবেই বিজেপি কৰ্মীয়ে এনে কাম কৰিছে বুলি অভিযোগ উত্থাপিত হৈছিল। জোনাই সমষ্টিৰ বগৰী চাপৰি এলেকাত পঞ্চায়তৰ প্ৰস্তুতি সভাত অংশগ্ৰহণ কৰাৰ সময়তে এটা বৃহৎ দুৰ্বৃত্তৰ দলে যিয়ে যেনেকৈ পাৰে তেনেকৈ আক্ৰমণ কৰিছিল কংগ্ৰেছ কৰ্মীসকলক। কংগ্ৰেছৰ সভা চলি থকাৰ সময়তে তেওঁলোকক নিৰ্মমভাৱে প্ৰহাৰ কৰিছে বুলি অভিযোগ উত্থাপন হৈছিল। যাৰ বাবে কংগ্ৰেছৰ ৫ জনকৈ নেতা-কৰ্মী চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হয়। এই ঘটনাৰ সৈতে জড়িত অভিযুক্তৰ নাম কংগ্ৰেছে এজাহাৰত উল্লেখ কৰিছিল যদিও আজি পৰ্যন্ত তেওঁলোকক গ্ৰেপ্তাৰ নকৰাত আজিৰ সংবাদমেলত ক্ষোভ প্ৰকাশ কৰে ভূপেন বৰাই। আনফালে অসম বিধানসভাৰ মজিয়াত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিৰোধী বিধায়ক শ্বেৰমান আলি আৰু অখিল গগৈক আক্ৰমণ কৰা ঘটনাক লৈও সংবাদমেল যোগে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিধায়ক ৰূপজ্যোতি কুৰ্মীক মানসিক ৰোগী আখ্যা ভূপেন বৰাৰ। শেহতীয়াকৈ জোনাইত দুই নিষ্পাপ শিশুক কোনো দুৰ্বৃত্তই হত্যা কৰি মাটিত পুতি থৈ যোৱা বুলি উল্লেখ কৰি ভূপেন বৰাই কয়, ঘটনাৰ ২৪ ঘণ্টা উকলি যোৱাৰ পাছতো অসম আৰক্ষীয়ে দুৰ্বৃত্তক কৰায়ত্ত কৰিব পৰা নাই। এই চৰকাৰে কংগ্ৰেছৰ লগতে সাধাৰণ জনতাক কি সুৰক্ষা দিব বুলিও প্ৰশ্ন বিৰোধী নেতাগৰাকীৰ। সংবাদমেলত বৰাই এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচনত বিজেপিয়ে কংগ্ৰেছৰ দুগৰাকী প্ৰাৰ্থীক দাবী ধমকিৰে তেওঁলোকৰ মনোনয়ন পত্ৰ উঠাবলৈ দিয়া বুলি গুৰুতৰ অভিযোগ তুলিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ফাদিল প্ৰশ্নকাকত, ছাত্ৰ-ছাত্ৰীক লৈ

বিভাগৰ উচ্চপদস্থ বিষয়াই বাৰে বাৰে প্ৰশ্নকাকত ফাদিল ৰোধ কৰিম বুলি কয় যদিও প্ৰতিবাৰেই বিফল হয়। বাৰে বাৰে প্ৰশ্নকাকত ফাদিল হ'বলৈ ধৰাত ৰাজ্যৰ চৰকাৰখন যে সুচাৰুৰূপে পৰীক্ষা পৰিচালনা কৰাত বিফল হৈছে সেই কথা এতিয়া ৰাইজৰ মুখে মুখে। ২০ মাৰ্চত প্ৰশ্নকাকত ফাদিল হোৱাত উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ অংক বিষয়ৰ পৰীক্ষা স্থগিত ঘোষণা কৰিছিল শিক্ষা বিভাগে। একেটা দিনতে বৰপেটাত নৱম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাৰ ইংৰাজী বিষয়ৰ প্ৰশ্নকাকত ফাদিল হোৱাত বৰপেটা জিলা পৰীক্ষা বৰ্ডে পৰীক্ষা স্থগিত ঘোষণা কৰিবলগীয়া হয়। ইখনৰ পিছত সিখন প্ৰশ্নকাকত ফাদিল হোৱাৰ ঘটনাই ৰাজ্য চৰকাৰৰ স্বৰূপ ওলাই পৰাৰ সময়তে আজি উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ অৰ্থনীতি বিজ্ঞান বিষয়ৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ ফলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। আজি উচ্চতৰ মাধ্যমিকৰ অৰ্থনীতি বিষয়ৰ পৰীক্ষা আছিল। আজি পুৱাৰে পৰা বিভিন্ন ধৰণে প্ৰশ্নকাকত ফাদিল হয়। হোৱাটছএপে যোগে ভাইৰেল হয়। তথাপিও অৰ্থনীতি বিষয়ৰ পৰীক্ষা অনুষ্ঠিত কৰে শিক্ষা বিভাগে। ফাদিল হোৱা কাকতখনেৰে পৰিক্ষাৰ্থীসকলে পৰীক্ষা দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ফলত নিশা উচ্চতৰ মাধ্যমিকৰ সকলো পৰীক্ষা ২৯ মাৰ্চলৈ বাতিল কৰে শিক্ষা বিভাগে। ২১ মাৰ্চৰ নিশাই মোবাইলে মোবাইলে প্ৰশ্নকাকত ভাইৰেল হৈছিল। ৰাজ্য চৰকাৰ শিক্ষা বিভাগে জাৰি কৰা এক বিবৃতি মতে, বৰপেটা, বজালী, কাছাৰ, ধেমাজি, হাইলাকান্দি, কামৰূপ মহানগৰ, মাজুলী, লখিমপুৰ, নগাঁও আৰু নলবাৰী জিলাত কাকত ফাদিল হৈছে। ইতিমধ্যে শিক্ষা বিভাগৰ কেইবাগৰাকী স্কুলসমূহৰ পৰিদৰ্শকে কেইবাখনো এজাহাৰ দাখিল কৰিছে। কিন্তু মাধ্যমিক শিক্ষা পৰিষদে আজি ফাদিল হোৱা প্ৰশ্নকাকতৰেই অৰ্থনীতিৰ পৰীক্ষা পাতে। ফাদিল হোৱা প্ৰশ্নকাকতখন ভুৱা বুলি ভাবিছিল যদিও পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগেই ফাদিল হোৱা কাকাতখনে হয় বুলি নিশ্চিত হয়। জানিব পৰা মতে, তিনিচুকীয়াৰ ফিল'বাৰীত প্ৰথম অৱস্থাত ফাদিল হোৱা প্ৰশ্নকাকতখন ভুৱা বুলি ভাবিছিল যদিও আজি পৰীক্ষা আৰম্ভ হোৱাৰ লগে লগেই নিশ্চিত হয়। অৰ্থনীতি বিষয়ৰ প্ৰশ্নকাকতৰ লগত ছাত্ৰ-ছাত্ৰীৰ মোবাইলে মোবাইলে থকা প্ৰশ্নকাকতৰ ১০০ শতাংশ মিল আছে। পুনৰ ফাদিল হ'ল উচ্চতৰ মাধ্যমিকৰ প্ৰথমবৰ্ষৰ প্ৰশ্নকাকত। ৪ দিনত তিনিখনকৈ প্ৰশ্নকাকত ফাদিল হয়। কাকত ফাদিল হোৱাৰ বাবে স্থগিত ৰাখিছিল গণিতৰ পৰীক্ষা। কংগ্ৰেছ কাকত ফাদিল কাণ্ডক তীব্ৰ ক্ষোভ ব্যক্ত কৰি চৰকাৰক সমালোচনা কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই পৰীক্ষা এটাও ভালকৈ পাতিব নোৱৰা বুলি তীব্ৰ সমালোচনা কৰে। চৰকাৰে অসমক ৫ খন উন্নত ৰাজ্যৰ তালিকাভুক্ত কৰাৰ সপোন কিয় দেখুৱাই বুলি কয় বৰাই। ১৯ মাৰ্চৰ পৰা উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ গণিত আৰু অৰ্থনীতি বিভাগৰ দুখন কাকাত ফাদিল হোৱাৰ লগতে বৰপেটাত নৱম শ্ৰেণীৰ ইংৰাজী বিষয়ৰ প্ৰশ্নকাকত ফাদিল হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভতিজাকৰ বিয়া খাবলৈ গৈ এঘৰীয়া ৩

এইবাৰ তিনিটা পৰিয়ালক এঘৰীয়া কৰিছে গহপুৰত। জানিব পৰা মতে, গহপুৰৰ কলাবাৰী ১নং দোলা দলনিৰ শিৱ ভূঞা, দিন ভূঞা আৰু পাপু ভূঞাক এঘৰীয়া কৰিছে স্থানীয় শংকৰদেৱ সংঘৰ দোলা প্ৰাথমিক শাখাই। জানিব পৰা মতে, শিৱ ভূঞা, দিন ভূঞা আৰু পাপু ভূঞাৰ পৰিয়ালে এখন বিয়া খাবলৈ গৈছিল। বিয়াখন আছিল বামুণীয়া সমাজৰ। যাৰ ফলত জবাবদিহী কৰি এঘৰী.য়া কৰা হয়। শিৱ ভূঞা, দিন ভূঞা আৰু পাপু ভূঞাৰ পিতৃ আৰু কেশৱ ভূঞা দুয়ো সম্পৰ্কত ভাতৃ। কেশৱ ভূঞা বামুণীয়া পন্থাত আছে আৰু কেশৱ ভূঞাৰ ভাতৃৰ সন্তান শিৱ ভূঞা, দিন ভূঞা আৰু পাপু ভূঞা শংকৰ সংঘৰ সৈতে জড়িত। কেশৱ ভূঞাৰ পৰিয়ালত বামুনীয়া বিয়া খাবলৈ যোৱাত ভতিজাহঁতক এঘৰীয়া কৰে। শংকৰ সংঘৰ দোলা প্ৰাথমিক শাখাই এঘৰীয়া কৰিলে সংগী বাপ শিৱ ভূঞা, দিন ভূঞা আৰু পাপু ভূঞাক। সংস্কাৰ বাবে আৰ্জি দিছিল যদিও এমাহ উকলি যোৱাৰ পিছতো সুযোগ নিদিলে। ব্ৰইলাৰ-গাহৰি পালন, চকলং বিবাহ, মে-ডাম-মে-ফীৰ পিছত এইবাৰ বিয়া খাবলৈ গৈ এঘৰীয়া হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। পৰিয়ালকেইটা শংকৰ সংঘ ত্যাগ কৰি বৈদিক ধৰ্ম গ্ৰহণ কৰাৰ সিদ্ধান্ত লয়। ইটোৰ পিছত সিটো বিতৰ্কত সোমাই পৰা শংকৰ সংঘ পুনৰবাৰ বিতৰ্কত সোমাই পৰিছে। ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুৰ্মীক গৰিহণা, অখিলকো সমালোচনা

আঁচনি তথা অন্যান্য উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। বৈঠকত কেবিনেটৰ দ্বাৰা ধেমাজিৰ বাবে ঘোষিত আঁচনিসমূহ ৰূপায়ণৰ অগ্ৰগতিৰ সম্পৰ্কত বুজ লয় মুখ্যমন্ত্ৰীয়ে। জীয়াধল, মৰিধল, গাই নৈ সুঁতিয়ে সৃষ্টি কৰা বান, ধেমাজি চহৰত সন্মিলন কেন্দ্ৰ নিৰ্মাণ, নলা-নৰ্দমা নিৰ্মাণ, শিশু উদ্যানৰ উন্নীতকৰণ, ধেমাজি আৰু গোগামুখ চক্ৰত সীমা সমস্যা আদি বিষয়ত আলোচনা কৰে। লোক নিৰ্মাণ জলসম্পদ, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, শক্তি, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, জনস্বাস্থ্য, শিক্ষা, কৃষি, উদ্যোগ আৰু বাণিজ্য, বিত্ত, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ অধীনত চলি থকা আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহৰ অগ্ৰগতিৰ বুজ লয়। জোনাইৰ পৰা মাজুলীলৈ পথযুক্ত মথাউৰিৰ উন্নীতকৰণ, অসম মালাৰ অধীনৰ বিভিন্ন পথ, মুখ্যমন্ত্ৰী উন্নত পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ৰূপায়িত প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত বিষয়সকলৰ তথ্য আহৰণ কৰে। ধেমাজিত নিৰ্মাণৰত চিকিৎসা মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয় ভৱন আৰু সংহত ক্ৰীড়া প্ৰকল্পৰ কাম দ্ৰুতগতিত ৰূপায়ণ কৰাৰ নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে। আনহাতে মুখ্যমন্ত্ৰীয়ে ডিব্ৰুগড়ৰ লেপেটকটাস্থিত ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড প'লিমাৰ লিমিটেড প্ৰকল্পটো পৰিদৰ্শন কৰে। কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষ, পণ্যাগাৰ, উৎপাদনস্থলী আদি হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰে। শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনা বৈঠক কৰি প্ৰতিষ্ঠানটোৰ শেহতীয়া কাম-কাজ, ভৱিষ্যতৰ পৰিকল্পনা, উৎপাদিত সামগ্ৰীৰ বিবিধতা বৃদ্ধি, প্ৰতিষ্ঠানটোৰ সমস্যাৰ বিষয় বিস্তৃতভাৱে আলোচনা কৰে। আগন্তুক সময়ত বিচিপিএল-এ যাতে অধিক সবলভাৱে উদ্ভাসিত হ'ব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়াব বুলি মুখ্যমন্ত্ৰীয়ে কথা দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাইজৰ বহুদিনীয়া বিপুল দাবীক মান্যতা দি এই বৃহৎ প্ৰকল্প প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৬ চনত উৎসৰ্গা কৰিছিল। এই প্ৰকল্পটো ১০৭ শতাংশ দক্ষতাৰে কাম কৰি আছে। বিশ্বমানৰ দক্ষ কৰ্মশক্তিৰে সমৃদ্ধ আৰু অসমত 'ইজ অৱ ডুইং বিজনেছ'ৰ ক্ষেত্ৰত এই প্ৰকল্প এক উজ্জ্বল নিদৰ্শন। আনহাতে মুখ্যমন্ত্ৰীয়ে মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ কাণ্ডক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে বিধানসভাত ৰূপজ্যোতি কুৰ্মীয়ে কৰা ব্যৱহাৰ ভাৰতীয় জনতা পাৰ্টিৰ সংস্কৃতিৰ পৰিপন্থী বুলি স্পষ্টকৈ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যিক সভাপতিয়ে বিধায়ক ৰূপজ্যোতি কুৰ্মীক অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিবলৈ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে কুৰ্মী এটা নিপীড়িত, নিষ্পেষিত জনগোষ্ঠীৰ পৰা তেওঁ অসম বিধানসভালৈ আহিছে। মন্ত্ৰীয়ে ভাষণ দি থাকিলে বিধায়কে ৰখোৱাৰ যত্ন কৰে। কিন্তু যোৱাকালি ৰূপজ্যোতি কুৰ্মীয়ে ভাষণ দিয়াৰ সময়ত অখিল গগৈয়ে বাৰে বাৰে বাধা দিবলৈ চেষ্টা কৰি আছে। মই ভাষণ দি থাকিলেও অখিল গগৈয়ে কথা ক'ব খোজে। মোৰ বিধানসভাত যিহেতু ২৫ বছৰ হ'ল ধেমালি-ধুমুলা কৰি কথাখিনি ডাইভাৰ্ট কৰো। মনটো সিমানখিনিয়েই বেয়া লাগে। আগত আমাৰ বিধানসভাত এনে পৰম্পৰা নাছিল। কালি ৰূপজ্যোতি কুৰ্মীয়ে ভাষণ দি আছে অখিল গগৈয়ে কোনোবা এটা ৰাস্তাৰ কথা উলিয়াই দিছে। ৰূপজ্যোতি কুৰ্মীয়ে ভাষণ প্ৰদান কৰাৰ সময়ত বাধা প্ৰদান কৰি অখিল গগৈয়েও ভুল কৰিছে। অখিল গগৈয়েও এই কাৰ্যৰ বাবে অসমৰ ৰাইজৰ ওচৰত ক্ষমা বিচাৰিব লাগে বুলি কয় মুখ্যমন্ত্ৰীয়ে। আনহাতে, মুখ্যমন্ত্ৰীয়ে চিপিআইএমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰৰ অডিঅ' টেপ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এটা টেপ ওলাইছে। তেওঁ কৈছে যে এইটো এআই হ'ব পাৰে। আজিকালি ডিপফেক বা এআই হয় নে নহয় সেই কথা কৈ দিয়ে। অহাকালি যদি অধ্যক্ষই বিচাৰে এইটো এআই বা ডিপফেক হয় নেকি চাই দিব লাগে। ১০ মিনিটত ৰিজাল্ট দি দিব পাৰো। এইটো যিহেতু বিধানসভাৰ অধ্যক্ষৰ বিশেষাধিকাৰ। কালি মোক যেনেকৈ ক'ব তেনেকৈ কৰিম। এনেদৰে কৰে হিমন্ত বিশ্ব শৰ্মাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰক্ষীৰ বিৰুদ্ধে কৰ্ণেল পত্নীৰ তদন্ত

হৈ পৰিছে। সংবাদমেলত কৰ্ণেলৰ পত্নী জছৱিন্দৰ কৌৰ বাথে পঞ্জাৱ আৰক্ষীৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয় যে আৰক্ষীয়ে তেওঁলোকৰ অভিযোগক গুৰুত্বসহকাৰে লোৱা নাছিল, যাৰ বাবে এফআইআৰ দাখিল কৰাত পলম হৈছিল। অৱশেষত ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াক সাক্ষাৎ কৰাৰ এদিন পিছতে ২১ মাৰ্চত নতুনকৈ এফআইআৰ দাখিল কৰা হয়। শুকুৰবাৰে এখন সংবাদমেলত জছৱিন্দৰ কৌৰ বাথে এই ঘটনা কেন্দ্ৰীয় তদন্তকাৰী ব্যুৰো (চিবিআই)ক গতাই দিবলৈ দাবী জনায়। "আমি পঞ্জাৱৰ ডিজিপি গৌৰৱ যাদৱক লগ কৰিবলৈ গৈছিলো, কিন্তু তেওঁ ব্যস্ত আছিল। আমাক অপেক্ষা কৰিবলৈ কোৱা হৈছিল, আমি ডেৰ ঘণ্টা অপেক্ষা কৰিছিলো, কিন্তু তাৰ পিছত তেওঁ একো নোকোৱাকৈয়ে কাৰ্যালয়ৰ পৰা ওলাই আহিছিল। সেনা জোৱানসকলক প্ৰাপ্য সন্মান দিয়া হোৱা নাই।" -কৌৰে কয়। সংবাদ মাধ্যমৰ সন্মুখত কৰ্ণেলৰ পত্নীয়ে আৱেগিক হৈ পুনৰ কয়, "মোৰ ল'ৰাটোৰে কৈছে, সি আৰু এই দেশত থাকিব নিবিচাৰে, কাৰণ এই দেশ এতিয়া বসবাসযোগ্য নহয়। মই তাক পতিয়ন নিয়াব বিচাৰো যে ন্যায় হ'ব। আমি ৰাজ্যপালৰ ওচৰলৈ গ'লোঁ আৰু যেতিয়া মই তেওঁক আৰক্ষীৰ বৰ্বৰতাৰ ছবি আৰু প্ৰমাণ দেখুৱালোঁ, তেতিয়া তেওঁও চকুলো টুকিলে। তেওঁ লগে লগে ডিজিপিক ফোন কৰি নিৰ্দেশ দিলে যে আমাৰ অভিযোগৰ ভিত্তিত এফআইআৰ কৰা হওক।" জছৱিন্দৰ কৌৰে আৰু অভিযোগ কৰে যে পাটিয়ালাৰ এছএছপি নানক সিঙে দণ্ডাধীশ পৰ্যায়ৰ তদন্ত গঠন কৰা হৈছে বুলি কৈছিল, কিন্তু এফআইআৰৰ ধাৰা সলনি কৰিব নোৱাৰি। তেওঁ কয় যে এজন আৰক্ষী পৰিদৰ্শকে জনাইছে যে অভিযুক্ত আৰক্ষী কৰ্মীৰ একাংশৰ নাম 'এনকাউণ্টাৰ স্পেচিয়েলিষ্ট' হিচাপে সন্মানিত হোৱাৰ বাবে আৰু অতি সোনকালে পদোন্নতি পাবলৈ ওলাইছে বাবে এফআইআৰত যোগ দিব নোৱাৰিব। উল্লেখ্য যে, ১৩ আৰু ১৪ মাৰ্চৰ নিশা কৰ্ণেল পুষ্পিন্দৰ সিং বাথ আৰু তেওঁৰ পুত্ৰই পাটিয়ালাৰ চৰকাৰী ৰাজিন্দ্ৰ চিকিৎসালয়ৰ সমীপৰ এখন ধাবাৰ সন্মুখত থিয় হৈ খাদ্য খাই আছিল। সেই সময়ত একাংশ আৰক্ষীয়ে তালৈ গৈ গাড়ীখন স্থানান্তৰ কৰিবলৈ ক'লে। তেওঁলোকৰ এই আচৰণত কৰ্ণেলে আপত্তি কৰাৰ লগে লগে এজন আৰক্ষীয়ে তেওঁক প্ৰহাৰ কৰিবলৈ ধৰিলে। তাৰ পিছত আৰু আৰক্ষী আহি লাঠিৰে আক্ৰমণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘোচ লৈ গ্ৰেপ্তাৰ ৩ আৰক্ষী

লাজ-মান নাই। নিজ বিভাগটোক বদনাম কৰি হ'লেও ঘোঁচ লোৱা কাৰবাৰটো জীয়াই ৰাখিব খোজে। দৰমহাৰ টকাৰে পেট নভৰা একাংশ আৰক্ষীৰ লোকে আজিও ঘোঁচ লবলৈ কুণ্ঠাবোধ নকৰাৰ ফলতে আকৌ এবাৰ দাগ লাগিল অসম আৰক্ষীত আজি লখিমপুৰ জিলাৰ পানীগাঁও আৰক্ষী থানাৰ তিনিজন আৰক্ষীক উৎকোচ গ্ৰহণৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰভুক্ত আৰক্ষীসকল হৈছে কনিষ্টবল হিৰণ্য কুমাৰ পাটগিৰি, গৃহৰক্ষী জোৱান দিলীপ কলিতা আৰু দীপক মিলি। ঘটনাটোৰ তদন্তৰ পৰিপ্ৰেক্ষিতত থানাৰ অ' চি সত্যজিৎ বৰা আৰু উপ-পৰিদৰ্শক ক্ষীৰোদ শইকীয়াক নিলম্বন কৰা হৈছে। ভিযোগমতে, চোৰাং গৰু সৰবৰাহকাৰী বুলি সজা ৰাজকুমাৰ দলে নামৰ ব্যক্তি এজনৰ পৰা ২১ হাজাৰ টকা উৎকোচ হিচাপে গ্ৰহণ কৰা বুলি তেওঁলোকৰ বিৰুদ্ধে প্ৰমাণ পোৱা গৈছে। এই আৰক্ষীসকলে এজন ব্যক্তিক চোৰাং বাণিজ্যৰ সৈতে জড়িত বুলি অভিযোগ দি ধন আদায় কৰিছিল। উৎকোচৰ বিনিময়ত চোৰাং সৰবৰাহত সহায় কৰাৰ অভিযোগৰ ভিত্তিতে কঠোৰ ব্যৱস্থা লয় আৰক্ষীৰ ওপৰ মহলে। গ্ৰেপ্তাৰ হোৱা আৰক্ষীকেইজনে ৰাজকুমাৰ দলেক চোৰাং গৰুৰ সৰবৰাহকাৰী বুলি ভাবুকি দি ধন আদায় কৰাৰ চেষ্টা কৰোঁতে এন্টি কৰাপচন বিষয়াৰ ফাঁদত পৰে। বৰ্তমান ঘটনাৰ তদন্ত চলি আছে।



আপোচবিহীন জ্যেষ্ঠ সাংবাদিক হাইদৰ হুছেইনক 'জাতীয় সম্প্ৰীতি বঁটা' কৃষক মুক্তি সংগ্ৰাম সমিতিৰ, ফটোঃ সংগৃহীত

### বিজেপি নেতা বীৰেশ্বৰৰ কাণ্ডত শুৱালকুছিত চাঞ্চল্য

# মহিলাক প্ৰাণে মৰাৰ ভাবুকি বিজেপি নেতাৰ

**ই-সংবাদ, ২২ মাৰ্চঃ** বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিধানসভাৰ ভিতৰত অভব্য-অশ্ৰাব্য মাত মাতি বিৰোধিৰ বিধায়কক প্ৰহাৰ কৰিবলৈ চোঁচা লোৱাৰ ঘটনাৰ চাঞ্চল্য অব্যাহত থকাৰ সময়তে এইবাৰ শুৱালকুছিত বিজেপি নেতাই স্বামীহাৰা মহিলাক শাৰীৰিক নিৰ্যাতনৰ লগতে প্ৰাণে মৰা ভাবুকি প্ৰদানৰ অভিযোগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই সন্দৰ্ভত শুৱালকুছি আৰক্ষী থানাত শেষাংশ ৮ পৃষ্ঠাত

# মাজুলীৰ বিবেকানন্দ বিদ্যালয়ৰ পৰাও ফাদিল গণিতৰ প্ৰশ্নকাকত

### বিদ্যালয় পৰিদৰ্শকক আইনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ

**ই-সংবাদ, মধ্য মাজুলী, ২২ মাৰ্চঃ** উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ গণিতৰ পৰীক্ষা ফাদিল হোৱাক লৈ এতিয়া বিপদত পৰিছে অসমৰ বহুকেইখন ব্যক্তিগত শিক্ষানুষ্ঠান। আজি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৰাজ্যৰ ১০ খন জিলাৰ ১৫ খন শিক্ষানুষ্ঠানক উক্ত প্ৰশ্ন কাকত ফাদিল সন্দৰ্ভত জগৰীয়া কৰি Memo no- ASSEB/DIV-I/MISC/PER-WIT/01/1998 নিৰ্দেশনা যোগে বিদ্যালয়সমূহৰ সংশ্লিষ্ট সকলো পৰিদৰ্শকক আইনী ব্যৱস্থা গ্ৰহণ কৰিবলৈ ব'ৰ্ডে পৰামৰ্শ দিছে। সেই শেষাংশ ৮ পৃষ্ঠাত

## প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত নগাঁৱৰ ৩ শিক্ষানুষ্ঠানৰ মুৰব্বীৰ বিৰুদ্ধে গোচৰ

**ই-সংবাদ, বেৰেজীয়া, ২২ মাৰ্চঃ** উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষাৰ যোৱা ২১ মাৰ্চৰ গণিত বিষয়ৰ প্ৰশ্ন কাকত ফাদিল সন্দৰ্ভত আজি নগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে নগাঁও সদৰ আৰক্ষী থানাত এজাহাৰ শেষাংশ ৮ পৃষ্ঠাত

## ছাচ ইণ্টাৰনেশ্যনেল স্কুলৰ পৰা গণিতৰ প্ৰশ্নকাকত ফাদিলৰ অভিযোগ

**ই-সংবাদ, মোৰাঝাৰ ২২ মাৰ্চঃ** হোজাইৰ ছাচ ইণ্টাৰনেশ্যনেল স্কুলৰ পৰা একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ উঠিছে। ইয়াকে লৈ শৈক্ষিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাদশ শ্ৰেণীৰ গণিতৰ প্ৰশ্নকাকত ফাতিলক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ মাজতে হোজাই জিলাৰ বিদ্যালয়ৰ কৰ্মকাণ্ডক লৈ সৃষ্টি শেষাংশ ৭ পৃষ্ঠাত

## ৰৌতাত তামোল চুৰিৰ অভিযোগত গণপ্ৰহাৰ, যুৱকৰ অকাল মৃত্যু

**ই-সংবাদ, ওদালগুৰি, ২২ মাৰ্চঃ** ওদালগুৰি জিলাৰ ৰৌতা আৰক্ষী থানাৰ অন্তৰ্গত কঠালবাৰী গাঁৱত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। তামোল চুৰিৰ সন্দেহত এজন যুৱকক নিৰ্মমভাৱে প্ৰহাৰ কৰাত যুৱকজনৰ মৃত্যু হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ঘটনা অনুসৰি লালমোহন ৰায় (২৪) নামৰ এগৰাকী লোকক যোৱা ১৩ মাৰ্চত কঠালবাৰী গাঁৱত নিশা শেষাংশ ৭ পৃষ্ঠাত

## শিৱসাগৰত মৰেল পুলিচিঙৰ ঘটনা, ২ কিশোৰক অত্যচাৰ

**ই-সংবাদ, শিৱসাগৰ, ২২ মাৰ্চঃ** শিৱসাগৰত চহৰত আজি বিয়লি এক ম'ৰলে পুলিচিঙৰ ঘটনা সঘটিত হয় । শিৱসাগৰ বি জি ৰোডবস্থিত পলিটেকনিক স্কুলৰ সন্মুখত একাংশ উদণ্ড লোকে দুই কিশোৰক সামান্য কথাতে ধৰি বান্ধি পাশৱিক অত্যাচাৰ চলোৱা গুৰুতৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে অকণি পাটৰ শেষাংশ ১৬ পৃষ্ঠাত

## পদত্যাগক লৈ বিতৰ্কৰ মাজতে প্ৰতিক্ৰিয়া প্ৰকাশ 'নেহু'ৰ উপাচাৰ্যৰ

**ই-সংবাদ, শিলং, ২৩ মাৰ্চঃ** মেঘালয়ৰ নৰ্থ ইষ্টাৰ্ণ হিল ইউনিভাৰ্চিটিৰ উপাচাৰ্য অধ্যাপক প্ৰভা শংকৰ শুক্লাৰ পদত্যাগক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজতে বিশ্ববিদ্যালয়খনত শেহতীয়াকৈ সৃষ্টি হোৱা অশান্তি আৰু তাৰ ফলত বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াত পলম হোৱা সন্দৰ্ভত মুকলিকৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে উপাচাৰ্যগৰাকীয়ে। কেৰিয়াৰ এডভান্সমেণ্ট আঁচনিৰ অধীনত অধ্যাপকক পদোন্নতি দিয়াকে ধৰি শেষাংশ ৮ পৃষ্ঠাত

# জিঅ'বেগৰ হেঁচাত নিহত শ্ৰমিক, সুৰক্ষাৰে হেতালি ঠিকাদাৰৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ মাৰ্চঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ নগাঘুলিত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধৰ বাবে জিঅ'বেগৰ কাম কৰি থকা অৱস্থাত এজন শ্ৰমিকে প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গৰাখহনীয়াত জিঅ'বেগ বহুৱাই থকাৰ সময়তে এজন শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ লগতে দুজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈছে। নিহত শ্ৰমিকজন ৰহমৰীয়াৰ বুঢ়াপাৰৰ বুবু বৰুৱা।



লাহোৱালৰ নগাঘুলিৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত এই ভয়ংকৰ অঘটন সংঘটিত হয়। জানিব পৰা মতে, শ্ৰমিকে খহনীয়া গ্ৰস্ত দ' ঠাইত পলসভৰ্তি জিঅ'বেগ বহুৱাই আছিল। খহনীয়াৰ দ' অংশত প্ৰকাণ্ড জিঅ' শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰৌতাত তামোল চুৰিৰ অভিযোগত

প্ৰায় ১১ মান বজাত তামোল চোৰৰ সন্দেহত স্থানীয় কঠালবাৰী গাঁৱৰ ৩ জন লোকৰ বিৰুদ্ধে ভয়ংকৰ ভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে। অতি নিৰ্মমভাৱে হাত-ভৰি বান্ধি শাৰীৰিক প্ৰহাৰ কৰে লালমোহন ৰায় নামৰ লোকজনক। ঘটনাৰ পাছতেই ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ অভিযুক্ত লালমোহন ৰায়ক ৰৌতা আৰক্ষী থানালৈ লৈ যায়। পৰৱৰ্তী সময়ত আৰক্ষীয়ে ৰৌতা আদৰ্শ চিকিৎসালয়ত অভিযুক্ত গৰাকীক স্বাস্থ্য পৰীক্ষা কৰে। চুৰিৰ অভিযোগত অভিযুক্ত ৰায়ৰ স্বাস্থ্য অধিক অৱনতি ঘটাত তেওঁক প্ৰেৰণ কৰে তেজপুৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়লৈ। কিন্তু দুৰ্ভাগ্যজনকভাৱে যোৱা ২০ মাৰ্চত জিএমচিএইছত মৃত্যুক আঁকোৱালি লয় লালমোহন ৰায় নামৰ লোকজনে৷ এই সমগ্ৰ ঘটনাৰ পাছতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সদৌ অসম কোচ ৰাজবংশী ছাত্ৰ সন্থাই। সংগঠনটোৰ সভাপতি অতুল বৰ্মণে সংবাদ মাধ্যমক জানিবলৈ দি কয় যে, "সাধাৰণ চুৰিৰ ঘটনাত জৰিত লোক এজনক এনেদৰে নিৰ্মমভাৱে প্ৰহাৰ কৰা ঘটনাক আমি মানি লব নোৱাৰো। যদি সচাকৈয়ে তামোল চুৰি কৰিছিল তেন্তে অভিভাৱকক মাতি আৰক্ষীৰ হাতত গটাই দিব লাগিছিল। কিন্তু নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ ফলতেই আজি তেখেতৰ মৃত্যু ঘটে। মৃত্যুৰ পূৰ্বে পৰিয়ালৰ লোকক ৰায়ে তিনিগৰাকী লোকে তেওঁক নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ কথা উল্লেখ কৰে। গিৰিজা নেৱাৰ, খেম নেৱাৰ ওৰফে বিটু নেৱাৰ আৰু সুৰজ মগৰে নিৰ্মমভাৱে প্ৰহাৰ কৰা বুলি জনাইছিল পৰিয়ালক। গতিকে আটাইকেইগৰাকীকে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি প্ৰদান কৰিব লাগে। অন্যথা তীব্ৰ গণতান্ত্ৰিক আন্দোলন গ্ৰহণ কৰা হব। ইতিমধ্যে নিশা আৰক্ষীয়ে দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰা বুলি জানিবলৈ পাইছো। ইয়াৰে তৃতীয়জন অভিযুক্তকো গ্ৰেপ্তাৰ আৰিব লাগে। আমাৰ সন্দেহ হয় এই তিনিজনৰ সৈতে আৰু অধিক লোক ঘটনাত জৰিত হৈ আছে। ঘটনাত জৰিত লোকসকলক গ্ৰেপ্তাৰ নকৰা পৰ্যন্ত আমি মৃতদেহ চমজাই নোলোৱাৰ দাবী কৰিছিলো যদিও আৰক্ষীয়ে আগন্তুক দুদিনৰ ভিতৰত আন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাত আমাৰ সমাজে মৃতদেহটো গ্ৰহণ কৰিছো। আৰক্ষীয়ে প্ৰতিশ্ৰুতি পূৰণ নকৰিলে আমি নিজৰ স্থিতিত থাকি আন্দোলন চলাই নিম।" ইফালে ঘটনা সন্দৰ্ভত ৰৌতা আৰক্ষী থানাত পৰিয়ালৰ লোকে দাখিল কৰা এজাহাৰৰ ভিত্তিত এক গোচৰ ৰুজু কৰা হয়। উক্ত গোচৰৰ ভিত্তিতেই যোৱা নিশা ওদালগুৰিৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) নেতৃত্বত আৰক্ষীৰ এটা দলে ২ জন মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰে। অভিযুক্ত দুজন ক্ৰমে গিৰিজা নেৱাৰ আৰু সুৰজ মগৰ বুলি আৰক্ষীয়ে জানিবলৈ দিছে। আন এজন অভিযুক্তক আৰক্ষীয়ে বৰ্তমানলৈ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই যদিও নিশা দুয়োগৰাকী অভিযুক্তকে ওদালগুৰি থানালৈ আনি আৰক্ষীয়ে সোধা-পোচা অব্যাহত ৰাখিছে। লগতে আনজন অভিযুক্তকো শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিছে। সমান্তৰালভাৱে আৰক্ষীৰ পৰা লাভ কৰা প্ৰতিশ্ৰুতিৰ অন্তত ভুক্তভোগীৰ পৰিয়াল তথা সমাজে লালমোহন ৰায়ৰ মৃতদেহৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে। উল্লেখ্য যে ভুক্তভোগী লালমোহন ৰায়ে তেখেতৰ মাতৃৰ সৈতে কঠালবাৰীতেই বাস কৰিছিল বুলি জানিব পৰা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জিঅ'বেগৰ হেঁচাত নিহত শ্ৰমিক

বেগ বহুৱাই থকাৰ সময়তে তিনি শ্ৰমিকৰ ওপৰতে জিঅ'বেগ খহি পৰে। ফলত গধুৰ জিঅ'বেগৰ তলৰ পৰা তিনি শ্ৰমিকক উদ্ধাৰ কৰা হয় যদিও শ্ৰমিক বুবু বৰুৱাৰ কৰুণ মৃত্যু হয়। আন দুই জীৱিত শ্ৰমিকক ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাত চিকিৎসা চলি আছে। বালি আৰু পলসৰ ওপৰত ৰখা পলসভৰ্তী জিঅ'বেগ খহি শ্ৰমিকৰ ওপৰত পৰিছিল। শ্ৰমিক বুবু বৰুৱাৰ কৰুণ মৃত্যুৰ পিছতে ঠিকাদাৰী প্ৰতিষ্ঠানৰ চৰম অৱহেলাৰ কথা পোহৰলৈ আহিছে। ব্ৰহ্মপুত্ৰৰ বুকুত নামি কাম কৰি থকা শ্ৰমিকক লাইফ জেকেট পৰ্যন্ত যোগান ধৰা নাছিল ঠিকাদাৰে। শ্ৰমিকৰ সুৰক্ষাৰ বাবে কোনো ব্যৱস্থাই কৰা নাছিল ঠিকাদাৰী প্ৰতিষ্ঠানে। লাহোৱালৰ নগাঘুলিৰৰ ব্ৰহ্মপুত্ৰৰ চাপৰি মাইজানত গুৱাহাটীৰ মহাবালা নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানে জিঅ'বেগ স্থাপনৰ ঠিকা লাভ কৰাত কাম কৰি গৈছে।ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম অব্যাহত ৰখা ঠিকাদাৰী প্ৰতিষ্ঠান মহাবালাৰ অধীনত কৰ্মৰত শ্ৰমিকৰ বাবে কোনো ধৰণৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা নাছিল। মহাবালা নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে শ্ৰমিক কামত নিয়োগ কৰি জীৱন মৃত্যুৰ সৈতে খেলা কৰিবলৈ এৰি দিছিল। ব্ৰহ্মপুত্ৰৰ বুকুত কাম কৰা শ্ৰমিকসকলক লাইফ জেকেট যোগান ধৰা নাছিল। যাৰ ফলত পলসভৰ্তি জিঅ'বেগৰ হেঁচাত কৰুণ মৃত্যুক সাৱটি লয় শ্ৰমিক বুবু বৰুৱাই। ঠিকাদাৰৰ এনে কাণ্ডত জাঙুৰ খাই উঠিছে স্থানীয় সংগঠন তথা ৰাইজ। নিহত শ্ৰমিক বুবু বৰুৱাৰ পৰিয়ালক ২৫ লাখ টকা ক্ষতিপূৰণ আদায় দিয়াৰ দাবী উত্থাপন কৰিছে মটক যুৱ ছাত্ৰ সন্মিলনে। আহত আন দুজন শ্ৰমিককো প্ৰতিজনক ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ দাবী জনাইছে মটক যুৱ-ছাত্ৰ সন্মিলনে। অন্যথা ঠিকাদাৰী প্ৰতিষ্ঠান মহাবালাৰ কাম বন্ধ কৰি দিয়াৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। মুখ্যমন্ত্ৰী ডিব্ৰুগড় জিলাৰ থকাৰ সময়তে এই ঘটনা সংঘটিত হয়। জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই এদিন পূৰ্বে ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থানত খহনীয়া প্ৰতিৰোধৰ কাম পৰিদৰ্শন কৰিছিল। আজি লাহোৱালৰ নগাঘুলিত জিঅ'বেগৰ কাম চলি থকাৰ সময়তে ভয়ংকৰ অঘটন সংঘটিত হয়। শ্ৰমিকজন বুবু বৰুৱামৃত্যুত শোকৰ ছাঁ পৰিছে। ঘটনাই অঞ্চলটোত চাঞ্চল্য সৃষ্টি কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ছাচ ইণ্টাৰনেশ্যনেল স্কুলৰ পৰা গণিতৰ

হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। নগাঁও জিলাৰ হোজাইৰ বৰহাৰৰ ছাচ ইণ্টাৰনেশ্যনেল মডেল স্কুলৰ পৰাও গণিতৰ প্ৰশ্ন কাকত ফাতিল হোৱাৰ অভিযোগ উঠিছে। বিদ্যালয়খনৰ চেয়াৰমেন ড০ হবিবুৰ ৰহমান আৰু অধ্যক্ষৰ দায়িত্বজ্ঞানহীন কাণ্ডৰ বাবে এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। একাদশ শ্ৰেণীৰ ফাইনেল পৰীক্ষাক লৈ ল'ৰা-ধেমালি কৰা ঘটনাই সচেতন মহলে তীব্ৰ গৰিহণা দিছে। এই ঘটনাৰ পিছতে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা সংসদে এক নিৰ্দেশ যোগে তদন্ত কৰাৰ লগতে গোচৰ ৰুজু কৰিবলৈ নগাঁও বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল নাথক নিৰ্দেশ দিয়ে। পৰিদৰ্শক গৰাকীয়ে ছাচ ইণ্টাৰনেশ্যনেল স্কুলকে ধৰি তিনিখন বিদ্যালয়ৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এইসমূহ বিদ্যালয়ে শিক্ষা বিভাগৰ নীতি নিয়ম ভৰিৰে মোহাৰি শিক্ষাৰ নামত ৰমৰমীয়া ব্যৱসায় চলোৱাৰ অভিযোগ উঠিছে। ইপিনে বিদ্যালয়খনৰ চেয়াৰমেন হবিবুৰ ৰহমানে সংবাদ মাধ্যমৰ আগত কয় যে ছাচ স্কুলৰ নীলবাগান আৰু বৰহাৰৰ দুটাকৈ কেম্পাছ আছে। দুয়োখনৰ প্ৰশ্নকাকত একেটা পেকেটত অহাৰ বাবে একেলগে আনি দুয়োখন বিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত হয়। পৰীক্ষাৰ সময়সূচীৰ পূৰ্বে প্ৰশ্নকাকত পেকেট খোলাৰ অভিযোগ উঠিছে। যিটো নীতি বহিৰ্ভূত কাম। এনেদৰে শিক্ষা বিভাগৰ চকুত ধূলি দি ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান চলোৱাৰ কথা নিজ মন্তব্যত প্ৰকাশ পায়। এই যাৱতীয় ঘটনাৰ এক উচিত তদন্তৰ দাবী জনাইছে হোজাই আমছুৰ সভাপতি কবিৰ আহমেদ লস্কৰকে ধৰি দল-সংগঠনে। আমছুৰ নেতাগৰাকীয়ে শিক্ষা বিভাগৰ নীতি নিয়ম উলংঘা কৰা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ বিৰুদ্ধেও তদন্ত কৰি ব্যৱস্থা গ্ৰহণৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ আহ্বান জনায়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত নগাঁৱৰ ৩

দাখিল কৰে। আচলতে, অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি নগাঁও সংমণ্ডল বিদ্যালয় সমূহৰ পৰিদৰ্শকে জিলা খনৰ তিনিখন শিক্ষানুষ্ঠানৰ মুৰব্বীৰ তথা অধ্যক্ষৰ বিৰুদ্ধে লিখিত অভিযোগ দাখিল কৰে। জানিব পৰা মতে, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ গণিত বিষয়ৰ প্ৰশ্ন কাকত ফাদিল কৰাৰ অভিযোগত নগাঁও চহৰৰ আলফা বিটা কণিষ্ঠ মহাবিদ্যালয়, এছ এ এছ ইন্টাৰনেছনেল মডেল স্কুল আৰু জুৰীয়াৰ বগুৰীগুৰি এডভান্স একাডেমীৰ বিৰুদ্ধে বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে, গণিত বিষয়ৰ প্ৰশ্ন কাকত ফাদিল হোৱাৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে যোৱা ২১ মাৰ্চৰ পৰীক্ষা বাতিল কৰিবলৈ বাধ্য হৈছিল।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মাজুলীৰ বিবেকানন্দ বিদ্যালয়ৰ পৰাও

অনুসৰি মাজুলীৰ চেলেক স্থিত বিবেকানন্দ বিদ্যালয়ৰ পৰাও প্ৰশ্নকাকত ফাদিল হোৱা বুলি বৰ্ডৰ নিৰ্দেশনাত উল্লেখ কৰা হৈছে। বিদ্যালয় খনৰ পৰা ঘূৰাই নিয়া গণিত বিষয়ৰ প্ৰশ্নকাকতৰ পেকেটৰ ছীল ভাঙি পেলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত এই প্ৰতিবেদকে মাজুলীৰ বিদ্যালয় সমূহৰ পৰিদৰ্শক লিপিকা বুঢ়াগোহাঁইৰ পৰা জানিবলৈ বিচৰাত মাজুলীৰ চেলেক স্থিত বিদ্যালয় খনৰ বিৰুদ্ধে শিক্ষা বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰিয়েই ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰাৰ লগতে বিদ্যালয় খনৰ পৰীক্ষাৰ্থী সকলৰ বাকী থকা পৰীক্ষা সমূহ মাজুলী মহাবিদ্যালয়ত দিয়াৰ বাবে মাজুলীৰ শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে। ইফালে শিক্ষা বিভাগৰ নিৰ্দেশনা অনুসৰি মাজুলীৰ উক্ত বিদ্যালয় খনৰ স্বীকৃতি আৰক্ষীৰ তদন্তৰ ফলাফল লাভ নকৰালৈকে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ স্থগিত ৰখা হৈছে। নিলম্বনৰ সময়ছোৱাত প্ৰতিষ্ঠানটোৱে ২০২৫-২৬ চনৰ শৈক্ষিক বৰ্ষত একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি ল'ব নোৱাৰিব। ইফালে অভিযোগ উত্থাপিত হোৱা চেলেক স্থিত বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত পেগুৰ পৰা এই সন্দৰ্ভত জানিবলৈ বিচৰাত পেগুৱে আশ্বৰ্য্যজনক ভাৱে এই বিষয়ত অজ্ঞতা প্ৰকাশ কৰে আৰু তেওঁলোকৰ বিদ্যালয়ৰ পৰা প্ৰশ্ন কাকত ফাদিল বিষয়টো নস্যাৎ কৰি নিৰ্ধাৰিত সময়তে প্ৰশ্ন কাকতৰ টোপোলা শিক্ষা বিভাগক ঘূৰাই দিয়া বুলি উল্লেখ কৰি এয়া দুষ্ট চক্ৰৰ অপপ্ৰচাৰহে বুলি ক'ব খোজে। তেওঁ এই বিষয়ত কোনো আনুষ্ঠানিক নিৰ্দেশনা পত্ৰ পোৱা নাই বুলিও উল্লেখ কৰে। ইফালে মাজুলীৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকে বিদ্যালয় খনৰ পৰা এই সন্দৰ্ভত ইতিমধ্যে সাক্ষ্য গ্ৰহণ কৰা বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে প্ৰশ্ন কাকত ফাদিলৰ অভিযোগ পোৱাৰ পিছতে পৰীক্ষা বাতিল কৰি সকলো বিদ্যালয়ৰ পৰিদৰ্শক আৰু লিড কলেজৰ অধ্যক্ষক সকলো প্ৰতিষ্ঠানৰ পৰা ২০ মাৰ্চতে vide Letter No-ASSEB-II/HS FIRST YEAR/INSTRUCTIONS/25/03 গণিতৰ বিষয়ৰ প্ৰশ্নকাকতৰ সকলো ছীল কৰা পেকেট/কাৰ্টন ঘূৰাই ল'বলৈ পৰামৰ্শ দিছিল। কিন্তু নিৰ্দেশনাটোত উল্লেখ থকা মতে সংশ্লিষ্ট বিদ্যালয় পৰিদৰ্শক আৰু লিড কলেজৰ অধ্যক্ষৰ পৰা তথ্য আৰু নথি লাভ কৰা মতে একাংশ ব্যক্তিগত প্ৰতিষ্ঠানে পৰীক্ষাৰ নিৰ্ধাৰিত তাৰিখ আৰু সময়ৰ পূৰ্বে গণিত বিষয়ৰ প্ৰশ্নকাকতৰ পেকেটৰ ছীল ভাঙি পেলাইছিল আৰু প্ৰতিষ্ঠানসমূহৰ এই কাৰ্য্যই মানক পদ্ধতিৰ স্পষ্ট উলংঘা কৰিছে বুলি উল্লেখ কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মহিলাক প্ৰাণে মৰাৰ ভাবুকি বিজেপি

ইতিমধ্যে দাখিল কৰা এজাহাৰৰ ভিত্তিত বীৰেশ্বৰ দাসৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে যদিও থানাৰ পৰাইস-সন্মানে ঘৰলৈ যাব দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে । জানিব পৰা মতে, শুৱালকুছি আৰক্ষী থানা এলেকাৰ শান্তিটোলৰ এগৰাকী মহিলাই কেইবছৰমান পূৰ্বে স্বামীক হেৰুৱাইছে। দুৰ্ভগীয়া মহিলাগৰাকীয়ে স্বামী অবিহেন সংসাৰ চলাই আহিছে যদিও শুৱালকুছিৰ বিজেপিৰ পালিনেতা বীৰেশ্বৰ দাসে প্ৰায়ে স্বামীহাৰা মহিলাক গৰাকীক নানা ধৰণৰ গালি গালজ তথা ভয় ভাবুকি প্ৰদান অভিযোগ পেচাত ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ কৰ্মচাৰী বীৰেশ্বৰ দাসৰ বিৰুদ্ধে । গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত হোৱাৰ লগতে সমানে বিজেপিৰ নেতা হোৱাৰ সুবাদতে এনে গুণ্ডাগিৰী কৰিও আৰক্ষী থানাত অভিযোগ দিয়াৰ পিছতো থানাৰ পৰা যাবলৈ পাৰিছে বুলি অভিযোগ সচেতন ৰাইজৰ । মহিলা গৰাকীয়ে শুৱালকুছি আৰক্ষী থানাত দিয়া অভিযোগ অনুসৰি ১৩ মাৰ্চৰ নিশা প্ৰায় ১০ বজাত বিজেপি নেতা বীৰেশ্বৰ দাসে ভাতৃ পদ্মেশ্বৰ দাস আৰু জিজ্ঞাসু ডেকাক লগতে লৈ মহিলাগৰাকীৰ চোঁতালত অনাধিকাৰ প্ৰৱেশ কৰে। মহিলা আৰু নাবালিকা কন্যাক অশ্লীল গালি গালাজ কৰাৰ লগতে প্ৰাণে মৰাৰ ভাবুকি দিয়ে।পিছত ১৪ মাৰ্চত শুৱালকুছি আৰক্ষী থানাত এজহাৰ দাখিল কৰে ভুক্তভোগী মহিলা গৰাকীয়ে । শুৱালকুছি আৰক্ষীয়ে ৩৩/২৫ নম্বৰত ন্যায় সংহিতাৰ ৩২৯(৩)/২৯৬/১১৫(২)/৩৫১(২)/৩(৫) ধাৰাত গোচৰ ৰুজু কৰি বীৰেশ্বৰ দাস, ভাতৃ পদ্মেশ্বৰ দাস আৰু জিজ্ঞাসু ডেকাক আটক কৰি থানালৈ আনে। কিন্তু আৰক্ষীয়ে আৰক্ষী থানাত বহুৱাই ৰখাবলৈ সক্ষম নহ'ল বীৰেশ্বৰ, পদ্মেশ্বৰআৰু জিজ্ঞাসুক। তিনিওজনে ইমানে প্ৰভাৱশালী যে তিনিওজনকে থানাত জামিন দি ঘৰলৈ যাব দিয়া বুলি অভিযোগ উঠিছে। বিজেপি নেতাৰ হোৱাৰ সুবাদতে গুৰুতৰ অভিযোগ থকাৰ পিছতো বীৰেশ্বৰ দাস বাহিনী মুকলি আকাশৰ তলত। ৰজাঘৰীয়াৰ আশীৰ্বাদ থকাৰ বাবে এনেদৰে ভয় ভাবুকি দিয়াৰ পিছতো বীৰেশ্বৰ বাহিনী অতপালি চলাই যাব নেকি? এই প্ৰশ্ন উত্থাপন হ'বলৈ আৰম্ভ কৰিছে সচেতন ৰাইজে ।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# পদত্যাগক লৈ বিতৰ্কৰ মাজতে

কেইবাটাও বিষয়ত পলম হোৱাৰ বাবে তেওঁ দুখ প্ৰকাশ কৰে। তেওঁ কয়, ২০২৪ চনত দ্বিতীয়বাৰৰ বাবে চিএএছৰ পদোন্নতি প্ৰক্ৰিয়া আৰম্ভ কৰিছিলো। মোৰ লক্ষ্য আছিল ২০২৫ চনৰ মাৰ্চ মাহৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা, বিশেষকৈ কেৰিয়াৰৰ উচ্চতম পৰ্যায়ত থকা আৰু অৱসৰৰ পথত থকাসকলক অগ্ৰাধিকাৰ দিয়া। অৱশ্যে বিভিন্ন প্ৰশাসনিক জটিলতাৰ বাবে এই প্ৰক্ৰিয়া স্থবিৰ হৈ পৰিছে। এনইএইচইউৰ অধ্যাপকৰ কঠোৰ পৰিশ্ৰম আৰু অৱদানক স্বীকৃতি দিয়াটো তেওঁৰ অন্যতম অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি উপাচাৰ্যগৰাকীয়ে কয় যে অনাগত মাহত চিএএছৰ পদোন্নতি প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মই সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। লগতে তেওঁ কয় যে প্ৰশাসনিক পলমৰ বাবে অনুমোদন প্ৰক্ৰিয়াত পলম হৈছে, যাৰ ফলত শৈক্ষিক কাম-কাজতো প্ৰভাৱ পৰিছে। বিশেষকৈ মেঘালয়ৰ স্থানীয় ছাত্ৰ-ছাত্ৰীসকলে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে, কিয়নো তেওঁলোকে বিশ্ববিদ্যালয়খনৰ মুঠ ছাত্ৰসংখ্যাৰ ৮২ শতাংশতকৈও অধিক। তেওঁ কয় যে এই ছাত্ৰ-ছাত্ৰীসকলে স্থিতিশীলতা আৰু জ্ঞানৰ বাবে আমাৰ ওপৰত আশা কৰে। উপাচাৰ্য অধ্যাপক শুক্লাই বিশ্ববিদ্যালয়খনৰ অধ্যাপক, কৰ্মচাৰী, আৰু প্ৰশাসনৰ মাজত ঐক্য আৰু সহযোগিতাৰ আহ্বান জনায়। তেওঁ কয় যে এনইএইচইউৰ মূল মিছন- শৈক্ষিক উৎকৃষ্টতা, শিক্ষকৰ স্বীকৃতি, আৰু ছাত্ৰৰ সফলতা পুনৰুদ্ধাৰ কৰাটো এতিয়া সকলোৰে প্ৰথম অগ্ৰাধিকাৰ হ'ব লাগে।

উপাচাৰ্যগৰাকীয়ে কয়, "মোৰ দুৱাৰ সদায় সকলোৰে বাবে মুকলি, মই আপোনালোকৰ কথা শুনিবলৈ, সহযোগিতা কৰিবলৈ আৰু বিশ্ববিদ্যালয়খনৰ শৈক্ষিক লক্ষ্যত উপনীত হ'বলৈ একেলগে কাম কৰিবলৈ সাজু। আহক আমি সকলোৱে একেলগে আগবাঢ়ি যাওঁ আৰু এনইএইচইউক এনে এক প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলোঁ যাৰ বাবে আমি গৌৰৱ কৰিব পাৰো।"

## সন্তানক জীৱীকামুখীৰ পৰিৱৰ্তে জীৱনমুখী কৰাৰ আহ্বান বসন্ত কুমাৰ গোস্বামী

# কাকপথাৰ গ্ৰন্থমেলাৰ সফল সামৰণি

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২২ মাৰ্চঃ** কাকপথাৰ প্ৰেছ ক্লাবৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি আঞ্চলিক সাংস্কৃতিক সংঘৰ প্ৰেক্ষাগৃহৰ প্ৰাংগণত যোৱা ১৫ মাৰ্চৰ পৰা ২১ মাৰ্চলৈ অনুষ্ঠিত হোৱা প্ৰথম বাৰ্ষিক কাকপথাৰ গ্ৰন্থমেলাৰ কালি সফল সামৰণি পৰে। সপ্তাহজুৰি অনুষ্ঠিত হোৱা কাকপথাৰ গ্ৰন্থমেলা-২০২৫ৰ কালি সামৰণি অনুষ্ঠানত উপস্থিত থাকে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী। কাকপথাৰ প্ৰেছ ক্লাবৰ উদ্যোগত কাকপথাৰ শাখা সাহিত্য সভা, মইনা পাৰিজাত, কবি সন্মিলন, লেখিকা সমাৰোহ, আবৃত্তি আৰু সাংস্কৃতিক পৰিষদ, কাকপথাৰ সাংস্কৃতিক সংঘ, অসম যোদ্ধা ফাউণ্ডেচন, অভিৰুচি ক্লাব, ৰাৰিয়ৰ্চ আৰু কাকপথাৰবাসী ৰাইজৰ সহযোগত আয়োজন কৰা কাকপথাৰ গ্ৰন্থমেলা-২০২৫ৰ অন্তিম দিনাৰ কাৰ্যসূচীত উপস্থিত হোৱা অসম সাহিত্য সভাৰ নৱনিৰ্বাচিত সভাপতিগৰাকীক বৃহত্তৰ কাকপথাৰ অঞ্চলৰ এক ডজন দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰে। গধূলি প্ৰায় ৫.৩০ বজাত গ্ৰন্থ মেলাৰ বাকৰিত উপস্থিত হোৱা সভাপতি ড° গোস্বামীক কাকপথাৰ গ্ৰন্থমেলা-২০২৫ৰ উদ্যোক্তাসকলৰ উপৰিও কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কাকপথাৰ আঞ্চলিক সমিতি, তিনিচুকীয়া জিলা সমিতি, চুতীয়া ছাত্ৰ সন্থাৰ কাকপথাৰ আঞ্চলিক সমিতি, মৰাণ ছাত্ৰ সন্থাৰ কাকপথাৰ আঞ্চলিক সমিতি, কাকপথাৰ পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়, ডিৰাক-মাইঠং শাখা সাহিত্য সভাই ৰাজহুৱা সম্বৰ্দ্ধনা জ্ঞাপন কৰে। কাকপথাৰ প্ৰেছ ক্লাবৰ সম্পাদক মিন্তু তালুকদাৰে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে ৰঞ্জু কোঁৱৰৰ পৰিকল্পনা আৰু পৰিচালনাৰে অসম আবৃত্তি আৰু সংস্কৃতি পৰিষদৰ কাকপথাৰ শাখাৰ শতাধিক সদস্য তথা শিল্পীয়ে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৰচিত জনপ্ৰিয় কবিতা জ্যোতি শংখ আবৃত্তিৰে অনুষ্ঠানটি আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানত ড° ভূপেন হাজৰিকা পৰিৱেশ্য কলা আৰু অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সাহিত্য বিভাগৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° মৃণাল কুমাৰ বৰুৱা, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত উপস্থিত থাকে। নিজৰ ভাষণত সভাপতি ড° গোস্বামীয়ে অসম সাহিত্য সভা এতিয়া সম্পূৰ্ণ বিতৰ্কমুক্ত, অসম সাহিত্য সভাত আৰু কোনোদিন বিতৰ্কৰ সৃষ্টি নহয় বুলি তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়ায়। সভাপতিগৰাকীয়ে লগতে অতীতক পাহৰি গৈ, নতুনৰ বাটেদি অসম সাহিত্য সভাই আগবাঢ়ি যাব বুলি কৈ এইক্ষেত্ৰত ৰাইজৰ গঠনমূলক দিহা-পৰামৰ্শ বিচৰাৰ লগতে অসমৰ ভাষা, সাহিত্য-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত সকলোকে আগবাঢ়ি আহিবলৈ আহবান জনায়। সভাপতি ড° গোস্বামীয়ে সন্তানক জীৱীকামুখীৰ পৰিৱৰ্তে জীৱনমুখী কৰি তুলিবলৈ অভিভাৱকসকলক আহবান জনায়। সভাপতিগৰাকীয়ে লগতে কাকপথাৰ শাখা সাহিত্য সভাক ১০০ গৰাকীতকৈ অধিক অজীৱন সভ্য ভৰ্তি কৰিবলৈ অনুৰোধ জনায়। অনুষ্ঠানত ড° মৃণাল কুমাৰ বৰুৱাই কয় যে এটা জাতিৰ প্ৰকৃত মান দুটা বস্তুৰে নিৰ্ণয় কৰে। এটা হ'ল- সেই জাতিটোৰ বৌদ্ধিক চিন্তা বা চেতনা আৰু আনটো হ'ল সেই জাতিটোৰ সাংস্কৃতিক চৈতন্যবোধ। যিটো জাতিৰ বৌদ্ধিক চেতনা ক্ষয় হয়, যিটো জাতিৰ সাংস্কৃতিক চৰিত্ৰ নষ্ট হৈ যায়, বেলেগ আৰু কোনো শক্তিয়ে সেই জাতিটোক সেই অৱস্থাৰ পৰা উদ্ধাৰ কৰিব নোৱাৰে। জাতি এটাক যথাৰ্থ ৰূপত আগবঢ়াই নিবলৈ হ'লে সেই জাতিক বৌদ্ধিক আৰু সাংস্কৃতিকভাৱে আগুৱাই নিবলৈ যত্ন কৰিব লাগিব। গ্ৰন্থমেলাৰ দৰে অনুষ্ঠানৰ, কিতাপৰ লগত সম্পৰ্ক থকা অনুষ্ঠানৰ, কিতাপক কেন্দ্ৰ কৰি পৃথিৱীত আয়োজন কৰা অনুষ্ঠানৰ সমাদৰ আগতেও আছিল, এতিয়াও আছে আৰু ভৱিষ্যতলৈও থাকিব। তেখেতে নতুনপ্ৰজন্মক কিতাপৰ কাষত অৱস্থান কৰিবলৈও আহ্বান জনায়। সন্ধিয়া ৭ বজাৰপৰা কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভা আৰু বঁটা প্ৰদান অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সুৰজিত মৰাণ, টাই আহোম ছাত্ৰ সন্থাৰ সভাপতি মিলন বুঢ়াগোহাঁই, সদৌ মৰাণ ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক পদ্মজিৎ মৰাণ উপস্থিত থাকে। সভাৰ আঁতধৰে কাকপথাৰ প্ৰেছ ক্লাবৰ সম্পাদক মিন্তু তালুকদাৰে। গ্ৰন্থমেলা উপলক্ষে প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ কাকচাং উন্মোচন কৰে সুৰজিত মৰাণে। উক্ত অনুষ্ঠানতে যুৱ তথা জনপ্ৰিয় সাংবাদিক সুৰজিত শইকীয়াক কাকপথাৰ প্ৰেছ ক্লাবৰ প্ৰয়াত সভাপতি, নিৰ্ভীক সাংবাদিক পৰাগ ভূঞা সোৱঁৰণী যুৱ সাংবাদিকতা বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে নিৰ্ভীক সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ পিছৰে পৰা কাকপথাৰ প্ৰেছ ক্লাবে প্ৰতি দুবছৰৰ মূৰে মূৰে এই বঁটাটো প্ৰদান কৰি আহিছে।

# অসম বিজ্ঞান সমিতিৰ উদ্যোগত নাওকাটা মিলন ছোৱালী হাইস্কুলত জৈৱিক সাৰ উৎপাদন কৰ্মশালা

**ই-সংবাদ, গোৰেশ্বৰ, ২২ মাৰ্চঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ সৌজন্যত আৰু অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ উদ্যোগত কালিৰেপৰা দুদিনীয়াকৈ গোৰেশ্বৰৰ নাওকাটা মিলন ছোৱালী হাইস্কুলত অনুষ্ঠিত জৈৱিক সাৰ উৎপাদন, কঠিন আৱৰ্জনা পৃথকীকৰণ আৰু পানী সংৰক্ষণ বিষয়ক কৰ্মশালাৰ আজি সামৰণি পৰে। তদুপলক্ষে আবেলি ৩ বজাত উক্ত হাইস্কুলৰ প্ৰেক্ষাগৃহত অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সভাপতি নিৰ্মল দেৱনাথৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সম্পাদক মকুণ্ড কাকতিয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সুভাষ ৰঞ্জন দাসে অসম বিজ্ঞান সমিতিয়ে গ্ৰহণ কৰি অহা পদক্ষেপ সম্পৰ্কত চমু আলোকপাত কৰে। আমন্ত্ৰিত অতিথিৰ ভাষণত উত্তৰ বেতনা সমাজ সংস্কাৰ বাহিনী, মহৰিপাৰাৰ তত্বাৱধায়ক মুনীন্দ্ৰ বৰুৱাই ৰাসায়নিক কীটনাশক দ্ৰব্যৰ অপকাৰিতাৰ বিষয়ে কোৱাৰ লগতে জৈৱিক কীটনাশক দ্ৰব্য কেনেকৈ প্ৰস্তুত কৰিব লাগে সেই বিষয়ে কয়। মুখ্য অতিথি হিচাপে উপস্থিত থাকি মাগুৰমাৰী কলবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক তপেশ্বৰ কলিতাই উক্ত বিষয়ৰ কৰ্মশালাই যথেষ্ট লাভান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত সাংবাদিক তথা বিজ্ঞানকৰ্মী লতিফ চৌধুৰীয়ে কৰ্মশালাত অংশগ্ৰহণ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলক নিজৰ নিজৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকৰ লগতে বসবাস কৰা চুবুৰীৰ ৰাইজক পানীৰ অপচয় ৰোধ আৰু সংৰক্ষণ কৰাৰ ক্ষেত্ৰত সজাগ সচেতন কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা ল'বলৈ আহ্বান জনায়। নাওকাটা মিলন ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক তথা বিজ্ঞান কৰ্মী জিতেশ বিশ্বাসে শলাগৰ শৰাই আগবঢ়োৱা সভাত কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থকা কাউলী হাইস্কুলৰ শিক্ষক গৌতম কুমাৰ আৰু ভোলাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ঘনশ্যাম লিউটেলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে কালি পুৱা তামুলপুৰ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ অসীম ডেকাই উক্ত কৰ্মশালা উদ্বোধন কৰিছিল।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## ন্যূনতম নিৰাপত্তা ব্যৱস্থা কৰা নাছিল ঠিকাদাৰেঃ ২৫ লাখ টকা ক্ষতিপূৰণ দাবী

# লাহোৱালত জিঅ' বেগৰ হেঁচাত শ্ৰমিক নিহত

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ মাৰ্চঃ** ডিব্ৰুগড় জিলাৰ লাহোৱালৰ নগাঘুলিত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া ৰোধৰ বাবে জিঅ' বেগৰ কাম কৰি থকা অৱস্থাত এজন শ্ৰমিকে প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। গৰাখহনীয়াত জিঅ' বেগ বহুৱাই থকাৰ সময়তে এজন শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ লগতে দুজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈছে। নিহত শ্ৰমিকজন ৰহমবীয়াৰ বুঢ়াপাৰৰ বুবু বৰুৱা। লাহোৱালৰ নগাঘুলিৰৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত এই ভয়ংকৰ অঘটন সংঘটিত হয়। জানিব পৰা মতে, শ্ৰমিকে খহনীয়াগ্ৰস্ত দ' ঠাইত পলসভৰ্তি জিঅ' বেগ স্থাপন কৰি আছিল। খহনীয়াৰ দ' অংশত প্ৰকাণ্ড জিঅ' বেগ বহুৱাই থকাৰ সময়তে তিনিওজন শ্ৰমিকৰ ওপৰত জিঅ' বেগ খহি পৰে। গধুৰ জিঅ' বেগৰ তলৰপৰা তিনি শ্ৰমিকক উদ্ধাৰ কৰা হয় যদিওবুবু বৰুৱাৰ কৰুণ মৃত্যু হয়। আন দুই শ্ৰমিকক ততাতৈয়াকৈ অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰাত চিকিৎসা চলি আছে। বালি আৰু পলসৰ ওপৰত ৰখা পলসভৰ্তি জিঅ' বেগ খহি শ্ৰমিকৰ ওপৰত



পৰিছিল। শ্ৰমিক বুবু বৰুৱাৰ কৰুণ মৃত্যুৰ পিছতে ঠিকাদাৰী প্ৰতিষ্ঠানৰ চৰম অৱহেলাৰ কথা পোহৰলৈ আহিছে। ব্ৰহ্মপুত্ৰৰ বুকুত নামি কাম কৰি থকা শ্ৰমিকক লাইফ জেকেট এটাও যোগান ধৰা নাছিল ঠিকাদাৰে। শ্ৰমিকৰ সুৰক্ষাৰ বাবে কোনো ব্যৱস্থাই কৰা নাছিল ঠিকাদাৰী প্ৰতিষ্ঠানে। লাহোৱালৰ নগাঘুলিৰ ব্ৰহ্মপুত্ৰৰ চাপৰি মাইজানত গুৱাহাটীৰ মহাবালা নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানে জিঅ' বেগ স্থাপনৰ ঠিকা লাভ কৰাত কাম অব্যাহত ৰাখিছে। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ কাম অব্যাহত ৰখা ঠিকাদাৰী প্ৰতিষ্ঠান মহাবালাৰ অধীনত কৰ্মৰত শ্ৰমিকৰ বাবে কোনোধৰণৰ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা নাছিল। মহাবালা নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৱে শ্ৰমিকক কামত নিয়োগ কৰি জীৱন মৃত্যুৰ সৈতে খেলা কৰিবলৈ এৰি দিছিল। ব্ৰহ্মপুত্ৰৰ বুকুত কাম কৰা শ্ৰমিকসকলক লাইফ জেকেট যোগান ধৰা নাছিল। যাৰফলত পলসভৰ্তি জিঅ' বেগৰ হেঁচাত কৰুণ মৃত্যুক সাৱটি লয় শ্ৰমিক বুবু বৰুৱাই। ঠিকাদাৰৰ এনে কাণ্ডত জাঙুৰ খাই উঠিছে স্থানীয় সংগঠন তথা ৰাইজ। নিহত শ্ৰমিক বুবু বৰুৱাৰ পৰিয়ালক ২৫ লাখ টকা ক্ষতিপূৰণ আদায় দিয়াৰ দাবী উত্থাপন কৰিছে মটক যুৱ ছাত্ৰ সন্মিলনে। আহত আন দুজন শ্ৰমিককো প্ৰতিজনক ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিয়াৰ দাবী জনাইছে মটক যুৱ-ছাত্ৰ সন্মিলনে। অন্যথা ঠিকাদাৰী প্ৰতিষ্ঠান মহাবালাৰ কাম বন্ধ কৰি দিয়াৰ হুংকাৰ প্ৰদান কৰিছে সংগঠনটোৱে। মুখ্যমন্ত্ৰী ডিব্ৰুগড় জিলাৰ থকাৰ সময়তে এই ঘটনা সংঘটিত হয়। জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই এদিন পূৰ্বে ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থানত খহনীয়া প্ৰতিৰোধৰ কাম পৰিদৰ্শন কৰিছিল। শ্ৰমিকজন বুবু বৰুৱা মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# চামগুৰিৰ ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ বিদ্যালয়ত বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ২২ মাৰ্চঃ** অসম চৰকাৰৰ সমগ্ৰ শিক্ষা অভিযানৰ অধীনত নগাঁও জিলাৰ চামগুৰিস্থিত ৰূপহী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ মাজত ২০২৫-২৬ বৰ্ষৰ বিনামূলীয়া পাঠ্যপুথি বিতৰণ কাৰ্যসূচী আজি শুভাৰম্ভ কৰা হয়। বিনামূলীয়া পাঠ্যপুথি বিতৰণ অনুষ্ঠানটো ৰূপহী শিক্ষাখণ্ডৰ কণুৱামাৰী মণ্ডল সমল কেন্দ্ৰৰ অধীনৰ সোনাৰীবালি মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয়। ৰূপহী প্ৰাথমিক শিক্ষাখণ্ডৰ শিক্ষা বিষয়া ৰঞ্জন কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিনামূলীয়া পাঠ্যপুথি বিতৰণৰ মুকলি সভাখনৰ আঁতধৰে বিশিষ্ট কবি-সাহিত্যিক তথা সমল ব্যক্তি বসন্ত কৌশিক ভাগৱতীয়ে। বিশিষ্ট অতিথি হিচাপে নগাঁও জিলা শিক্ষা আৰু প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰবক্তা মনচুমী বৰা, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ দুৰ্লভ কুমাৰ মহন্ত, নগাঁও অধিবিদ্যা পৰিষদৰ সচিব ৰঞ্জিত কুমাৰ শইকীয়া, ৰূপহী মধ্য ইংৰাজী শিক্ষক সন্থাৰ উপ-সভাপতি প্ৰদীপ বৰা, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰাজীৱ কুমাৰ দাস, সোণাৰীবালি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰফিকুল ইছলাম, ৰূপহী শিক্ষাখণ্ডৰ সমল ব্যক্তি দুৰ্লভ পৱন বৰুৱা, অতিৰিক্ত সমল ব্যক্তি ৰূপামণি কাকতী, দীপা বৰা, ভাগ্যশ্ৰী বৰা, প্ৰাক্তন শিক্ষক জামালউদ্দিন আহমেদকে ধৰি



বহুকেইজন গণ্যমান্য লোক উপস্থিত থাকি ভাষণ প্ৰদান কৰে। ৰূপহী শিক্ষা খণ্ডৰ ২৭ টা মণ্ডল কেন্দ্ৰৰ ভিতৰত ভেলেউগুৰি, চামগুৰি আৰু ৰঙাগড়া মণ্ডল কেন্দ্ৰৰ অধীনৰ বিদ্যালয়সমূহক বিনামূলীয়া পাঠ্যপুথি বিতৰণেৰে পাঠ্যপুথি বিতৰণৰ শুভাৰম্ভণি কৰা হয়। ৰূপহী শিক্ষাখণ্ড কাৰ্যালয়ৰ মুখ্য গাণনিক বিষয়া জাকিৰ হুছেইন আৰু এম আই এছ ইলোৱা শইকীয়াই তদাৰক কৰা উক্ত অনুষ্ঠানত ৰূপহী শিক্ষাখণ্ডৰ অধীনৰ বিশেষভাৱে প্ৰয়োজন সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰাজ্য চৰকাৰে আগবঢ়োৱা বিনামূলীয়া বিভিন্নধৰণৰ সহায়ক সা-সঁজুলিও বিতৰণ কৰা হয়। উক্ত অনুষ্ঠানত ৰূপহী শিক্ষাখণ্ডৰ অধীনস্থ সমূহ মণ্ডল সমন্বয়কৰ লগতে শিক্ষাখণ্ডৰ অধীনৰ বিদ্যালয়সমূহৰ প্ৰধানসকলৰ লগতে সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয় আৰু সোণাৰিবালী প্ৰাথমিক বিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিভিন্ন বিদ্যালয়ৰপৰা অহা সহকাৰী শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। উক্ত অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক কাৰ্য্যসূচীৰ লগতে উদমাৰীৰ শিয়ালবস্তি প্ৰাথমিক বিদ্যালয়ৰ কণ-কণ শিশুসকলে এটি ঝুমুৰ নৃত্য পৰিৱেশনৰে উপস্থিত সকলোকে মোহিত কৰে।

# টুপামাৰীত জ্যেষ্ঠ কংগ্ৰেছী, একাধিক মণ্ডল কংগ্ৰেছ কমিটীৰ বিষয়ববীয়াৰ সংবাদমেল

**ই-সংবাদ, নগৰবেৰা, ২২ মাৰ্চঃ** নৱ নিৰ্বাচিত ছমৰীয়া ব্লক কংগ্ৰেছৰ সভাপতিক লৈ পঞ্চায়তে পঞ্চায়তে সম্প্ৰতি অব্যাহত আছে বিতৰ্ক। নৱ নিৰ্বাচিত ব্লক সভাপতি মোজ্জামেল হকক বাতিলৰ দাবীত আজি টুপামাৰীত ছমৰীয় ব্লকৰ একাংশ জ্যেষ্ঠ কংগ্ৰেছী আৰু একাধিক মণ্ডল কংগ্ৰেছ কমিটীৰ বিষয়ববীয়াই এক সংবাদমেল অনুষ্ঠিত কৰে। সংবাদমেলত নৱ নিৰ্বাচিত সভাপতি মোজ্জামেল হকক অকংগ্ৰেছী বুলি অভিহিত কৰাৰ লগতে কংগ্ৰেছী বিধায়ক ৰেকিবুদ্দিন আহমেদৰ হস্তক্ষেপত মোজাম্মেল হকক সভাপতি হিচাপে বাছনি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদক ছয়গাঁৱতে থাকিবলৈ সকীয়নি দিয়াৰ লগতে ছমৰীয়াৰ কোনো সাংগঠিক কাম-কাজত হস্তক্ষেপ নকৰিবলৈ আহ্বান জনায়। মোজাম্মেল হকক বাতিল কৰি বিধায়িকা নন্দিতা দাসৰ নেতৃত্বত ছমৰীয়া ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি বাছনি কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীক সংবাদমেলযোগে আহ্বান জনায় ছমৰীয় ব্লকৰ একাংশ জ্যেষ্ঠ কংগ্ৰেছীৰ লগতে সাতখনকৈ মণ্ডল কংগ্ৰেছ কমিটীৰ বিষয়ববীয়াসকলে। সংবাদমেলত ছমৰীয়া আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি আমজাদ আলী, ছমৰীয়া ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি কুতুবুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক শ্বেখ মহম্মদ পিয়াৰ আলী, টুপামাৰী মণ্ডল কংগ্ৰেছৰ সভাপতি আব্দুল হামিদ, ভখুৰাদিয়া ৰংগেশ্বৰী মণ্ডল কংগ্ৰেছৰ সভাপতি আতোৱাৰ ৰহমান, ডঃ ৰফিকুল হাছান, জাহান উদ্দিন আহমেদ প্ৰমুখ্যে কংগ্ৰেছৰ বিভিন্ন পৰ্যায়ৰ নেতা-কৰ্মী আৰু বিষয়ববীয়াসকল উপস্থিত থাকে।

# মালৌপথাৰৰ শ'লমৰাত মাল্টি স্পেচিয়েলিটি হেলথ্-মেডিকেল কেম্প

**ই-সংবাদ, পশ্চিম যোৰহাট, ২২ মাৰ্চঃ** কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰাম্যাঞ্চলত অনুষ্ঠিত কৰি থকা মাল্টি স্পেচিয়েলিটি হেলথ্-মেডিকেল কেম্প ২০ মাৰ্চত মালৌপথাৰস্থিত শ'লমৰা খণ্ড প্ৰাথমিক চিকিৎসালয়ত অনুষ্ঠিত হয়। ফিতা কাটি শুভাৰম্ভ কৰে সমাজকৰ্মী প্ৰকাশ চন্দ্ৰ বৰাই। বন্তি প্ৰজ্বলন কৰে ৰমেন শইকীয়াই। বি পি এম প্ৰদীপ ৰঞ্জন হাজৰিকাই আঁত ধৰা শুভাৰম্ভ অনুষ্ঠানত কেম্প অনুষ্ঠিত কৰাৰ কাৰণ, লক্ষ্য-উদ্দেশ্য সম্পৰ্কে বক্তব্যত উল্লেখ কৰে চিকিৎসালয়খনৰ মুখ্য চিকিৎসা-স্বাস্থ্য বিষয়া ডাক্তৰ ৰঞ্জুমণি পাঠকে। যোৰহাট জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাক্তৰ দিলীপ দেৱশৰ্মাই সংক্ৰমক আৰু অসংক্ৰমক ৰোগৰ ব্যাখ্যা কৰি এই কেম্পত অঙ্গনৱাড়ীৰ পৰা ওপৰৰ শ্ৰেণীত অধ্যয়ন কৰি থকাসকলৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰা হ'ব বুলি কয়। বছৰত দুবাৰকৈ দেশ, ৰাজ্যৰ লগতে যোৰহাট জিলাৰ প্ৰতিখন স্বাস্থ্য কেন্দ্ৰতে এই কেম্প অনুষ্ঠিত কৰা হ'ব বুলি বয়সস্থ লোকৰো স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰিব বিভিন্ন স্থানৰ পৰা আহি সমবেত হোৱা চিকিৎসকসকলে। অংগনৱাড়ী কৰ্মী, শিক্ষক-শিক্ষয়িত্ৰীৰ তত্বাৱধানত উপস্থিত হোৱা ৫ হেজাৰৰো অধিক শিশু আৰু কৈশোৰসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰিবৰ বাবে বিভিন্ন অসুখৰ লগতে জন্মগত বাধাগ্ৰস্ততা, পুষ্টিহীনতা, ভিটামিনৰ অভাৱ দূৰীকৰণ, শাৰীৰিক বিকাশ আৰু গঠনৰ বিসংগতিৰ লগতে ই এন টি, চকু, গৰ্ভৱতী, প্ৰসূতি মাতৃ স্বাস্থ্য পৰীক্ষা কৰে ক্ৰমে অভিজ্ঞ চিকিৎসক ডাক্তৰ ৰঞ্জুমণি পাঠক, ডাক্তৰ প্ৰজ্ঞা বৰা, ডাক্তৰ ঋতুপৰ্ণা বৰঠাকুৰ, ডাক্তৰ ধ্ৰুৱজ্যোতি বৰা, ডাক্তৰ প্ৰিয়ংকা দেউৰী, ডাক্তৰ শিখা বৰুৱা, ডাক্তৰ দেৱজ্যোতি ৰাজকুমাৰ, ডাক্তৰ বিকাশ শৰ্মা, ডাক্তৰ নমিতা দেউৰীয়ে। চিকিৎসালয়খনৰ ফাৰ্মাচিষ্ট এ এন এম বিষয়া-কৰ্মচাৰীসকলে কেম্প অনুষ্ঠিত কৰাত সহযোগ কৰে।

## পৰ্বতঝোৰাৰ ডাম্পাৰৰ খুন্দাত থিতাতে নিহত এটি কণমানি

**ই-সংবাদ, পৰ্বতঝোৰা, ২২ মাৰ্চঃ** শুকুৰবাৰে আবেলি আনুমানিক ৩.১৫ মান বজাত কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষী থানাৰ অন্তৰ্গত আঙাৰকাটা দ্বিতীয় খণ্ড ৰাইচ মিলৰ সমীপত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত এটি কণমানি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ পথ দুৰ্ঘটনাত ঘটনাস্থলীতে নিহত হয়। এই ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। উল্লেখ্য যে আঙাৰকাটা দ্বিতীয় খণ্ড শিঙিমাৰী গাঁৱৰ অপিয়াল সেখৰ ১০ বছৰীয়া কণমানি পুত্ৰ ইউছুব আলী সেখে ৰাস্তা পাৰ হ'বলৈ লওঁতেই খোৰাঘাট অঞ্চলৰ পৰা অ'ভাৰলোড বালি সৰবৰাহ কৰা তীব্ৰ বেগী ডাম্পাৰ এখনে ধুবুৰী অভিমুখে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই কণমানি ছাত্ৰজনক খুন্দিয়াই পলায়ন কৰে। দুৰ্ঘটনাৰ খবৰ পাই ঘটনাস্থলীত বগৰীবাৰী আৰক্ষী উপস্থিত হৈ নিহত কণমানি ছাত্ৰজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# ঘগ্ৰাপাৰত বিহুনাচ-বিহুবাদ্য আৰু সৃজনীমূলক নৃত্যৰ কৰ্মশালাৰ সফল সামৰণি

**ই-সংবাদ, নলবাৰী, ২২ মাৰ্চঃ** ৰাজ্যত বাপতি সাহোন ৰঙালী বিহুটিক আদৰাৰ ব্যাপক প্ৰস্তুতি চলিছে। নলবাৰী জিলাৰ ঘগ্ৰাপাৰ নিউ ঝংকাৰ ড্ৰান্স ষ্টুডিঅ'ৰ উদ্যোগত ঘগ্ৰাপাৰৰ বনভাগ বহুমুখী সমবায়ৰ ওচৰত অৱস্থিত ঘগ্ৰাপাৰ দুৰ্গা মন্দিৰ প্ৰাংগণত যোৱা ১৪ মাৰ্চৰ পৰা ২০ মাৰ্চলৈ ৭ দিনীয়াকৈ পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা বিহু নাচ-বিহু বাদ্য আৰু সৃজনীমূলক নৃত্যৰ কৰ্মশালাখনি যোৱা নিশা সফল সামৰণি পৰে। অসমৰ বিভিন্ন প্ৰান্তৰ লগতে গ্ৰাম্য চহৰ ঘগ্ৰাপাৰতো নিউ ঝংকাৰ ড্ৰান্স ষ্টুডিঅ'ৰ উদ্যোগত সাংস্কৃতিক দিশত এক প্ৰসংশনীয় পদক্ষেপ গ্ৰহণ কৰিছে। ৭দিনীয়া কৰ্মশালাত প্ৰায় ১০০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কালি অন্তিম দিনৰ দিনা এই সামৰণি অনুষ্ঠানত প্ৰশিক্ষক জোতিৰূপা শৰ্মা, তৰালী ডেকা, হিমামণি কলিতা, প্ৰাৰ্থ প্ৰতীম দাস, প্ৰান্তিক ভৰদ্বাজ, অন্তৰীপ সাউদক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। নিউ ঝংকাৰ ড্ৰান্স ষ্টুডিঅ'ৰ পৰিচালক নয়ন মেধিয়ে সাংবাদিক দ্বিজেন ডেকা, পূব বনভাগ মৌজাৰ মৌজাদাৰ প্ৰশান্ত দত্ত চৌধুৰী, শিক্ষাবিদ পুলেন মজুমদাৰ আদিয়ে অংশগ্ৰহণ কৰে। নৃত্য শিল্পী মোহন কলিতাই ভাষণ প্ৰসংগত কয় যে এই কৰ্মশালাসমূহৰ লক্ষ্য হৈছে উঠি অহা প্ৰজন্মক কৰ্মশালাৰ জৰিয়তে বিহুনাচ, বিহু বাদ্য শিকোৱা। এই উদ্দেশ্য আগত ৰাখি ৰঙালী বিহুক নতুন প্ৰজন্মৰ মাজত সঠিক আৰু সুন্দৰভাৱে উপস্থাপন কৰাৰ লক্ষ্য আৰু আগত ৰাখি ঘগ্ৰাপাৰতো নিউ ঝংকাৰ ড্ৰান্স ষ্টুডিঅ'ৰ উদ্যোগত এই কৰ্মশালাৰ আয়োজন কৰা হয়। কলিতাই লগতে কয় যে এই কাৰ্যৰ দ্বাৰা একো একোজন শিল্পীয়ে ৰাজ্য তথা দেশলৈ সন্মান কঢ়িয়াই অনাত সুবিধা হোৱাৰ উপৰি দেশ-বিদেশ ভ্ৰমণ কৰাতো সুবিধা হয় বুলি মন্তব্য কৰে।

# ডিপ্তাত সমূহীয়া ইফটাৰত অসম যুৱ কংগ্ৰেছৰ সভাপতি জুৱেইৰ আনম মজুমদাৰ

**ই-সংবাদ, বৰমা, ২২ মাৰ্চঃ** নলবাৰী জিলাৰ নৱ গঠিত টিহু বিধানসভা সমষ্টি অন্তৰ্গত ডিপ্তা সুবাদীৰ ২ নং মছজিদত কালি সন্ধিয়া সমূহীয়া ইফটাৰ উপস্থিত থাকে অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি জুৱেইৰ আনম মজুমদাৰ। দলীয় কাম সামৰি ইফটাৰ পাৰ্টিত সভাপতি জুৱেইৰ আনম মজুমদাৰে অংশগ্ৰহণ কৰি বিজেপি চৰকাৰৰ সন্দৰ্ভত কেতবোৰ গুৰুত্ব পূৰ্ণ মন্তব্য কৰে। তেওঁ বিজেপি চৰকাৰে কেৱল হিংসাৰে নিৰ্বাচন খেলে বুলি কয়। ধেমাজিৰ দুজনকৈ কংগ্ৰেছ নেতাক আক্ৰমন কৰাৰ পিছতো আজিলৈকে চৰকাৰখনে এজনকো গ্ৰেপ্তাৰ নকৰাৰ অভিযোগ তোলে। কংগ্ৰেছ দলে আলফা আৰু এন ডি এফ বিৰ গুলিক ভয় নকৰিলে, পুলিচৰ লাঠীকো ভয় নকৰে কংগ্ৰেছে। ৰিতম্ সিঙক গ্ৰেপ্তাৰ সন্দৰ্ভতো মন্তব্য কৰে সভাপতিগৰাকীয়ে। অসম আৰক্ষীক তেওঁ ৰাজনৈতিক দল খুলিবলৈ আহ্বান জনায়। পঞ্চায়ত নিৰ্বাচনক লৈ দলে কাম কৰিব আৰু পঞ্চায়ত দখল কৰাৰ পৰিকল্পনা হাতত লৈছে বুলি তেওঁ কয়। যুৱ কংগ্ৰেছৰ সভাপতিগৰাকীৰ লগত উপস্থিত থাকে কংগ্ৰেছ দলৰ সামাজিক মাধ্যমৰ অধ্যক্ষ ৰাতুল কলিতা, যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক নীলকমল ভূঞা, নলবাৰী জিলা যুৱ কংগ্ৰেছৰ সভাপতি নেচিম আজুজুল খালিফ, সাধাৰণ সম্পাদক অৰূপ বৰ্মন, টিহু বিধানসভা সমষ্টিৰ সভাপতি ইন্দ্ৰদুল হ'ক, নলবাৰী বিধানসভা সমষ্টিৰ সভাপতি ইফতাৰ হুছেইনকে ধৰি ভালে সংখ্যক দলীয় নেতা-কৰ্মী।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# খাৰুপেটীয়াত দৰিদ্ৰ পৰিয়ালৰ মাজত ইফতাৰৰ খাদ্য সামগ্ৰী বিতৰণ ৰয়েল ক্লাবৰ

**ই-সংবাদ, খাৰুপেটীয়া, ২২ মাৰ্চঃ** দৰং জিলাৰ খাৰুপেটিয়া খাৰুপেটীয়াত উদ্যমী যুৱকৰ প্ৰশংসনীয় পদক্ষেপ। খাৰুপেটীয়াৰ নিমতলীৰ ৰয়েল ক্লাব নামৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠানৰ যুৱকসকলৰ উদ্যোগত অঞ্চলটোৰ দুখীয়া দৰিদ্ৰ পৰিয়ালৰ মাজত পৱিত্ৰ ৰমজান মাহৰ ইফটাৰৰ খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। ক্লাবৰ সভাপতি আশ্বিক ইকবাল ৰাণা আৰু সম্পাদক জিয়াৰুল হকে জানিবলৈ দিয়া মতে, ক্লাবটোৰ উদ্যোগত আজি অঞ্চলটোৰ দুখীয়া দৰিদ্ৰ তথা বিশেষভাৱে সক্ষম ব্যক্তিৰ মাজত মিঠাতেল, খেজুৰ, সুজি, চাউল ,চেনি ইত্যাদি লক্ষাধিক টকা মূল্যৰ খাদ্য সামগ্ৰী বিতৰণ কৰা হয়। লগতে ড্ৰাগছ, মদ, ভাং, বাল্য বিবাহ, নিচাযুক্ত দ্ৰব্য সম্পূৰ্ণভাৱে ৰোধ কৰিবলৈ ক্লাবৰ সদস্যসকলে প্ৰতিশ্ৰুতি বদ্ধ হয়। যুৱকসকলৰ এনে পদক্ষেপক ৰাইজে প্ৰশংসা কৰে।

# লাহিং প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত শিক্ষক সমাৰোহ সম্পন্ন

**ই-সংবাদ, মৰিয়নি, ২২ মাৰ্চঃ** যোৰহাট জিলাৰ হেমলাইত আজি লাহিং প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত তথা পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহযোগত অনুষ্ঠিত হয় শিক্ষক সমাৰোহ। অৱসৰপ্ৰাপ্ত শিক্ষক মঃ গিয়াচউদ্দিন আহমেদে গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হয়। পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ললিত গগৈয়ে পতাকা উত্তোলন কৰাৰ পাছতেই বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ গগৈয়ে। স্মৃতি তৰ্পণ কৰে পূব যোৰহাট প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক দেৱজিত গগৈয়ে। দেৱজিত বৰুৱা আৰু বন্তি চুতীয়া তামুলীৰ সম্পাদনাত বোধিদ্ৰুম নামেৰে এক স্মৃতিগ্ৰন্থ উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক থানেশ্বৰ বৰুৱাই। পৰী ফুকনে আঁত ধৰা অনুষ্ঠানত পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত অৰ্ধ শতাধিক অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক বিশেষ সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতেই শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতিভা প্ৰদৰ্শন আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰ উদ্বোধন কৰে পূব যোৰহাট উচ্চ মাধ্যমিক শিক্ষক সন্থাৰ সম্পাদক ৰাতুল গগৈয়ে। ইয়াৰ পাছতেই ললিত গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক দ্বীপজ্যোতি গগৈ। মুকলি সভাত পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া মৃন্ময় গোস্বামী, পূব যোৰহাট প্ৰাথমিক শিক্ষক সন্মিলনীৰ উপদেষ্টা প্ৰাঞ্জল বৰা, যোৰহাট জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ত্ৰিদীপ বৰুৱা, সম্পাদক অনুপম গগৈ, হেমলাই উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বাবুল দাস, পূব নকছাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিত গগৈ, শ্ৰীশ্ৰী মাধৱদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক বকুল গগৈকে ধৰি যোৰহাট জিলাৰ শতাধিক শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

# প্ৰাক্তন চিইএম টংকেশ্বৰ ৰাভাক গুণ্ডা আখ্যা পূব গোৱালপাৰাৰ বিধায়ক এ কে ৰছিদ আলমৰ

**ই-সংবাদ, বকো, ২২ মাৰ্চঃ** কামৰূপ জিলাৰ বকো ৰাজীৱ ভৱনত শুকুৰবাৰে নিশা উপস্থিত হয় পূব গোৱালপাৰাৰ বিধায়ক এ কে ৰছিদ আলম। বকো ৰাজীৱ ভৱনত বকো পৰিষদীয় সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী থানেশ্বৰ ৰাভাৰ নিৰ্বাচনী প্ৰচাৰৰ খবৰ লোৱাৰ বাবে উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত বহুকেইটা বিষয়ত মন্তব্য আগবঢ়ায় পূব গোৱালপাৰা সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমে। সাংবাদিকে টংকেশ্বৰ ৰাভাৰ উপাধি প্ৰসংগক লৈ চলি থকা বিতৰ্ক সন্দৰ্ভত সোধা প্ৰশ্নোত্তৰত তেওঁ কয় যে, টংকেশ্বৰ ৰাভা প্ৰকৃততে শৰণীয়াই হয় আৰু তেওঁৰ লিগেচি মোৰ ওচৰত আছে। তেওঁ কেতিয়াও ৰাভা নহয়। তেওঁ মোৰ বিৰুদ্ধে লাগি লাভ নাই, এতিয়া মোৰ হিচাপ নহয়, তোমাৰ হিচাপ। ৰাভা হাছঙৰ নিৰ্বাচনত তোমাৰ হিচাপটো তুমি দিয়া। বিধানসভা নিৰ্বাচনত মই মোৰ হিচাপ দিম। টংকেশ্বৰ ৰাভাই কামৰূপৰ পৰা গোৱালপাৰালৈ হাছঙৰ নামত গুণ্ডাৰাজ চলাই আছে। টংকেশ্বৰে প্ৰতিখন গাড়ীৰ পৰা হাছঙৰ পৰা গুণ্ডাটেক্স তুলি আছে। এই টকা ৰাভা হাছঙৰ একাউণ্টত জমা হোৱা নাই। এই গুণ্ডাটেক্স পাই টংকেশ্বৰে চৰকাৰৰ বিৰুদ্ধাচৰণ নকৰে। হাছঙৰ বাহিৰৰ পৰা লক্ষীপুৰৰ পৰা গুণ্ডা আনি গুণ্ডাৰাজ চলাইছে টংকেশ্বৰ ৰাভাই। লক্ষীপুৰৰ গুণ্ডাজনেই হ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অ'এচ'ডি প্ৰকাশ কাশ্যপ। প্ৰকাশ কাশ্যপ নামৰ এইগৰাকী মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ আৰু টংকেশ্বৰ ৰাভাক এই নিৰ্বাচনৰ সময়ত গুণ্ডামি কৰাত ইন্ধন যোগাইছে মন্ত্ৰী অশোক সিংঘলে। টংকেশ্বৰ ৰাভা আৰু প্ৰকাশ কাশ্যপে গুণ্ডামি কৰে আৰু বেপাৰী মন্ত্ৰী অশোক সিংঘলে গোৱালপাৰা প্ৰশাসনক মেনেজ কৰে।উল্লেখ্য যে, এই নিৰ্বাচনত পূব গোৱালপাৰা সমষ্টিৰ দুটা পৰিষদীয় সমষ্টিৰ জয় নিশ্চিত বুলিও দৃঢ়তাৰে মত পোষণ কৰে বিধায়ক এ কে ৰছিদ আলমে।

# গোলকগঞ্জত চোৰাং গৰুসহ চাৰি সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ২২ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত তামাৰহাট মোৰত আৰক্ষীয়ে এখন দুৰ্ঘটনাত পতিত হোৱা বাহনৰ পৰা চাৰিটা চোৰাং গৰুসহ অসম-পশ্চিমবংগৰ চাৰিজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, পশ্চিমবংগৰ পৰা AS-17 C-5111 নম্বৰৰ দ্ৰুত বেগী বলেৰো পিকআপ ভেনখন ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ তামাৰহাট মোৰত দুৰ্ঘটনাত পতিত হয়। গোলকগঞ্জ আৰক্ষী উপস্থিত হৈ বাহনখনৰ পৰা চাৰিটা গৰু উদ্ধাৰ কৰে। গৰুকেইটা পোকালাগী গাঁৱৰ পৰা অনা বুলি আৰক্ষীক জানিবলৈ দিয়ে যদিও উপযুক্ত নথি-পত্ৰ দেখুৱাব নোৱাৰাত আৰক্ষীয়ে বাহনত থকা চাৰিওজন লোককে আটক কৰে। উল্লেখ্য যে লোককেইজনৰ এজন পোকালাগী গাঁৱৰ বিপৰীতে তিনিজনেই পশ্চিমবংগৰ ঝাউকুঠীৰ। আটকাধীন পোকালাগী তৃতীয় খণ্ড গাঁৱৰ ইমান আলীৰ পুত্ৰ মোছলেম উদ্দিন(২৭), ঝাউকুঠীৰ নুৰ মহম্মদৰ পুত্ৰ আলী হুছেইন(২৫), ঝাউকুঠীৰ নুৰুল সেখৰ পুত্ৰ মনোৱাৰ হুছেইন(২৬) আৰু ঝাউকুঠীৰ শ্যামল বৰ্মনৰ পুত্ৰ বিশ্বজিত বৰ্মন(২৫)। স্মৰ্তব্য যে আলী হুছেইন ইয়াৰ পূৰ্বতেও দুবাৰকৈ গৰুৰ চোৰাং ব্যৱসায়ত জড়িত হৈ দুবাৰকৈ জে'ললৈ গৈছিল। কিন্তু ইয়াৰ পিছতো ছাগলীয়া পশুপালন বিভাগে গৰুৰ ফিটনেচ পত্ৰ দিয়া ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

## পকামুৰাত ভাওনা প্ৰতিযোগিতা

**ই-সংবাদ, পশ্চিম যোৰহাট, ২২ মাৰ্চঃ** পকামুৰা কঁঠালবাৰী কুমাৰ, গুৱযোগনীয়া গাঁৱৰ ৰাইজে অঞ্চলটোৰ লোকসকলৰ সহযোগত প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা মণিকাঞ্চন ক্ষেত্ৰত ২২ৰ পৰা ৩০ মাৰ্চলৈ অনুষ্ঠিত কৰিবলৈ লৈছে। এই উপলক্ষে ২২ মাৰ্চৰ পুৱা তোৰণ উদ্বোধন, গছপুলি ৰোপণ, নাম-প্ৰসংগৰ পাছতে দিনৰ ১২ বজাৰ পৰা মঞ্চ উদ্বোধন আৰু ধৰ্মালোচনা অনুষ্ঠিত হ'ব। ২৩ মাৰ্চত ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, নাম-প্ৰসংগৰ পাছতে নগেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত ভাস্কৰজ্যোতি মহন্ত উপস্থিত থাকিব। সেইদিনা নিশা পাঞ্চজন্য শিল্পী সমাজে ৪-৩০ বজাৰ পৰা আৰু সেউজ শিল্পী সমাজে ৰাতি ৯ বজাৰ পৰা ভাওনা প্ৰদৰ্শন কৰিব। প্ৰতিদিনেই দুখনকৈ ভাওনা প্ৰদৰ্শিত হ'ব। ৩০ মাৰ্চত দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া মুকলি সভাত প্ৰতিযোগিতাত স্থানপ্ৰাপ্তসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব।

## গোলকগঞ্জৰ টোকৰেৰছৰাত ভাং উদ্ধাৰ

**ই-সংবাদ, আগমনি, ২২ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত টোকৰেৰছৰা দ্বিতীয় খণ্ড গাঁৱত এজন লোকৰ ঘৰত আজি বিয়লি আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ভাং উদ্ধাৰ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে গাঁওখনৰ বুদা ৰায়ৰ ঘৰত অতৰ্কিতে অভিযান চলায়। ঘৰখনত তালাচী চলাই দুই কেজি এশচৌত্ৰিছ গ্ৰাম ওজনৰ নিষিদ্ধ ভাং উদ্ধাৰ কৰে। আৰক্ষী ঘৰখনত উপস্থিত হোৱাৰ পূৰ্বেই বুদা ঘৰ এৰি পলায়ন কৰে। দীৰ্ঘদিনৰ পৰাই বুদা ঘৰৰ পৰাই ভাঙৰ ব্যৱসায় চলাই আহিছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## মাৰ্ঘেৰিটাত অখণ্ড ভাগৱত পাঠৰ আয়োজন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২২ মাৰ্চঃ** আজি মাৰ্ঘেৰিটা বৰনামঘৰ চৌহদ ভাগৱতৰ অমৃতৰসৰে এক ভক্তিময় পৰিৱেশৰ সূচনা কৰে। মাৰ্ঘেৰিটা সমজিলাৰ ১৩৩ টা নামঘৰৰ যৌথ মঞ্চৰ উদ্যোগত মাৰ্ঘেৰিটা নিউকলনী স্থিত বৰনামঘৰত আজিৰে পৰা বিশ্বশান্তি কামনাৰে ৭ দিনীয়া কাৰ্যসূচীৰে অয়োজন কৰা শ্ৰীমদ্ভাগৱতৰ অখণ্ড পাঠৰ শুভাৰম্ভ কৰা হয়। পুৱা ধৰ্মধ্বজা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী পাতনি মেলা হয়। ধৰ্মধ্বজা উত্তোলন কৰে মাৰ্ঘেৰিটা সমজিলা নামঘৰসমূহৰ যৌথ মঞ্চৰ সভাপতি পূৰ্ণানন্দ দিহিংগীয়াই আৰু বন্তি প্ৰজ্বলন কৰে প্ৰেম নাৰায়ণ গোস্বামীয়ে। কাৰ্যসূচী আঁত ধৰে মাৰ্ঘেৰিটা সমজিলা নামঘৰসমূহৰ যৌথ মঞ্চৰ প্ৰধান সম্পাদক ৰাণাজ্যোতি নেওগে। ইয়াৰ পিছতে মূল কাৰ্যসূচী শ্ৰীমদ্ভাগৱতৰ অখণ্ড পাঠৰ শুভাৰম্ভ কৰা হয়। অন্তিম দিনা নিশা স্থানীয় শিল্পী তথা ভাওৰীয়াসকলৰ দ্বাৰা অভিনীত শ্ৰী শ্ৰী ৰাম পৰাজয়, সীতাৰ পাতাল গমন ভাওনাৰে কাৰ্যসূচী সামৰণি পৰিব।

# লিডুত উত্থান ইউথ এমপাৱৰমেণ্ট ছ'চাইটিৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন

**ই-সবাদ, মাৰ্ঘেৰিটা, ২২ মাৰ্চঃ** আয়ুৰ্বেদ ভাৰতীয় চিকিৎসা বিজ্ঞানৰ এক পুৰণিক চিকিৎসা পদ্ধতি। 'হৰ দিন, হৰ ঘৰ, আয়ুৰ্বেদ' মূল মন্ত্ৰৰে উত্থান ইউথ এমপাৱৰমেণ্ট ছ'চাইটিৰ উদ্যোগত আৰু যোগ গুৰুকুল ছ'চাইটিৰ সহযোগত লিডুৰ হিন্দু মিলন মন্দিৰত আজি দিনজোৰা কাৰ্যসূচীৰে এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। উক্ত বিনামূলীয়া চিকিৎসা পৰীক্ষা শিবিৰত চিকিৎসা সেৱা আগবঢ়ায় আয়ুস জীৱন হেল্থ টিমৰ চিকিৎসক ডাঃ হিমাংশু বেজবৰুৱা আৰু দিপাংকৰ লহকৰে। শিৱিৰটোত ডেৰ শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। ইয়াৰ উপৰি প্ৰেচাৰ, ছুগাৰ হিম'গ্লবিন আদি পৰীক্ষাও বিনামূলীয়াকৈ কৰা হয়।

# ঠিকাদাৰ নুৰজামাল হকৰ লুণ্ঠনৰাজ

**ই-সংবাদ, শিমলীতোলা, ২২ মাৰ্চঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ চৰাঞ্চলৰ প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ভাৰত চৰকাৰৰ গ্ৰাম বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা চেঙাৰ পশ্চিম ছয়সীমানা মাদ্ৰাছাৰ পৰা সুখোৱাৰঝাৰলৈ পেকেজ নং AS-01-358 পথৰ দৈৰ্ঘ্য ১৪.৫৮ কিঃমিঃ ২৩৭৩.৯৩ কৌটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা পথছোৱা নিৰ্মাণৰ দায়িত্ব লাভ কৰে ঠিকাদাৰ নুৰজামাল হকে। পথটো ৫ বছৰৰ কাৰণে মেৰামতিৰ বাবে ৮৪.৮৬ লাখ টকা ধৰা আছে যদিও পথ নিৰ্মাণৰ নামত ঠিকাদাৰ নুৰজামাল হকৰ বিৰুদ্ধে বৃহৎ কেলেংকাৰী সংঘটিত কৰি আঁচনিৰ ধন লুণ্ঠন কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজে। দুৰ্নীতিগ্ৰস্থ ঠিকাদাৰ নুৰজামাল হকে প্ৰথমৰ পৰাই নিম্নমানৰ সামগ্ৰীৰে কাম কৰি ব্যাপক হাৰত দুৰ্নীতি অনিয়ম সংঘটিত কৰি আঁচনিৰ ধন লুটিপুতি খোৱাৰ পৰিকল্পনা কৰিছে বুলি অভিযোগ উত্থাপন কৰে। উক্ত পথছোৱাত প্ৰাককলন মতে তিনিখন দলং আছিল যদিও ঠিকাদাৰ নুৰজামাল হকে দলং নিৰ্মাণত ব্যাপক অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। নামমাত্ৰ দলং নিৰ্মাণ কৰি লাখ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ কৰিছে ভুক্তভোগী ৰাইজে। দলঙৰ দুয়োফালে ছাইট বামৰ কাম নকৰাৰ লগতে পৰ্যাপ্ত জিঅ' বেগ নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। জিঅ' বেগৰ সলনি লৰনৰ বেগত বালি ভৰাই ঠায়ে ঠায়ে দিয়াৰ অভিযোগ কৰিছে ৰাইজে। শীঘ্ৰে ভাঙি-ছিঙি যাতায়াতৰ অসুবিধাৰ সৃষ্টি কৰা বিধ্বস্ত পথসমূহ মেৰামতি কৰাৰ লগতে দলং নিৰ্মাণত সংঘটিত কৰা দুৰ্নীতিৰ তদন্তমৰ্মে যাৱতীয় কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে মুখ্যমন্ত্ৰী, জিলা উপায়ুক্তৰ লগতে বিভাগীয় ঊৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে। বিধ্বস্ত পথসমূহ মেৰামতি কৰাৰ ক্ষেত্ৰত জিলা লোক নিৰ্মাণ বিভাগৰ দায়িত্ব থকা কাৰ্যবাহী অভিযন্তাগৰাকীয়ে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত হ'ব লক্ষণীয়।

# বিলপাৰত ১৩ সংখ্যক আদ্যাশক্তি মহামায়াৰ বাৰ্ষিক উৎসৱ

**ই-সংবাদ, নলবাৰী, ২২ মাৰ্চঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁৱৰ পশ্চিম চুবুৰীৰ আদ্যাশক্তি মহামায়া মন্দিৰ প্ৰাংগণত কাইলৈ অৰ্থাৎ ২২ মাৰ্চত দিনজোৰা বৰ্ণিল কাৰ্যসূচীৰে ১৩ সংখ্যক আদ্যাশক্তি মহামায়াৰ বাৰ্ষিক উৎসৱটি অনুষ্ঠিত কৰা বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে এই উৎসৱ পৰিচালনাৰ বাবে সাংবাদিক দ্বিজেন ডেকাক সভাপতি, মৃণ্ময় ডেকাক কাৰ্যকৰী সভাপতি, অঞ্জন ডেকা, অৰূপ ডেকা, কিশোৰ ডেকাক উপ-সভাপতি, হৰজ্যোতি ডেকাক মুখ্য সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২২ মাৰ্চৰ পুৱা ৮ বজাত ধৰ্মীয় পতাকা উত্তোলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভণি কৰিব উদযাপন সমিতিৰ সভাপতি দ্বিজেন ডেকাই। পুৱা ৭ বজাত মা মহামায়া মন্দিৰৰ মূল বন্তি প্ৰজ্জ্বলন কৰিব মন্দিৰৰ দেউৰী লোহিত দাসে। ৮.১৫ বজাত স্মৃতি তৰ্পণ -মাল্যাৰ্পণ কৰিব ক্ৰমে সমাজসেৱক দীনেশ ডেকা আৰু অজিত ডেকাই। পুৱা ৮.৩০ বজাত গছপুলি ৰোপণ কৰিব ক্ৰমে বিলপাৰ বালক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ বৈশ্য, ঘগ্ৰাপাৰ মণ্ডল বিজেপিৰ প্ৰাক্তন সভাপতি মৃদুল কলিতা, গলিয়া গাঁও উন্নয়ন সমিতিৰ সম্পাদক ৰবীন্দ্ৰ নাথ কলিতা, বিলপাৰ গোপাল মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক উমেশ ডেকা, সমাজকৰ্মী প্ৰতুল ডেকা আদিয়ে। পুৱা ৯ বজাত দৌৰ খেল প্ৰতিযোগিতা উদ্বোধন কৰিব ঘগ্ৰাপাৰ ক্ৰীড়া সংগঠক ভবেন বড়োই। পুৱা ৯.৩০ বজাত শিৱ মন্দিৰৰ আধাৰশিলা স্থাপন কৰিব গুৱাহাটীৰ মুখ্য কাৰ্যালয়ৰ কৰ অধীক্ষক ৰাতুল মহন্ত আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অৱসৰপ্ৰাপ্ত বিষয়া অনিল চৌধুৰীয়ে। পুৱা ১০ বজাত আদ্যাশক্তি মা মহামায়াৰ হোমযজ্ঞ অনুষ্ঠান আৰম্ভ হ'ব। দিনৰ ১১ বজাত ধৰ্মীয় শোভাযাত্ৰা উদ্বোধন কৰিব উদীয়মান সমাজসেৱক অৱনী ডেকাই। দুপৰীয়া ১২ বজাত আদৰ্শ কৃষকক সম্বৰ্ধনা অনুষ্ঠানত অতিথিৰূপে উপস্থিত থাকিব পি এম শ্ৰী ঘগ্ৰাপাৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনিল শৰ্মা, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক তথা গলিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ কাশ্যপ। দুপৰীয়া ১২.৩০ বজাত স্থানীয় আয়তীৰ নাম পৰিৱেশন। দুপৰীয়া ১ বজাত প্ৰসাদ বিতৰণ। আবেলি ২ বজাত সমূহীয়া ভোগ বিতৰণ। সন্ধিয়া ৫.৩০ বজাত বন্তি প্ৰজ্বলন অনুষ্ঠানত মুখ্য বন্তি প্ৰজ্বলন কৰিব যুৱসমাজ কৰ্মী চন্দন ডেকাই। ইয়াৰ পাছতে বন্তি প্ৰজ্জ্বলন কৰিব ক্ৰমে দলুৱা বিষ্ণুজোতি হাইস্কুলৰ প্ৰধান শিক্ষক শ্ৰীধৰ বেজবৰুৱা, ঘগ্ৰাপাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অৰুপজোতি বৈশ্য, ঘগ্ৰাপাৰ হৰি মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক ভ্ৰমৰ মজুমদাৰ, এছ বি দেওৰা মহাবিদ্যালয়ৰ মুখ্য কাৰ্যালয় সহায়ক নিৰঞ্জ ডেকা, ৰঙিয়াৰ বিশিষ্ট ব্যৱসায়ী হৰেকৃষ্ণ কলিতা, কটকীয়াৰ যুৱ ব্যৱসায়ী শুক্লেশ্বৰ কলিতা, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক কংকন কলিতা, বৰাজোলৰ ভিঠামহলৰ যুৱ সমাজকৰ্মী কিশোৰ দাস, ঘগ্ৰাপাৰ মণ্ডল বিজেপি উপ সভাপতি সুৰেশ কলিতা, সাধাৰণ সম্পাদক হৰেশ্বৰ দাস, বিশিষ্ট ব্যৱসায়ী উৎপল বৈশ্য, বিজু শৰ্মা, সমাজকৰ্মী দ্বীজেন দাস, দেহাৰকুছি গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি যোগেশ্বৰ শৰ্মা আদিয়ে। সন্ধিয়া ৫.৩০ বজাত আমন্ত্ৰিত অতিথিৰ দ্বাৰা দৌৰ খেলৰ বঁটা বিতৰণ অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকিব বনভাগ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ বিনোদ তালুকদাৰ আৰু বৰাজোল আঞ্চলিক এম ই স্কুলৰ প্ৰধান শিক্ষক কালিচৰণ কলিতাই। সন্ধিয়া ৬ বজাত বাঁহীৰ সুৰত গীতৰ ঢৌ আৰু বৰভাগৰ কহুৱা বিহু হুঁচৰি দলৰ নৃত্য প্ৰদৰ্শনী উদ্বোধন কৰিব নলবাৰী জিলা বিজেপিৰ সম্পাদক পংকজ ডেকাই। সন্ধিয়া বিশিষ্ট অতিথিক সম্বৰ্ধনা। সন্ধিয়া ৭ বজাত নাগাৰা নাম উদ্বোধন কৰিব সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত চুবেদাৰ মেজৰ, ভাৰতীয় স্থল সেনাৰ ৰাজেশ্বৰ কলিতাই। অনুষ্ঠানত নাগাৰা নাম পৰিৱেশ কৰিব অসমৰ খ্যাতনামা নাগাৰা নামৰ পাঠকদ্বয় ক্ৰমে ৰামচৰণ ভড়ালী আৰু তৰুণ কাকতিয়ে। উক্ত উৎসৱৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহযোগিতা উদ্যোক্তা সমিতিয়ে আন্তৰিকতাৰে কামনা কৰিছে।

# অৱসৰপ্ৰাপ্ত শিক্ষক ছাদেক আলীৰ মৃত্যুত শোকৰ ছাঁ

**ই-সংবাদ, শিমলীতোলা, ২২ মাৰ্চঃ** বৰপেটা জিলাৰ বাঘমাৰা চৰৰ বিশিষ্ট বুদ্ধিজীৱী তথা অৱসৰপ্ৰাপ্ত শিক্ষক ছাদেক আলীৰ বাৰ্ধক্যজনিত কাৰণত যোৱা নিশা ২.৩০ বজাত শেষ নিশ্বাস ত্যাগ কৰে। জানিব পৰা মতে, দীৰ্ঘধৰি হৃদ ৰোগত ভুগি স্বাস্থ্যৰ অৱনতি হোৱাত কালি চিকিৎসা বাবে গোৱালপাৰালৈ লৈ যোৱাত চিকিৎসকৰ পৰামৰ্শ মতে ঘৰলৈ আনে যদিও অৱশেষত তেওঁ মৃত্যুৰ ওচৰত হাৰ মানে। সুদীৰ্ঘ ৩৮ বছৰ বাঘমাৰা চৰ এম ই মাদ্ৰাছাত শিক্ষকতা কৰি অৱশেষত প্ৰধান শিক্ষক হিচাপে ২০১৫ চনৰ আগষ্ট মাহত অৱসৰ লয়। উদাৰ ব্যক্তিত্ব, মহানুৰতা, সৰলতা আৰু সততাৰ বাবে তেওঁ অঞ্চলজুৰি প্ৰিয়ভাজন আছিল। ১৯৯৩ চনত বাঘমাৰা চৰ বজাৰ পৰিচালনা কমিটীৰ দৰে বৃহৎ অনুষ্ঠানৰ জন্ম দি অনুষ্ঠানটিৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত হৈ নিজকে এজন সু-চিন্তক, সুদক্ষ, বিচক্ষণতাৰ পৰিচয় দিয়া ছাদেক আলীৰ মৃত্যুত অঞ্চলজুৰি গভীৰ শোঁকৰ ছাঁ বিৰাজ কৰে। বাঘমাৰা চৰৰ বিভিন্ন দল-সংগঠনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি কয় যে তেওঁৰ মৃত্যু আমাৰ অঞ্চলৰ বাবে অপূৰণীয় ক্ষতি, আমি এজন ৰত্ন হেৰুৱালো, বাঘমাৰা চৰ সমাজ খন প্ৰগতিৰ দিশত লৈ যোৱাৰ ক্ষেত্ৰত তেখেতৰ অৱদান সদায় অতুলনীয় আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুজন পুত্ৰ, এগৰাকী কন্যা সন্তান এৰি থৈ যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। বাঘমাৰা চৰৰ লগতে বৃহত্তৰ চৰাঞ্চলৰ হাজাৰ হাজাৰ গুণমুগ্ধ অনুৰাগীসকলৰ উপস্থিতিত তেওঁৰ জানাজাত সম্পন্ন কৰা হয়। জানাজা নামাজত অংশগ্ৰহণ কৰি ৰুহুৰ মাগফেৰাৎৰ বাবে আল্লাহৰ ওচৰত দোৱা কৰাৰ লগতে নামাজৰ শেষত সকলোৱে শোকসন্তপ্ত পৰিয়ালবৰ্গক সাক্ষাৎ কৰি সমবেদনা জ্ঞাপন কৰে।

# অময়াপুৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ, সজাগতা সভা

**ই-সংবাদ, তামুলপুৰ, ২২ মাৰ্চঃ** ড০ ভৱেন্দ্ৰ নাথ হাজৰিকা আৰু পুষ্পা হাজৰিকা স্মাৰক ন্যাসৰ উদ্যোগত অময়াপুৰ তৰুণ সংঘৰ সহযোগত আজি অময়াপুৰ তৰুণ সংঘৰ বাকৰিত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু কেঞ্চাৰ ৰোগৰ সজাগতা শিবিৰ অনুষ্ঠিত হয়। বিনামূলীয়া স্বাস্থ্য শিবিৰ আৰু কেঞ্চাৰ ৰোগৰ সজাগতা শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিটিচিৰ দৰঙাজুলি পৰিষদীয় সমষ্টিৰ এম চি এল এ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। অনুষ্ঠানত শিশু ৰোগ বিশেষজ্ঞ ডাঃ আকাশী হাজৰিকা উপস্থিত থাকি কেঞ্চাৰ ৰোগৰ কেনেকৈ হ'ব পাৰে আৰু কেঞ্চাৰ ৰোগ কেনেকৈ নিৰ্মূল কৰিব পাৰে তাৰ ওপৰত বক্তব্য আগবঢ়ায়। আজিৰ এই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু কেঞ্চাৰ ৰোগ সজাগতা সভাত উপস্থিত থাকে ডাঃ দীপাংকৰ ৰাভা, অভয়াপুৰ তৰুণ সংঘৰ সভাপতি মহিকান্ত দাস, সম্পাদক উৎপল তালুকদাৰ, প্ৰমোদ তালুকদাৰ মেমোৰিয়েল ওল্ড এছ হোমৰ স্বত্বাধিকাৰী উৎপল হৰ্ষবৰ্দ্ধনৰ লগতে কেইবাগৰাকীও স্বাস্থ্য কৰ্মী। আজিৰ এই স্বাস্থ্য শিবিৰটোত অময়াপুৰ গাঁৱৰ শতাধিক লোকে স্বাস্থ্য পৰীক্ষা কৰে আৰু তেওঁলোকক বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰা হয়।

# আজিৰে পৰা অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, দুনী, ২২ মাৰ্চঃ** অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ ১০৬ সংখ্যক বাৰ্ষিক অধিৱেশনখন চমতীয়াপাৰা গোবৰ্দ্ধনপাৰ শিৱ মন্দিৰ প্ৰাংগণৰ কিৰণ চন্দ্ৰ চহৰীয়া সোঁৱৰণী ক্ষেত্ৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্যসূচী অনুসৰি ২২ মাৰ্চত পুৱা স্বচ্ছতা অভিযান, নামঘৰ, ভঁড়াল ঘৰ আৰু ৰন্ধনশালত বন্তি প্ৰজ্বলন, ভাগৱত স্থাপন আৰু পাঠ, পদ প্ৰক্ষালন ক্ষেত্ৰ উন্মোচন, পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, স্বেচ্ছাসেৱকৰ কাৰ্যালয় উন্মোচন, গ্ৰন্থ বিপণী, স্বাস্থ্য শিবিৰ, অতিথিশালা আৰু সংবাদ মাধ্যমৰ শিবিৰৰ দ্বাৰ উদঘাটনৰ উপৰি কেইবাখনো তোৰণ উন্মোচন, চক্ৰবেহুৰ দ্বাৰ উদঘাটন কৰা হয়। চৰকাৰী পৃষ্ঠপোষকতাত জিলা সন্মিলনৰ সহযোগত দিপীলাত কুমাৰ ভাস্কৰ বৰ্মাৰ প্ৰতিমূৰ্তিৰ আধাৰশিলা স্থাপন, গছপুলি ৰোপণ, কিৰণ চন্দ্ৰ চহৰীয়া সোঁৱৰণী ক্ষেত্ৰ উন্মোচন আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে সমান্তৰালভাৱে প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। জিলা সন্মিলনৰ সভাপতি ৰাম চন্দ্ৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভাখন উদ্বোধন কৰিব অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ কাৰ্যাধ্যক্ষ ভাৰত ভূষণ মহন্তই। সন্ধিয়া ১০৬ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। ২৩ মাৰ্চত পুৱা স্বচ্ছ অভিযান আৰু ভাগৱত পাঠৰ পিছতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শোভাযাত্ৰা উদ্বোধন কৰিব বিশিষ্ট ব্যৱসায়ী হিতেশ চহৰীয়াই। শোভাযাত্ৰা সামৰণিৰ লগে লগে অনুষ্ঠিত হ'ব সম্বৰ্ধনা অনুষ্ঠান। দিনৰ ১.০০ বজাত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ সভাপতি ৰাম চন্দ্ৰ চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব গুৱাহাটী ৰাধাগোবিন্দ বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ডও জয়ন্ত ডেকাই। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ডও কমলেশ কলিতাই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিবলগীয়া সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উপ-অধীক্ষক ডাঃ কমলাকান্ত শৰ্মাই। সভাত দৰং ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা তথা তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, প্ৰাক্তন মন্ত্ৰী তথা বিধায়ক ভৱেশ কলিতা, ছিপাঝাৰ বিধায়ক ডও পৰমানন্দ ৰাজবংশী, মঙলদৈৰ বিধায়ক বসন্ত দাস, কলাইগাঁৱৰ বিধায়ক দুৰ্গাদাস বড়ো, কমলপুৰৰ বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন ৰাজহ মন্ত্ৰী ডও জয়নাথ শৰ্মা, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, প্ৰাক্তন বিধায়ক মহেশ্বৰ বড়ো, কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ প্ৰাক্তন সভাপতি ৰমনী কান্ত চহৰীয়া, দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতি, দৰং জিলা আৰক্ষী অধীক্ষক প্ৰকাশ সোণোৱাল,কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ কাৰ্যকৰী সভাপতি ডও শশীন চহৰীয়া, কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সম্পাদক চিত্তৰঞ্জন ডেকা, কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ যুটীয়া সম্পাদক অজিত কুমাৰ ডেকা, কলিতা জনগোষ্ঠী সন্মিলন, অসমৰ সাংগঠনিক সম্পাদক কৰুণা সিন্ধু ডেকা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। সন্ধিয়া পতাকা অৱনমনৰ পিছতে দৰঙী কলিতাসকলৰ গৌৰৱ প্ৰভা শীৰ্ষক এলানি কাৰ্যসূচীৰ জৰিয়তে দহ হাজাৰ বন্তিৰে আলোকিত হ'ব সমগ্ৰ চমতীয়াপাৰা। মুখ্য বন্তি প্ৰজ্বলক হিচাপে অংশগ্ৰহণ কৰিব অসম গৌৰৱ সন্মান বঁটা প্ৰাপ্ত উদ্যোগপতি অনুপম ডেকাই। নিশা মিহিৰাম কলিতা আৰু যমুনা কলিতা সোঁৱৰণী সাংস্কৃতিক মঞ্চত বিশিষ্ট কণ্ঠশিল্পী কমলিকা কাশ্যপে গীতৰ শৰাই আগবঢ়াব।

# ভূৰাগাঁৱত আৰক্ষী ড্ৰাগছ বিৰোধী অভিযানত আটক ৩ সৰবৰাহকাৰী

**ই-সংবাদ, লাহৰীঘাট, ২২ মাৰ্চঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আৰক্ষীয়ে অব্যাহত ৰাখিছে নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে নিৰন্তৰ অভিযান। পুনৰ আৰক্ষীৰ জালত পৰে ড্ৰাগছসহ তিনি ড্ৰাগছ সৰবৰাহকাৰী। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু ভূৰাগাঁও আৰক্ষীয়ে বৰালীমাৰী অঞ্চলত শুক্ৰবাৰে আবেলি গোপন সুত্ৰৰ পমখেদি গ্ৰেপ্তাৰ কৰে তিনিটাকৈ ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীকেইটা ক্ৰমে তইবুৰ ৰহমান,ইফটিকাৰ ৰহমান আৰু ৰাবুল ইছলাম বুলি জানিব পৰা গৈছে। সৰবৰাহকাৰী কেইটাৰ পৰা ৮৮ গ্ৰাম ড্ৰাগছসহ দুখন বাইক আৰু ৩ টা ম'বাইল জব্দ কৰে অভিযানকাৰী আৰক্ষীৰ দলে। ধৃত তইবুৰ আৰু ইফটিকাৰৰ ঘৰ হয়বৰ গাঁৱত আৰু ৰাবুল ইছলামৰ ঘৰ বৰালিমাৰীত। উল্লেখ্য যে, ভূৰাগাঁও থানাৰ অন্তৰ্গত বৰালীমাৰী অঞ্চলত কিছুদিনৰ পৰা ব্যাপকভাৱে সৰবৰাহ হৈছে নিষিদ্ধ ড্ৰাগছ। আনকি ছাত্ৰসকলকো এই সৰবৰাহকাৰীসকলে ড্ৰাগছৰ প্ৰতি আকৃষ্ট কৰাই জীৱন অন্ধকাৰলৈ ঠেলি দিছে। বৰ্তমান তিনিওটা সৰবৰাহকাৰীক ভূৰাগাঁও আৰক্ষী থানাত অধিক তথ্য সংগ্ৰহৰ বাবে জেৰা অব্যাহত ৰাখিছে আৰক্ষীয়ে।

# মিনি বাংলাদেশ সন্দৰ্ভত কোচ ৰাজবংশী নেতাৰ প্ৰতিক্ৰিয়া

**ই-সংবাদ, গোলকগঞ্জ, ২২ মাৰ্চঃ** বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীয়ে উচ্চ সদনত ধুবুৰীক মিনি বাংলাদেশ আখ্যা দিয়াৰ বিৰুদ্ধে আজি গোলকগঞ্জত কোচৰাজবংশী জনগোষ্ঠীয় নেতা গৰজি উঠিছে। এসময়ৰ আত্ৰাছুৰ প্ৰভাৱশালী নেতা তথা কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য কাৰ্তিক ৰায়ে এখন সংবাদমেল সম্বোধন কৰি এয়া ৰাজনৈতিক ষড়যন্ত্ৰ বুলি ক্ষোভ উজাৰে। তেওঁ কয় যে ধুবুৰী কোচ কামতাপুৰ ৰাজ্যৰে অংগ। ভাৰত স্বাধীন হোৱাৰ পিছতে তদানীন্তন কামতাপুৰৰ তিনিখন জিলা ইতিমধ্যে বাংলাদেশত চামিল কৰি দিছে। এতিয়া ধুবুৰীকো বাংলাদেশৰ  লগত চামিল কৰাৰ ষড়যন্ত্ৰ চলিছে। বিজেপিক সমালোচনা কৰি কয় যে বিজেপি অকল হিন্দু মুছলমানৰ ৰাজনীতি কৰে। ধুবুৰীত কেতিয়াও বিজেপি সাংসদ জিকিব নোৱাৰে, তদুপৰি বৰ্তমান এজন বিধায়কো জিকিব সক্ষম নহয়। সেয়ে বাংলাদেশক এৰি দি নিজৰ স্বাৰ্থ সিদ্ধিৰ ষড়যন্ত্ৰ চলোৱা বুলি অভিযোগ উত্থাপন কৰে। বিযেশকৈ ধুবুৰীক বাংলাদেশক এৰি দি কোচৰাজবংশীক দুৰ্বল আৰু লুপ্ত কৰাৰ পৰিকল্পনা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে নেতাজনে। এই সন্দৰ্ভত তেওঁৰ মতে ১৯৪৯ চনৰ ২৮ আগষ্টত ভাৰত চৰকাৰৰ লগত তদানীন্তন মহাৰাজা ভূগবাহাদুৰৰ মাৰ্জাৰ চুক্তি সম্পাদন হৈছিল। উক্ত চুক্তি মতে কামতাপুৰ অৰ্থাত কোচবিহাৰক গ শ্ৰেণীৰ ৰাজ্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল। এই দাবী পুনৰ সজোৰে উত্থাপন হোৱাত ভীতিগ্ৰস্ত হৈ বিজেপি চৰকাৰে প্ৰস্তাৱিত কামতাপুৰ অৰ্থাত কোচবিহাৰ ৰাজ্যৰ অংগ ধুবুৰীক বিচ্ছিন্ন কৰি দুৰ্বল কৰাৰ ষড়যন্ত্ৰ ৰচা বুলিও অভিযোগ কৰে। তেঁও কয় বিজেপি চৰকাৰৰ দম থাকিলে এজনো বাংলাদেশীক বাংলাদেশলৈ প্ৰেৰণ কৰি সৎসাহস দেখুৱাব লাগে। নেতাজনে বিজেপিৰ সাংসদগৰাকীক সময় থাকোতে ক্ষমা বিচাৰিবলৈ আহ্বান জনায়, অন্যথা ইয়াৰ পৰিণাম ভুগিবলৈ বিজেপিক সাজু থাকিবলৈ সকীয়নি দিয়ে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# পল্টন বজাৰত 'বৃষ্টিকথা গুৱাহাটি'ৰ উদ্যোগত বহুভাষিক কবি সন্মিলন সম্পন্ন

**ই-সংবাদ, গুৱাহাটী, ২২ মাৰ্চঃ** কাব্য সাহিত্যৰ অগ্ৰণী অনুষ্ঠান 'বৃষ্টিকথা গুৱাহাটি'ৰ উদ্যোগত কালি সন্ধিয়া ৬.৩০ বজাৰ পৰা নিশা ৯ বজালৈ নিয়ন লাইটৰ পোহৰত পল্টন বজাৰ বেংগলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি বৰ্ণিল বহুভাষিক কবি সন্মিলন আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত অনুষ্ঠিত হৈ যায়। 'বৃষ্টিকথা গুৱাহাটি'ৰ প্ৰমুখ বিদ্যুৎ চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানৰ উদ্বোধনী ভাষণ প্ৰদান কৰি বিশিষ্ট কবি, সাহিত্যিক নিশুতি মজুমদাৰে কয় যে মানুহৰ হৃদয়ৰ পৰা স্বতঃস্ফূৰ্তভাৱে নিৰ্গত হোৱা প্ৰতি শব্দই একো এটা প্ৰাঞ্জল কবিতা। কবিতা উপযুক্ত ধৰণেৰে পৰিৱেশন কৰিলে মানদণ্ড বাঢ়ে। সমাজৰ বাবে কবিতা নিৰ্মাণ হ'ব লাগে। নিবেদিতা ভট্টাচাৰ্য, সুচয়িতা চক্ৰৱৰ্তী, মধুমিতা সেনগুপ্ত, মীনাক্ষি চক্ৰৱৰ্তী, লিপি চক্ৰৱৰ্তী আৰু সুমিতা ভট্টাচাৰ্য চৌধুৰীৰ দলগত গীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত কবি দীপক শৰ্মাই কয়- "কবিতাৰ আদৰ কোনোদিনে ম্লান নহয়। সমন্বয়-সংহতি সৃষ্টিৰ প্ৰধান চালিকা শক্তি কবিতা। কবিৰ উদখৰতা থাকিব লাগে।" ইয়াৰ পিছতে অসমীয়া ভাষাত দীপক শৰ্মা, মৃদুল হালৈ, মিণ্টুল হাজৰিকা, বিভাস দাস, দীপ ৰাজ, ব্ৰজেন মালাকাৰ, নেপালী ভাষাত ইন্দুপ্ৰভা দেৱী, বাংলা ভাষাত সঞ্জয় চক্ৰৱৰ্তী, তুষাৰকান্তি সাহা, সত্যজিৎ নাথ (বৰাক), মম্পি গুপ্ত, সুব্ৰত চৌধুৰী, ডালিয়া সিংহ, গীতাঞ্জলি ৰায়, মধুমিতা দত্ত, কমলিকা মজুমদাৰ, পাৰমিতা নাগ দে, সঞ্জয় চন্দ্ৰ দাস, তিমিৰ দে, সঞ্জয় ভট্টাচাৰ্য, ৰাজকুমাৰ দাস, প্ৰবীৰ বোস, নিবেদিতা ভট্টাচাৰ্যই কবিতা পাঠ কৰে। ভিন ভিন কবিৰ কবিতা আবৃত্তি কৰে সোমশুভ্ৰ দাস, অসীম ঘোষ, শংকৰ দাস, শাশ্বতী চৌধুৰীয়ে। অনুষ্ঠানত কথাফুল নামৰ কাব্যগোষ্ঠীৰ সদস্যাক্ৰমে সন্দীপা চক্ৰৱৰ্তী, দেবলীনা সেনগুপ্ত, সংহিতা ৰায় আৰু মীনাক্ষি চক্ৰৱৰ্তীয়ে গীত-কবিতাৰ সমাহাৰ তুলি অনন্য অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত বিশিষ্ট লেখক-লেখিকা সুস্মিতা মজুমদাৰ, ঋতা চন্দ, বিমলেন্দু চক্ৰৱৰ্তী, লিপি চক্ৰৱৰ্তী, বিদ্যুৎ চক্ৰৱৰ্তী, মীনাক্ষি চক্ৰৱৰ্তী, মধুমিতা ভট্টাচাৰ্য, মধুমিতা সেনগুপ্ত আৰু সপ্তমিতা নাথ আদি উপস্থিত থাকে।

# চানমাৰিত পৰাগজ্যোতি প্ৰকাশনৰ বিশেষ উদ্যোগত ভৱানী প্ৰসাদ অধিকাৰীৰ ৰাজহুৱা স্মৃতিচাৰণ সভা

**ই-সংবাদ, গুৱাহাটী, ২২ মাৰ্চঃ** ৰাজ্যখনৰ যশস্বী সাহিত্যিক, সমালোচক, শিক্ষাবিদ, গীতিকাৰ, সাংবাদিক, অভিনেতা, নাট্যকাৰ অধ্যাপক ভৱানী প্ৰসাদ অধিকাৰীৰ পবিত্ৰ স্মৃতিত অগ্ৰণী প্ৰকাশন অনুষ্ঠান 'পৰাগজ্যোতি প্ৰকাশন'ৰ উদ্যোগত কালি চানমাৰিৰ 'নিৰাময় ভৱন' প্ৰাংগণত এখনি মনোজ্ঞ স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। আদিতে প্ৰয়াত অধিকাৰীৰ স্থিৰচিত্ৰত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্ঘ্য অৰ্পণ কৰে ত্ৰিপুৰা কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। ইয়াৰ পিছতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত সঞ্চালক তথা বিশিষ্ট সংগীতজ্ঞ, লেখক অৱনী ৰঞ্জন পাঠকৰ সভিপতিত্বত অনুষ্ঠিত হয় স্মৃতি সভা। সভাৰ আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি পৰাগজ্যোতি প্ৰকাশনৰ সচিব, সাংবাদিক দীপক শৰ্মাই কয়- "ভৱানী প্ৰসাদ অধিকাৰী অতুলনীয় ব্যক্তিত্বৰ অধিকাৰী আছিল। আমৃত্যু ভাষা-সাহিত্যৰ নিৰলস সাধনা কৰাৰ লগতে শিল্প-সংস্কৃতিৰ স'তেও আছিল অপৰিসীম অৰিহণা।" সভা উদ্বোধন কৰি সাহিত্যিক পেঞ্চনাৰ, সাহিত্য কোঁৱৰ কমল কলিতাই কয়- "ভৱানী প্ৰসাদ অধিকাৰীৰ সৰহ সংখ্যক ৰচনা-ৰাজিত সাৱলীল তথা লালিত্যধৰ্মিতা প্ৰকাশ পাইছে। তেওঁৰ গৱেষণাধৰ্মী, প্ৰাঞ্জল ভাষাৰ তথ্য সম্বলিত ৰচনাবোৰে অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। তেওঁ এজন প্ৰকৃত জাতীয়তাবাদী চিন্তাধাৰাৰ ব্যক্তি আছিল। অধিকাৰীৰ বলিষ্ঠ নেতৃত্বত পশ্চিম অসমৰ মানকাছাৰ নামঘৰৰ পৰা শ্ৰীমন্ত শংকৰদেৱৰ বৰ্ণিল জীৱনৰ ওপৰত প্ৰায় ৮০০ পৃষ্ঠাৰ আটকধুনীয়া আলোচনী প্ৰকাশ পাইছে।" পূৰ্বোত্তৰ ভাষা কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তাৰিণী কান্ত গোস্বামীয়ে নিজৰ ভাষণত কয়- "ভৱানী প্ৰসাদ অধিকাৰী শংকৰদেৱৰ দৰে সৰ্বগুণাকৰ। মহেশ্বৰ নেওগৰ একান্ত শিষ্য অধিকাৰীক ৰাজ্য চৰকাৰে কিম্বা অসমৰ দল-সংগঠনে যথোচিত ধৰণেৰে সন্মান দিয়া নাই।" আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক প্ৰধান তথা বিশিষ্ট শিল্পী, চিন্তাবিদ দেৱেন্দ্ৰনাথ বসুমতাৰীয়ে নিজৰ ভাষণত কয়- "এজন শুদ্ধ অসমীয়া সাজ পৰিধান কৰা প্ৰকৃত অসমীয়া। তেওঁ অসমীয়া জাতিটোৰ সৰ্বাংগীন বিকাশৰ আৰু উন্নতিৰ দিশত শব্দৰে, কণ্ঠৰে জাগ্ৰত কৰি আছিল। তেওঁৰ জাতিক সচেতন কৰা হেজাৰ -বিজাৰ প্ৰবন্ধ, গীত, কবিতাই মানুহক আলোড়িত কৰি তুলিছিল। অধিকাৰীয়ে অসমীয়া কৃষ্টি-সংস্কৃতিৰ নিখুঁত প্ৰয়োগ মনপৰশা আছিল।" নলবাৰী জিলাৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত তথা বিশিষ্ট লেখিকা ৰেণু মহন্তই নিজৰ ভাষণত কয়- "অধিকাৰীদেৱ আমাৰ আদৰ্শ পুৰুষ। তেওঁৰ পৰা আমি উদাৰতা, ত্যাগ শিকিব পাৰিছিলো। আমি শিকিছিলো। বিশাল আকাশৰ দৰে তেওঁৰ জ্ঞানৰ পৰিধি বিয়পি আছে।" মাধ্যমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী সঞ্চালক ড০ অসমী গগৈয়ে কয়- "অধিকাৰী এজন সুখ্যাত গুণনিধি। অসমীয়া ভাষাৰ উত্তৰণৰ ক্ষেত্ৰত অধিকাৰীৰ অৱদান অনন্য। তেওঁ অসমীয়া ভাষা -সাহিত্য-সংস্কৃতিৰ বৰভেঁটি চহকী কৰি থৈ গ'ল। তেওঁ দেখুৱাই যোৱা পথ ন-প্ৰজন্মই ধৰি ৰাখিব বুলি আশা প্ৰকাশ কৰে। আকাশবাণীৰ নিয়মীয়া কণ্ঠশিল্পী ৰীতা চৌধুৰীৰ কামৰূপী লোকগীত পৰিৱেশনেৰে আৰম্ভ কৰা সভাত বিশিষ্ট ভাষাবিদ তথা সাহিত্যক ড০ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ জীৱন-দৰ্শন অধ্যয়ন সমিতি, অসমৰ সাংগঠনিক সম্পাদক শৈলেন তালুকদাৰ, বিশিষ্ট কণ্ঠশিল্পী তথা গীতিকাৰ-সুৰকাৰ ডিজেন কাকতী, সাহিত্য আলোচনী সংযোগৰ সম্পাদক প্ৰশান্ত গগৈ, লেখিকা নিৰু দত্ত ৰাজকুমাৰী, অসম বাৰ্তাজীৱী সংঘৰ প্ৰাক্তন সহকাৰী সম্পাদক পংকজ কলিতা, গোবিন চন্দ্ৰ ডেকা, ৰঞ্জন অধিকাৰী, প্ৰদীপ শৰ্মা, ভুপেন্দ্ৰ কুমাৰ শৰ্মা, নিতুল গোস্বামী, দিশান্ত অধিকাৰী প্ৰভৃতিয়ে ভাষণ দি ভৱানী প্ৰসাদ অধিকাৰীৰ বহুমুখী প্ৰতিভাৰ ওপৰত আলোকপাত কৰে। সভাত চাংসাৰীৰ সমীপৰ ডোৰা-কঁহৰা হাইস্কুলৰ শিক্ষয়িত্ৰী দুৰ্গামণি বৰগোহাঁই আৰু জীৱনী ডেকাই বৰগীত আৰু দেহ বিচাৰৰ গীত পৰিৱেশন কৰি সভাখনি প্ৰাণৱন্ত কৰি তোলে। সভাই সকলোৱে একেমুখে কয়- ভৱানী প্ৰসাদ আধিকাৰীক মৰণোত্তৰভাৱে হ'লেও অসম চৰকাৰে শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান কৰক। লগতে অসমৰ দল-সংগঠনসমূহেও যথাযোগ্য সন্মান মৰণোত্তৰভাৱে হ'লেও প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত মৰেল পুলিচিঙৰ ঘটনা

আৰু লোহিত ৰভি নামৰ কিশোৰ দুজনক একাংশ ধৰি বান্ধি চোঁচৰাই ঘৰৰ নি গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰে । অভিযোগ অনুসৰি উক্ত কিশোৰ দুজনে দুচকীয়া বাহন চলাই বি জি পথেৰে গৈ থাকোঁতেই নিয়ন্ত্ৰণ হেৰুৱাই এজন লোকক খুন্দা মৰাত সামান্য পৰিমাণে আঘাত পায়। ইয়াৰ পিছত কিশোৰ দুজনক আৰক্ষীক গতাই দিয়াৰ পৰিৱৰ্তে একাংশ লোকে ৰচিৰে বান্ধি চোঁচৰাই নিয়ে। তাৰ পিছত শাৰীৰিক ভাৱে প্ৰহাৰ কৰে। কেৱল ইমানতে ক্ষান্ত নাথাকি শৰীৰ কাপোৰ ফালি গৰম পানী ঢালি তালিবানী শাস্তি দিয়ে। আইন হাতত তুলি দুই কিশোৰক গুৰুলা গুৰুলকৈ প্ৰহাৰ কৰা কাণ্ডত জড়িত সকলক চিনাক্ত কৰি বিহিত ব্যৱস্থা ল'বলৈ দাবী জনাইছে আটাছুকে ধৰি সচেতন মহলে।

# বহিৰাগত সামগ্ৰীৰ আগ্ৰাসনৰ বাবে বিলুপ্তিৰ পথত থলুৱা গামখাৰু

**ই-সংবাদ, বৰপেটাৰোড, ২২ মাৰ্চঃ** অসমীয়াৰ ৰঙৰ উৎসৱ, জাতিৰ আয়ুসৰেখা ৰঙালী বিহু সমাগত। বিহু পালনৰ বাবে সমগ্ৰ অসমত প্ৰস্তুতি তুংগত উঠিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিহু কৰ্মশালাত ব্যস্ত কণ-কণ ল'ৰা-ছোৱালী আৰু যুৱক-যুৱতী। অতি হেঁপাহেৰে ৰঙালীক আদৰিবলৈ প্ৰস্তুত অসমৰ বিভিন্ন প্ৰান্তৰ বিহুৱা ৰাইজ। কিন্তু বিহু মাৰিবলৈ নাচনীৰ বাবে অতি প্ৰয়োজনীয় থলুৱা কেঁচা মালেৰে প্ৰস্তুত কৰা গামখাৰুৰ উদ্যোগটো আজি সংকটত। থলুৱা কেঁচা মালাৰে প্ৰস্তুত গামখাৰু ক্ৰমাৎ অৱলুপ্তি হ'বলৈ ধৰাত এই অলংকাৰ বিধৰ থলুৱা বৈশিষ্ট কমি আহিবলৈ ধৰিছে। এনে প্ৰেক্ষাপটত শিল্পটোৰ লগত জড়িত স্বৰ্ণশিল্পীসকলৰ ভৱিষ্যৎ জীৱনৰ নিৰাপত্তাৰ প্ৰতি তীব্ৰ ভাবুকি নামি আহিছে। সম্প্ৰতি অসমৰ ভিতৰত বৰপেটা জিলাতেই স্থানীয় তথা থলুৱাভাৱে প্ৰস্তুত গামখাৰুৰ চাহিদা নাচনীসকলৰ মাজত কমি আহিছে। বজাৰত অতি কম মূল্যত বহিৰাগত কেঁচা সামগ্ৰীৰে প্ৰস্তুত কৰা গামখাৰুৱে বজাৰ দখল কৰাত থলুৱা কেঁচা সামগ্ৰীৰে প্ৰস্তুত কৰা গামখাৰু উদ্যোগ প্ৰায় বন্ধ হোৱাৰ উপক্ৰম হৈছে। উদ্যোগটোৰ লগত জড়িত হৈ থকা শিল্পীসকলে তেওঁলোকৰ পৰম্পৰাগত বৃত্তি ত্যাগ কৰি বনুৱা আৰু ৰিক্সা চালক হিচাপে জীৱন নিৰ্বাহ কৰিবলগীয়া পৰিস্থিতিৰ ষ্টি হৈছে। অসমৰ ভিতৰতে সৰ্বাধিক ৰূপত বৰপেটা জিলাত প্ৰস্তুত হোৱা এই গামখাৰু অসম আৰু ভাৰত বৰ্ষৰ উপৰি আমেৰিকা, অষ্ট্ৰেলিয়ালৈও ৰপ্তানি হৈছিল। কিন্তু অসমৰ জাতীয় জীৱনক সমৃদ্ধ কৰা আৰু বিহুৱতীয়ে ব্যৱহাৰ কৰা এইবিধ পৰম্পৰাগত অলংকাৰ আজি বহিৰাগত কৃত্ৰিম সামগ্ৰীৰ অবাধ প্ৰচলনত বিলুপ্ত হ'বলৈ আৰম্ভ কৰা কাৰ্যত হাউলী সংগ্ৰামী সতীৰ্থ সন্মিলনে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সতীৰ্থ সন্মিলনৰ উপদেষ্টা যুগান্ত বায়নে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বহিৰাগত গামোচাৰ প্ৰচলন বন্ধ কৰাৰ বাবে শিপিনীসকলক যিদৰে বিভিন্ন আঁচনিৰ দ্বাৰা উৎসাহিত কৰিছে, ঠিক সেইদৰে গামখাৰু উদ্যোগটো আৰু উদ্যোগটোৰ লগত জড়িত শিল্পীসকলৰ জীৱিকাৰ প্ৰতি নামি অহা ভাবুকিক প্ৰতিহত কৰিবলৈ এক আঁচনি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

## পশ্চিম দৰঙত ক্লাব ঘৰত চলি আছে অংগনবাড়ী কেন্দ্ৰ

**ই-সংবাদ, দুনী, ২২ মাৰ্চঃ** পশ্চিম দৰঙৰ ৩৩ নং বামুণঝাৰ অংগনবাড়ী কেন্দ্ৰটোৰ নাই স্থায়ী গৃহ। চৰকাৰ, জনপ্ৰতিনিধিৰ সদিচ্ছাৰ অভাৱত স্থায়ী গৃহ লাভ কৰা নাই বহু অংগনবাড়ী কেন্দ্ৰই। বিজ্ঞানসন্মত স্থায়ী গৃহৰ অভাৱত পাঠদানকে ধৰি বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰিছে অংগনবাড়ী কেন্দ্ৰৰ কৰ্মচাৰী। ছিপাঝাৰ সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ বামুণঝাৰ অংগনবাড়ী কেন্দ্ৰৰ নাই স্থায়ী গৃহ। সুদীৰ্ঘ ২৫ বছৰে গৃহহীনভাৱে চলি আছে অংগনবাড়ী কেন্দ্ৰটো। ১৯৯৯ চনত স্থাপন কৰা কেন্দ্ৰটো বৰ্তমান বামুণঝাৰ মিলন জ্যোতি শিল্পী সংঘৰ কাৰ্যালয়ত চলি আছে।২৫/৩০ গৰাকী শিক্ষাৰ্থী থকা কেন্দ্ৰটোৰ স্থায়ী গৃহৰ অভাৱত পাঠদানকে ধৰি আন কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত সমস্যা সৃষ্টি হৈছে। আনকি গৃহৰ অভাৱৰ বাবে অংগনবাড়ী কৰ্মীয়ে ঘৰত খাদ্য প্ৰস্তুত কৰি আনি শিশুক পৰিৱেশন কৰিব লগা হয়। বিগত সময়ত বাৰম্বাৰ স্থায়ী গৃহৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক আবেদন-নিবেদন কৰাৰ পিছতো অগ্ৰাহ্য কৰি আহিছে ৰাইজৰ দাবী। কণ কণ শিশুসকলৰ স্বাৰ্থত বামুণঝাৰ অংগনবাড়ী কেন্দ্ৰৰ স্থায়ী গৃহ নিৰ্মাণৰ দাবী জনাইছে ৰাইজে। ইফালে, অবাঞ্চিত ৰাজনৈতিক হস্তক্ষেপৰ বাবে নগণ্য সংখ্যক শিক্ষাৰ্থী থকা অংগনবাড়ী কেন্দ্ৰৰ বিপৰীতে আদৰ্শ অংগনাবাড়ী কেন্দ্ৰৰ গৃহ ছিপাঝাৰত আবণ্টন দিয়াৰ অভিযোগ উঠিছে।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


## গেলেকীত গ্ৰাম্য বিদ্যালয়ত ডিজিটেল লেব আৰু সম্পদ কেন্দ্ৰ উদ্বোধন

**ই-সংবাদ, গেলেকী, ২২ মাৰ্চঃ** প্ৰযুক্তিৰ জৰিয়তে শিক্ষাৰ পৰিৱৰ্তনৰ লক্ষ্যৰে অগ্ৰণী পদক্ষেপ! এছ এল বিৰ সহযোগত ধৰ্মলাইফে নিজৰ অত্যাধুনিক ডিজিটেল লেব আৰু সম্পদ কেন্দ্ৰসমূহ উদ্বোধন কৰাৰ কথা সগৌৰৱেৰে ঘোষণা কৰিছে। সন্মানীয় বিশিষ্ট ব্যক্তি, বিদ্যালয়ৰ অধ্যক্ষ-অধ্যাপক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উপস্থিতিত আজি আনুষ্ঠানিকভাৱে সম্পদ কেন্দ্ৰসমূহ উদ্বোধন কৰা হয়। এই নতুনকৈ স্থাপন কৰা সম্পদ কেন্দ্ৰসমূহত আছে লেপটপ, স্মাৰ্ট টিভি, ডিজিটেল লাৰ্নিং এপ, দ্ৰুতবেগী ইণ্টাৰনেট সংযোগ, ষ্টেগুৱৰ সৈতে গ্ৰীন ব'ৰ্ডৰ লগতে আকৰ্ষণীয় আৰু উদ্ভাৱনীমূলক শিক্ষণ পৰিৱেশ গঢ়ি তুলিবলৈ এৰগ'নমিকভাৱে ডিজাইন কৰা শিশুৰ আচবাব। অনুষ্ঠানত ভাষণ দি এছ এল বিৰ সামাজিক দায়বদ্ধতাৰ মুৰব্বী শ্ৰেয়া সুধিৰে শিক্ষাৰ ডিজিটেল বিভাজন দূৰ কৰাৰ বাবে কোম্পানীটোৰ দায়বদ্ধতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ডিজিটেল লেবে শিক্ষাৰ ডিজিটেল ৰূপান্তৰৰ বাবে অনুঘটক হিচাপে কাম কৰিব বুলি তেওঁ ভাষণত উল্লেখ কৰে। সভাত উপস্থিত থাকি ধৰ্মলাইফ ফাউণ্ডেচনৰ চি অ' অ' ৰাজীৱ ৰঞ্জনে শিক্ষাৰ উন্নতিৰ ক্ষেত্ৰত এনে সহযোগিতাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। পাঁচখন গ্ৰাম্য বিদ্যালয়ক প্ৰতিনিধিত্ব কৰা বিদ্যালয় প্ৰশাসনে এছ এল বি আৰু ধৰ্মলাইফ ফাউণ্ডেচনৰ অমূল্য অৱদানৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। ডিজিটেল শিক্ষণ প্ৰয়োগ আৰু সাংস্কৃতিক নৃত্য আৰু গীতৰ প্ৰদৰ্শনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই পদক্ষেপে শিক্ষাক আধুনিকীকৰণৰ দিশত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত কৰিছে। ছাত্ৰ-ছাত্ৰীসকলক ডিজিটেল জ্ঞান, উদ্ভাৱন, আৰু সমস্যা সমাধানৰ দক্ষতাৰে সবলীকৰণ কৰিছে। সম্পদ কেন্দ্ৰসমূহে বছৰি শ শ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব বুলি আশা কৰা হৈছে। যাৰ ফলত তেওঁলোকে ক্ৰমান্বয়ে প্ৰযুক্তি-চালিত পৃথিৱীখনত নতুন শিক্ষণৰ সুযোগসমূহ অন্বেষণ কৰিব পাৰিব।

## বিজয়নগৰৰ অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে সামগ্ৰীৰ কৰ ফাঁকি দিয়াৰ অভিযোগ

**ই-সংবাদ, মিৰ্জা, ২১ মাৰ্চঃ** সম্প্ৰতি অসমত বহিৰাগত অনাঅসমীয়া বণিকগোষ্ঠীয়ে অৰাজকতা চলোৱা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে একপ্ৰকাৰ পুঁজিপতি বণিকগোষ্ঠীক বৰপীৰা পাৰি দিয়া পৰিলক্ষিত হৈছে। সমান্তৰালভাৱে দক্ষিণ কামৰূপৰ বিজয়নগৰত অসাধু ব্যৱসায়ীৰ অবাধ লুণ্ঠন আৰম্ভ হৈছে। নিত্যব্যৱহাৰ্য সা-সামগ্ৰীৰ অনিয়ন্ত্ৰিতভাৱে হোৱা মূল্যবৃদ্ধিয়ে জুৰুলা কৰিছে সৰ্বসাধাৰণক। বিজয়নগৰৰ অসাধু ব্যৱসায়ী চক্ৰই যোগান বিভাগক একপ্ৰকাৰ বুঢ়া আঙুলি দেখুৱাই সামগ্ৰী মজুত ভাণ্ডাৰ প্ৰত্যেকৰে ব্যক্তিগত ঘৰত সংস্থাপিত কৰি লৈছে। সামগ্ৰী মজুত কৰা ভাণ্ডাৰসমূহ যোগান বিভাগে পৰিদৰ্শন কৰা দৃষ্টিগোচৰ হোৱা নাই। গুদাম বিলাকত কি সামগ্ৰী আছে , GST আছে নে নাই তথ্যসমূহ সম্পূৰ্ণৰূপে গোপনে ৰাখি সামগ্ৰীৰ কৰ ফাঁকি দি থকা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে।

# নামনি মাজুলীত সাতদিনীয়া বিহুৰ কৰ্মশালা আৰম্ভ

**ই-সংবাদ বিশেষ, মাজুলী, ২২ মাৰ্চঃ** মাজুলী জিলা বিহু শিল্পী সংস্থাৰ উদ্যোগত আজিৰে পৰা নামনি মাজুলীৰ চিলাকলাস্থ লোহিত পৰীয়া কনিষ্ঠ মহাবিদ্যালয়ত সাতদিনীয়া বিহুৰ কৰ্মশালা আৰম্ভ হৈছে। আজি বিয়লি দুই বজাত লোহিত পৰীয়া কনিষ্ঠ মহাবিদ্যালয়ত উক্ত সাতদিনীয়া বিহু কৰ্মশালা আৰম্ভ কৰা হয়। মাজুলী জিলা বিহু শিল্পী সংস্থাৰ সভাপতি প্ৰদীপ বৰুৱা আৰু সম্পাদক ভাৰত হাজৰিকাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে চিলাকলা গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰদীপ হাজৰিকাই। উক্ত কৰ্মশালাত নামনি মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা দ্বি-শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে বিশিষ্ট শিল্পী শৰৎ হাজৰিকা, চুমি দাস, অনুপম হাজৰিকা, পাপু শইকীয়া, শ্ৰৱণ হাজৰিকাই অংশগ্ৰহণ কৰে। কৰ্মশালাত বিহু নাচ, বিহু গীত, ঢোল বাদ্য, পেঁপা বাদ্যৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। বিহুৰ কৰ্মশালা উদ্বোধনী অনুষ্ঠানতে বিশিষ্ট শিল্পী, বিহুৱা, শিক্ষক তথা মাজুলী জিলা বিহু শিল্পী সংস্থাৰ সভাপতি প্ৰদীপ বৰুৱা আৰুমাজুলীৰ জনপ্ৰিয় কিশোৰ শিল্পী দেৱাশীষ শইকীয়াই কণ্ঠদান কৰা বিহু গীত 'অ' আজলী' আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট বিহু গৱেষক, বিহু বিচাৰক, বিহুৱা, ধেমাজিৰ শিল্পী মীন কান্ত বৰাই। প্ৰদীপ বৰুৱা আৰু ভাৰত হাজৰিকাই কথা আৰু সুৰ আৰোপ কৰা বিহু গীতটোৰ সংগীত পৰিচালনা কৰিছে নৱজ্যোতি বৰা আৰু ভাৰত হাজৰিকাই। যোৰহাট কাকজানৰ পাৰ্থ টিংকু দত্তৰ শব্দ মিশ্ৰিত বিহু গীতটোৰ সংগীত ব্যৱস্থাপনা যোৰহাটৰ মেল'ডি ডিজাইনৰ। প্ৰদীপ বৰুৱাৰ প্ৰযোজনাৰে গীতটোৰ ঢোলত পাৰ্থ দাস, তালত ভাৰত হাজৰিকা, পেঁপা, গগনা, বীণত নৱজ্যোতি বৰা আৰু বাঁহী সংগত কৰিছে প্ৰান্তিক বৰুৱাই। অমল কৃষ্ণ নেওগৰ চিত্ৰগ্ৰহণৰ গীতটোৰ সম্পাদনা কৰিছে চিৰঞ্জীত শইকীয়াই। আজিৰ বিহুৰ কৰ্মশালা আৰু 'অ' আজলী' বিহু গীতৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকা, হৰেন্দ্ৰ নাথ বৰুৱা, লোহিত পৰীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নৱজ্যোতি দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষ্মীকান্ত দাস, চিলাকলা গাঁও উন্নয়ন সমিতিৰ সভাপতি প্ৰদীপ হাজৰিকা, চেলেক জনজাতি হাইস্কুলৰ প্ৰধান শিক্ষক মানিক হাজৰিকা, চিলাকলা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি, সমাজকৰ্মী বিশ্বজিত হাজৰিকা, বিশিষ্ট শিল্পী তথা শিক্ষক যোগেন হাজৰিকা, নামনি মাজুলী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি পীতাম্বৰ দাস, সাংবাদিক যদু কলিতা আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। লোহিত পৰীয়া কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰাংগণত আজিৰে পৰা আৰম্ভ হোৱা উক্ত বিহুৰ কৰ্মশালা অহা ২৭ মাৰ্চলৈকে চলিব। উক্ত কৰ্মশালাখন পৰিচালনা কৰিছে বিশিষ্ট বিহু শিল্পী লক্ষ্যজিত দাস(জানমণি) আৰু বাবুল দাসে। মাজুলী বিহু শিল্পী সংস্থাৰ উদ্যোগত কাইলৈৰ পৰা উজনি মাজুলীৰ সাংস্কৃতিক অনুষ্ঠান 'সৃষ্টি- এক সাংস্কৃতিক যাত্ৰা'ৰ সহযোগত ভকতি দুৱাৰতো কৰ্মশালা অনুষ্ঠিত হ'ব ।

## কলগাছিয়াত মাকৈ খেতিৰে স্বাৱলম্বী কৃষক



**ই-সংবাদ, কলগাছিয়া, ২২ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া, ক্ষুদ্ৰকুছি আৰু মইনবৰী কৃষি খণ্ডৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হাজাৰ হাজাৰ বিঘা মাকৈ খেতিৰে বহু খেতিয়কে স্বাৱলম্বিতাৰ মুখ দেখিবলৈ সক্ষম হৈছে। চৰকাৰৰ কোনো সুযোগ সুবিধা নোপোৱাকৈ গাঁঠিৰ ধনেৰে চৰা দামত ৰাসায়নিক সাৰ, বীজ, কীটনাশক আদি ক্ৰয় কৰি খেতি কৰিছে কৃষকে। জানিব পৰা মতে, প্ৰতি বিঘা মাটিত প্ৰায় দহ হাজাৰ টকা খৰচ কৰি ১৫ ৰ পৰা ২০ কুন্টইল মাকৈ উৎপাদন কৰাৰ লগতে ৩০ ৰ পৰা ৪০ হাজাৰকৈ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, মূৰৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকৰ খবৰ ল'বলৈ আহৰি নাই কৃষি বিষয়া আৰু গ্ৰাম সেৱকসকলৰ। কৃষকসকলে অতি কষ্টৰে খেতি কৰে যদিও গ্ৰাম সেৱকসকল কোনোদিনেই খেতি পৰিদৰ্শন কৰিবলৈ নাহে বুলি অভিযোগ উত্থাপন কৰিছে মাকৈ খেতিয়কসকলে। ইফালে, পি এম কিষাণ আঁচনিৰ পৰাও বঞ্চিত হৈছে অধিকাংশ প্ৰকৃত কৃষক। একাংশ খেতিয়কে আনৰ মটি বন্ধকত লৈ খেতি-বাতি কৰে যদিও নিজৰ খেতি-মাটি নথকাত পি এম কিষাণ আঁচনিৰ ধন কৰ্তন কৰা হৈছে বুলিও ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ পিছতো প্ৰতিগৰাকী খেতিয়কে মাকৈ খেতি কৰি কম দিনৰ ভিতৰত লাভৱান হৈছে যদিও চৰকাৰী সুযোগ-সুবিধা লাভ কৰিলে অধিক উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিছে।

## মৰিগাঁৱৰ ঔজাৰীত তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ২২ মাৰ্চঃ** তিৱা মাথনলাই তখ্ৰা অৰ্থাৎ তিৱা সাহিত্য সভাৰ ত্ৰয়োদশ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখন তিনিদিনীয়া বিশাল আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে জিলাখনৰ ঔজাৰীৰ স্বৰ্গীয় জেমন চন্দ্ৰ বৰদলৈ ক্ষেত্ৰত আৰম্ভ হৈছে। আজি পুৱাৰ ভাগত অধিৱেশনস্থলীত মূল দ্বাৰ উন্মোচন কৰে তিৱাসকলৰ ঐতিহ্যমণ্ডিত গোভা ৰাজ্যৰ ৰজা দীপচিং দেওৰজাই। এই মাংগলিক অনুষ্ঠানটোত অংশগ্ৰহণ কৰে তিৱা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ, অধ্যক্ষ মদন বৰদলৈ প্ৰমুখ্যে জনগোষ্ঠীটোৰ বহু কেইজন বিশিষ্ট ব্যক্তি। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে তিৱা মাথনলাই তখ্ৰাৰ সাধাৰণ সম্পাদক ড০ বিদ্যুৎ বিকাশ সেনাপতিয়ে। ইয়াৰ পিছতে অধিৱেশনস্থলীত এটা চামাদি অৰ্থাৎ ডেকাচাং উন্মোচন কৰে স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে আৰু এটা ন'বাৰ অৰ্থাৎ বৰঘৰ উন্মোচন কৰে কৰে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। ইয়াৰ পিছতে অধিৱেশনস্থলীত এখন আটক ধুনীয়া প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে মন্ত্ৰী পীযুষ হাজৰিকাই আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে মৰিগাঁৱৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই। আনহাতে, অধিৱেশনস্থলীত স্থাপন কৰা তিৱা জনগোষ্ঠীৰ সাজ-পাৰ আৰু আ-অলংকাৰ মেলা এখন আনুষ্ঠানিক ভাবে উদঘাটন কৰা হয়। দুপৰীয়াৰ ভাগত অধিৱেশনৰ স্মৃতিগ্ৰন্থ 'চাৰাং', তিৱা ভাষাত প্ৰকাশিত মুখপত্ৰ 'থুৰাং', তিৱা ভাষাৰ এখন অভিধানৰ উপৰি জনগোষ্ঠীটোৰ ভাষা, কৃষ্টি-সংস্কৃতিক প্ৰতিফলন কৰা প্ৰায় কুৰিখন মূল্যৱান গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। বিয়লিৰ ভাগত অধিৱেশন প্ৰতিনিধি সভা আৰু তিৱা সাজ পাৰৰ এখন আকৰ্ষণীয় সৌন্দৰ্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। নিশালৈ এক বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কাইলৈ দ্বিতীয় দিনা পুৱা তিৱা মাথনলাই তখ্ৰাৰ পতাকা উত্তোলন কৰিব সভাপতি দীপেন্দ্ৰনাথ বৰদলৈয়ে। ইয়াৰ পিছতে অধিৱেশনৰ দ্বিতীয়খন প্ৰতিনিধি সভা আৰু এটি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। পুৱাৰ ভাগত 'তিৱা সাজ-পাৰৰ ঐতিহ্য ৰক্ষাত তিৱা মহিলাৰ ভূমিকা' শীৰ্ষক এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হ'ব। আনহাতে, দুপৰীয়াৰ ভাগত 'তিৱা ভাষা-সাহিত্যৰ উত্তৰণৰ বাবে নৱ প্ৰজন্মৰ কৰণীয়' শীৰ্ষক আন এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হ'ব। বিয়লিৰ ভাগত এখন কবিতাৰ মেলা, ঐতিহ্যমণ্ডিত বৰত পূজা প্ৰদৰ্শন আৰু নিশাৰ ভাগত এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে এই অধিৱেশনৰ বিশেষ আকৰ্ষণ হ'ব 'বৰত' নৃত্য। অন্তিম দিনা অধিৱেশনস্থলী স্বৰ্গীয় জেমন চন্দ্ৰ বৰদলৈ ক্ষেত্ৰত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সন্মুখত এহেজাৰ তিৱা শিল্পীয়ে একেলগে নাচিব জনগোষ্ঠীটোৰ স্বাভিমান স্বৰূপ বিনন্দীয়া 'বৰত' নৃত্য। অধিৱেশনস্থলীত নিৰ্মাণ কৰি থকা হৈছে তিৱা জনগোষ্ঠীটোৰ কৃষ্টি সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰতীক চামাদি (ডেকাচাং), ন'বাৰ (বৰঘৰ), তঙিখৰ, মাৰঘৰ, ওৱাকদা (গাহৰিৰ গড়াল), তুকদা (মুৰ্গীৰ গড়াল) আদি বিভিন্ন সঁজুলি। ইফালে, বিশিষ্ট শিল্পী মণি বৰদলৈৰ তত্ত্বাৱধানত অধিৱেশনস্থলীত তিৱা জনগোষ্ঠীটোৰ শৌৰ্য বীৰ্যৰ প্ৰতীক বীৰ জোঙাল বলহুৰ এটা প্ৰকাণ্ড প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হৈছে। এই অধিৱেশনত ৰাজ্যখনৰ প্ৰায় দহখন জিলাৰ অন্তৰ্গত ৮৫ খন শাখা সমিতিৰ লগতে চুবুৰীয়াৰ ৰাজ্য মেঘালয়ৰ প্ৰতিনিধিয়েও অংশগ্ৰহণ কৰিছে।

# পলিটেকনিকৰ অস্থায়ী প্ৰৱক্তাসকলক সমস্যাক লৈ বৰপেটাত ছাত্ৰ মুক্তিৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, কলগাছিয়া, ২২ মাৰ্চঃ** বৰপেটা মিলিনিয়াম পাৰ্কত শনিবাৰে পলিটেকনিকসমূহত পূৰ্বে অস্থায়ীভাৱে নিযুক্ত অংশকালীন প্ৰৱক্তাসকলক চাকৰিৰ পৰা অব্যাহতি দিয়া কাৰ্যৰ বিৰোধিতা কৰি আৰু চাকৰি নিয়মীয়া কৰণ কৰাৰ দাবীত বৰপেটা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে অৱস্থান ধৰ্মঘট পালন কৰে। উল্লেখ্য যে, বিগত প্ৰায় ৩০ দিন ধৰি পলিটেকনিক মহাবিদ্যালয়ৰ অংশকালীন প্ৰতিষ্ঠাপক অধ্যাপকসকলে নিজ প্ৰাপ্য অধিকাৰৰ দাবীত ৰাজপথত প্ৰতিবাদী কাৰ্যসূচী পালন কৰি আহিছে। কাৰণ পলিটেকনিকৰ ৬৪ জন শিক্ষকক নিজৰ প্ৰাপ্য অধিকাৰ বিচৰাৰ বাবেই অধ্যাপকৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰা পৰিলক্ষিত হৈছে। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে, নতুন শিক্ষক নিযুক্তি দিয়াৰ কাৰণে সেইসকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে। অথচ চাকৰিৰ পৰা বৰ্খাস্ত হোৱা অধ্যাপককেইজনে চাকৰিৰ নিযুক্তিৰ সময়ত চৰকাৰক লিখিত দিব লগা হৈছিল যে পলিটেকনিক মহাবিদ্যালয়ৰ চাকৰি এৰি বেলেগ ঠাইলৈ চাকৰি কৰিবলৈ যাব নোৱাৰিব। কিন্তু সময় পাৰ হোৱাৰ লগে লগেকেবল মাত্ৰ পলিটেকনিক মহাবিদ্যালয়ৰ সঞ্চালকালয়ৰ কিছু বিষয়াৰ বাবেই ন্যায় পোৱাৰ পৰা বঞ্চিত হৈছে বুলি আন্দোলনকাৰীসকলে অভিযোগ কৰিছে। লগতে উল্লেখ কৰে যে বৰ্তমানে ৰাজপথত ন্যায় ভিক্ষা কৰি থকা পলিটেকনিকৰ শিক্ষকসকলে আজিৰ পৰা প্ৰায় ৮ বছৰ পূৰ্বে চাকৰিত নিযুক্তিৰ সময়ত তেওঁলোকৰ কাট অফ মাৰ্ক আছিল ৮২ শতাংশ। তেওঁলোকে যাতে কোনো মূল্যৰ বিনিময়ত চাকৰি এৰি অন্য চাকৰিত যোগদান নকৰে সেই ষড়যন্ত্ৰৰে তেওঁলোকৰ অৰিজিনেল প্ৰমাণপত্ৰসমূহ লৈ লোৱা হৈছিল। কিন্তু আজি তেওঁলোকৰ চাকৰিৰ আবেদন কৰাৰ বয়স উকলি যোৱাৰ মুহূৰ্তত চৰকাৰে তেওঁলোকক অপ্ৰয়োজনীয় বুলি চাকৰিৰ পৰা আঁতৰাই দিছে বুলি ক্ষোভ প্ৰকাশ কৰে ছাত্ৰ মুক্তিৰ নেতাসকলে। লগতে অধ্যাপকসকলৰ চাকৰি নিয়মীয়া কৰাৰ বাবে বৰপেটা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে চৰকাৰক দাবী জনায়। শনিবাৰে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক আলামিন হকে সংগ্ৰামস্থলীৰ পৰাপ্ৰকাশ কৰে যে যোৱা ১৫ মাহ ধৰি পলিটেকনিকৰ কৰ্মচাৰীসকলে দৰমহা পোৱা নাই। অৱস্থান ধৰ্মঘট কাৰ্যসূচীত উপস্থিত থাকে বৰপেটা জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ বৰপেটা জিলা যুটীয়া সভাপতি শাহানুৰ ইছলাম, জেহেৰুল ইছলাম, কাৰ্যকৰী সভাপতি আমিনুল ইছলাম, ৰোস্তম আলী, উপ-সভাপতি তাৰিফুল ইছলাম, আশ্ৰাফুল খান, সাধাৰণ সম্পাদক জাবিদুল ইছলাম, সহঃ সাধাৰণ সম্পাদক ছানিদুল ইছলাম, নাজিমুল খান, ৰকিবুল ইছলাম, সাংগঠনিক সম্পাদক মকিবুল ইছলাম, প্ৰচাৰ সম্পাদক শুকুৰ আলম, ইলিয়াছ আলী, তানবিৰ হুছেইন, সাংস্কৃতিক সম্পাদক বাবুল আলী আৰু কলগাছিয়া মহকুমা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি তাবিউল খানকে ধৰি ভালে সংখ্যক নেতা-কৰ্মী। তদুপৰি ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদক মনিৰুজ জামান, কেন্দ্ৰীয় কাৰ্যকৰী সদস্য কাজী হুমায়ুন কবিৰ, বৰপেটা জিলা সাধাৰণ সম্পাদক কাজী নাজিমুল হক, কাৰ্যকৰী সভাপতি ৰফিকুল ইছলামেও অৱস্থান ধৰ্মঘট কাৰ্যসূচীত উপস্থিত থাকে।

## নলবাৰীত বিশেষ স্বাস্থ্য শিবিৰ

**ই-সংবাদ, নলবাৰী, ২২ মাৰ্চঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ উদ্যোগত জিলাখনৰ চাৰিটা খণ্ড প্ৰাথমিক স্বাস্থ্য খণ্ড চামতা, কমাৰকুছি, ঘগ্ৰাপাৰ, মুকালমুৱাত ৰাষ্ট্ৰীয় বাল স্বাস্থ্য কাৰ্যক্ৰমৰ অধীনত বিশেষ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। অসমজ্যোতি বিদ্যাপীঠ, আৰংগমৌ মধ্য ইংৰাজী বিদ্যালয়, নাৰায়ণপুৰ উচ্চ মাধ্যমিক বিদ্যালয়, কামৰূপ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত শিবিৰত জিলাখনৰ বিশেষজ্ঞ চিকিৎকসকলে বিশেষভাৱে সেৱা আগবঢ়ায়। শিশুসকলৰ সোণালী ভৱিষ্যতৰ নিশ্চিতিৰে শিশুৰ বিভিন্ন ৰোগৰ নিদান তথা উপযুক্ত কাৰ্যক্ষম পদ্ধতিৰে শিশুৰ ভৱিষ্যত সুৰক্ষাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে এই আঁচনিৰ অধীনত ০-১৮ বছৰৰ শিশুৰ বাবে ৪৪ টা ৰোগৰ চিকিৎসা বিনামূলীয়াকৈ উপলব্ধ। তদুপৰি প্ৰয়োজন অনুসৰি বিনামূলীয়া পৰিবহণ সেৱাৰ জৰিয়তে উন্নত চিকিৎসালয়লৈ প্ৰেৰণ কৰি চিকিৎসাৰ ব্যৱস্থা কৰা হয়। এটি শিশুক স্বাস্থ্যসম্পন্ন তথা সুৰক্ষিত ভৱিষ্যত প্ৰদানৰ বাবে কৰা চেষ্টা সদায় অমূল্য আৰু অতুলনীয় বুলি উপস্থিত স্বাস্থ্য বিষয়াসকলে মত প্ৰকাশ কৰে। এই শিবিৰত জিলা স্বাস্থ্য বিভাগ তথা নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে সহযোগিতা আগবঢ়ায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## তিনিচুকীয়াত 'আবেলিৰ বেলি'ৰ উদ্যোগত ৰাজহুৱা স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**ই-সংবাদ , তিনিচুকীয়া, ২২ মাৰ্চঃ** তিনিচুকীয়াৰ বয়স্কলোকৰ মনোৰঞ্জনৰ গোট 'আবেলিৰ বেলি'ৰ প্ৰতিষ্ঠাপক সদস্য সদ্যপ্ৰয়াত বিশিষ্ট লেখক, সাহিত্য-সংগঠক, গ্ৰন্থকাৰ, সমাজপ্ৰাণ ব্যক্তি সুনীল গোহাঁই(৭৫)ৰ ৰাজহুৱা স্মৃতিচাৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ উদ্দেশ্যে ডিম্বেশ্বৰ কোঁৱৰৰ সভাপতিত্বত ২০ মাৰ্চত তিনিচুকীয়াৰ চহৰৰ বৰদলৈ নগৰস্থিত চৰকাৰী পেঞ্চনাৰ ভৱনৰ সভাগৃহত এখনি বিশেষ সভা অনুষ্ঠিত হৈ যায়। সভাৰ আঁত ধৰে গোটৰ সমন্বয়ক তথা সাহিত্যিক অতুল চন্দ্ৰ শৰ্মাই। সুকণ্ঠী গায়িকা সুশ্ৰী ইন্দ্ৰাণী বৰপূজাৰীৰ সংস্কৃত ঈশস্তুতিৰে আৰম্ভ হোৱা সভাৰ আৰম্ভণিতে প্ৰয়াত সুনীল গোহাঁইৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে সুনীল গোহাঁইৰ সহধৰ্মিনী ৰমনী গোহাঁই আৰু উপস্থিত ৰাইজে। প্ৰয়াত সুনীল গোহাঁইৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ মৃত্যু তিনিচুকীয়াৰ সমাজ জীৱনৰ এক বৃহৎ ক্ষতি বুলি অভিহিত কৰি সভাত এক শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ উপৰি খন্তেক সময় মৌনতাৰে বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰা হয়। ৰাজহুৱা স্মৃতিচাৰণ অনুষ্ঠানত উপস্থিত ৰাইজৰ হৈ থানেশ্বৰ দাস, ধনদেৱ মহন্ত, অমূল্য খাটনিয়াৰ, মোহন চন্দ্ৰ বুঢ়াগোহাঁই, চন্দ্ৰ দত্ত, শৰৎ চন্দ্ৰ চিৰিংফুকন, অতুল চন্দ্ৰ শৰ্মা, প্ৰয়াত গোহাঁইৰ সহধৰ্মিনী ৰমনী গোহাঁই, জীয়াৰী প্ৰাৰ্থনা গোহাঁয়ে সুনীল গোহাঁইৰ সামাজিক আৰু ব্যক্তিগত জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে। শিল্পী কামিনী কুমাৰ গোহাঁই আৰু ইন্দিৰা গগৈ গোহাঁইয়ে এটি দ্বৈত সংগীত পৰিৱেশনেৰে সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে। সভাপতিৰ মন্তব্যত ডিম্বেশ্বৰ কোঁৱৰে 'আবেলিৰ বেলি' গোটৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য প্ৰয়াত সুনীল গোহাঁইৰ স্বাস্থ্যজনিত কাৰণত হোৱা অকাল আৰু আকস্মিক মৃত্যুত 'আবেলিৰ বেলি' গোটৰ লগতে অসমৰ সাহিত্য, সংস্কৃতি আৰু সমাজ জীৱনে সঁচা অৰ্থত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিক মনে-প্ৰাণে ভাল পোৱা আৰু তাৰ উত্তৰণৰ হকে জীৱনকালত নিৰলস অৱদান আগবঢ়াই যোৱা এজন প্ৰকৃত কৰ্মীক হেৰুৱালে বুলি মত ব্যক্ত কৰে। শলাগ জ্ঞাপন আৰু অসম সংগীত পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে।

# গোলকগঞ্জৰ নাৰকীয় হত্যাকাণ্ডৰ মূল অভিযুক্তৰ আত্মসমৰ্পণ

**ই-সংবাদ, গোলকগঞ্জ, ২২ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত উত্তৰ ৰায়পুৰ প্ৰথম খণ্ড আমতলাত ২০ ফেব্ৰুৱাৰীৰ নিশা চোৰৰ সন্দেহত অমানুষিক নিৰ্যাতন চলাই হত্যা কৰা ঘটনাত জড়িত মূল অভিযুক্তই যোৱা নিশা আৰক্ষীৰ ওচৰত আত্মসমৰ্পণ কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আত্মসমৰ্পণ কৰা অভিযুক্তজন গাঁওখনৰ ছৈয়ুদ্দিন সেখ (৬০)। জানিব পৰা মতে, বিষখোৱা পঞ্চম খণ্ড লাউখোৱাকুটীৰ জগদীশ চন্দ্ৰ বৰ্মনক সিদিনা নিশা গাঁওখনত একাংশ উদণ্ড লোকে চোৰৰ সন্দেহত হিংস্ৰ পশুৰ দৰে আক্ৰমণ চলায়। মৃতপ্ৰায় অৱস্থাত গোলকগঞ্জ আৰক্ষীয়ে বৰ্মনক উদ্ধাৰ কৰি ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। পিছত অৱস্থা সংকটজনক হোৱাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। ২৪ ফেব্ৰুৱাৰীৰ নিশা গুৱাহাটীত চিকিৎসাধীন অৱস্থাত জগদীশৰ মৃত্যুক কেন্দ্ৰ কৰি গোলকগঞ্জত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত এজাহাৰ দিয়াত আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ৬১(২)/১০৯/১১৭(৪)/৩(৫) আৰু ১০৩(২) ধাৰাত ৪৮/২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰে। আৰক্ষীয়ে তৎপৰতাৰে অভিযান চলাই এজনৰ পিছত এজনকৈ পাঁচজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হয়। ইতিমধ্যেই হত্যাকাণ্ডত জড়িত গাঁওখনৰ ছফৰুদ্দিন সেখ (৫৯), আমিনুৰ সেখ (২৭), জমছেৰ আলী (৩৪), নুৰ ইছলাম ওৰফে গেদা(৩৩) আৰু মনিনুৰ ৰহমানক আৰক্ষীয়ে আটক কৰি আদালতত হাজিৰ কৰাৰ পাছত জে'ললৈ প্ৰেৰণ কৰে। হত্যাকাণ্ডত জড়িত মূল অভিযুক্তক বিচাৰি গোলকগঞ্জ আৰক্ষী বিভিন্ন স্থানত অভিযান চলাই আহিছিল। অৱশেষত কালি মূল অভিযুক্ত ছৈয়ুদ্দিন সেখ বাধ্যত পৰি গোলকগঞ্জ থানাত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়।

## ডিব্ৰুগড়ত সদৌ অসম ভিত্তিত দিহা নাম প্ৰতিযোগিতা

**ই-সংবাদ, ডিব্ৰুগড়, ২২ মাৰ্চঃ** অহা ৪ এপ্ৰিলত বিশিষ্ট সমাজ হিতৈষী ড০ মন্দিৰা বৰুৱাৰ জন্ম দিনৰ লগত সংগতি ৰাখি সামাজিক, সাংস্কৃতিক, উন্নয়ন সংস্থা সাতসৰী ডিব্ৰুগড়ৰ প্ৰগতি শীল শাখাই 'সদৌ অসম ভিত্তিত দিহা নাম প্ৰতিযোগিতা'ৰ আয়োজন কৰিছে। এই উদ্দেশ্যে ডিব্ৰুগড়ৰ মানকটা পথৰ ১নং লক্ষীনগৰৰ শ্ৰী শ্ৰী আউনিআটী শাখা সত্ৰৰ প্ৰেক্ষাগৃহত অহা চাৰি এপ্ৰিলত এই প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতা উদযাপন সমিতিৰ সম্পাদিকা জয়শ্ৰী দত্ত আৰু সাংস্কৃতিক সম্পাদক প্ৰদীপ গগৈয়ে জানিবলৈ দিয়া অনুসৰি প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ২৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ২০ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১৫ হাজাৰ টকা। তদুপৰি প্ৰতিযোগিতাত শ্ৰেষ্ঠ খোল বাদক, শ্ৰেষ্ঠ নামতি আৰু শ্ৰেষ্ঠ নাগাৰা বাদকৰ বঁটাও থাকিব। দিহানাম প্ৰতিযোগিতা সন্দৰ্ভত সবিশেষ জানিবৰ বাবে উদ্যোক্তাসকলে যোগাযোগ কৰিবলৈ দিয়া ফোন নম্বৰসমূহ হৈছে-8638228960, 7002669611, 9435295999, 7002067913, 8751813140 আৰু 7002301662।

## ডিব্ৰুগড়ত শ্বহীদ কুশল কোঁৱৰৰ জন্মতিথি উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ২২ মাৰ্চঃ** ১৯০৫ চনৰ ২১ মাৰ্চত দেশমাতৃক ৰক্ষা কৰিবলৈ গৈ ১৯৪২ত আত্মবলিদান দিয়া স্বাধীনতা সংগ্ৰামী শ্বহীদ কুশল কোঁৱৰৰ জন্ম তিথি ২১ মাৰ্চত ডিব্ৰুগড়ৰ কুশল কোঁৱৰ স্মৃতিৰক্ষা সমিতিৰ উদ্যোগত পালন কৰ হয়। ডিব্ৰুগড়ৰ চৌকিডিংগীস্থিত শ্বহীদ কুশল কোঁৱৰ উদ্যানত থকা কুশল কোঁৱৰৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰই। বি এড মহাবিদ্যালয় পৰিজাত একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলে ভক্তিগীত প্ৰাৰ্থনাৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পিছতে সমিতিৰ সভাপতি প্ৰকাশ গগৈৰ সভাপতিত্বত এখনি স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সমিতিৰ সম্পাদক অনিল প্ৰসাদ সিংহই আঁত ধৰা অনুষ্ঠানত বিশিষ্টি সাহিত্যিক, সমাজ হিতৈষী, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ ভাৰতী দত্তৰ লগতে বহুকেই গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## টীয়ক চিকেবি মহাবিদ্যালয়ত জনপ্ৰিয় ঔপন্যাসিক কৌশিক নন্দন বৰুৱা

**ই-সংবাদ, টীয়ক, ২২ মাৰ্চঃ** চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয় টীয়কৰ সাহিত্য চ'ৰা আৰু ছাত্ৰ সেৱা কেন্দ্ৰই মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এক বক্তৃতানুষ্ঠান আৰু কৰ্মশালা অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বক্তা হিচাপে জনপ্ৰিয় ঔপন্যাসিক কৌশিক নন্দন বৰুৱা উপস্থিত থাকি নিৰ্ধাৰিত বিষয় "সন্তুলিত ব্যক্তিত্ব, মানৱতাবোধ আৰু সাহিত্য চৰ্চা" শীৰ্ষক বিষয়ত সাৱলীল মন্তব্য আগবঢ়াই সকলোকে আপ্লুত কৰি তোলে। ভাষণ প্ৰসংগত লেখকগৰাকীয়ে কয় যে
মানুহ সংবেদনশীল হ'ব লাগে, মানুহে ক্ষমা কৰিব পৰা ক্ষমতা ৰাখিব লাগে আৰু স'ততাৰে নিজৰ কৰ্মত আগুৱাই গ'লে সফলতাই নিশ্চয় ধৰা দিব। বৰ্তমান নৱ প্ৰজন্মৰ মাজত পুনৰ কিতাপ পঢ়াৰ প্ৰৱনতা বৃদ্ধি পাইছে, যিটো এক ইতিবাচক দিশ। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড০ কৰবী গগৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত মহাবিদ্যালয়ৰ ৰেক্টৰ য়াচমিন খান, সাহিত্য চ'ৰাৰ সভানেত্ৰী ড০ ময়ুৰী চেতীয়া, মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড০ ৰুবী নাথ, আউনীআটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা কুকি কল্পিতা বৰাকে প্ৰমুখ্য মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰৱক্তা, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় গণ্য মান্য ব্যক্তিসকল উপস্থিত থাকে। উক্ত সভাতে অসমীয়া বিভাগৰ পৰা প্ৰস্তুত কৰা হাতে লিখা কাব্য আলোচনী "অনুভৱৰ চন্দ্ৰ" আৰু মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰ পল্লৱ দাসৰ কবিতা পুথি বিশিষ্ট ঔপন্যাসিকগৰাকীয়ে উন্মোচন কৰে। ইপিনে, যুৱপ্ৰজন্মৰ জনপ্ৰিয় লেখকগৰাকীক কাষত পাই ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উৎফুল্লিত হৈ পৰে। অনুষ্ঠানত এক অন্তৰংগ আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়।

## চেঙাত সাংসদ সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত

**ই-সংবাদ, শিমলীতোলা, ২২ মাৰ্চঃ** নৱগঠিত চেঙাৰ শতাধিক সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ (AIUDF) কৰ্মীয়ে বাঘমাৰা চৰ আৱৰ্তন ভৱনৰ সন্মুখত সংসদৰ মজিয়াত ধুবুৰী জিলাক মিনি বাংলাদেশ আখ্যা দি বিতৰ্কৰ সূত্ৰপাত ঘটোৱা বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে বি জে পি চৰকাৰ হায় হায়, সুদাংশু ত্ৰিবেদী মুৰ্দাবাদ ইত্যাদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলাৰ উপৰি ৰাজ্যসভাৰ সাংসদ সুদাংশু ত্ৰিবেদীৰ প্ৰতিমূৰ্তি দাহ কৰে। সংসদৰ মজিয়াতে ধুবুৰী জিলাক মিনি বাংলাদেশ আখ্যা দি এক বিতৰ্কৰ সূত্ৰপাত ঘটাইছে বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীয়ে। ভুৱা ভোটাৰ আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী (এন আৰ চি) সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই মন্তব্য কৰে বিজেপি সাংসদজনে। নিজ ভাষণত তেওঁ বিৰোধীৰ ভুৱা ভোটাৰৰ অভিযোগক প্ৰত্যাক্ৰমণ কৰি ভুৱা ভোটাৰৰ পূৰ্বে ভুৱা নাগৰিকৰ বিষয়টো স্পষ্ট কৰিব লাগিব বুলি উল্লেখ কৰে আৰু এই প্ৰসংগৰে বিৰোধীয়ে কিয় এন আৰ চিত সন্মতি নিদিয়ে বুলি প্ৰশ্ন কৰে। যোৱা লোকসভা নিৰ্বাচনত ৰকিবুল হুছেইনৰ বৃহৎ জয়ৰ প্ৰসংগ উল্লেখ কৰে সুধাংশু ত্ৰিবেদীয়ে এই মন্তব্য কৰে।গণতান্ত্ৰিক দেশত এনে মন্তব্য কৰা সাংসদগৰাকীক বিজেপি চৰকাৰে জবাবদিহি কৰিবলৈ বাধ্য কৰাব লাগিব বুলি মন্তব্য কৰে প্ৰতিবাদকাৰীসকলে। এনে সংবিধান বিৰোধী সম্প্ৰদায়িক মন্তব্যক প্ৰতিবাদকাৰীসকলে গৰিহণা দিয়ে। ধুবুৰী লোকসভা সমষ্টি অসমৰ ১৪ খন লোকসভা সমষ্টিৰ অন্যতম এটি লোকসভা সমষ্টি আৰু ইয়াৰ সকলো মানুহ অসমীয়া আৰু ভাৰতীয় হোৱাৰ পিছত বাংলাদেশী শব্দটো সংসদত উত্থাপন কৰাটো এক দুৰ্ভাগ্যজনক আখ্যা দি অতি সোনকালে ধুবুৰীবাসীৰ ওচৰত তেওঁক ক্ষমা খোজাৰ দাবী জনায় প্ৰতিবাদকাৰীসকলে। অন্যথা পৰৱৰ্তী সময়ত ইয়াতকৈ ভয়াৱহ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে প্ৰতিবাদকাৰীসকলে।

## তামুলপুৰত বিদ্যালয় পৰিচালনা সমিতিৰ ব্লক পৰ্যায়ৰ সংবেদনশীলতা সভা

**ই-সংবাদ, তামুলপুৰ, ২২ মাৰ্চঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত কচুবাৰীস্থিত ঐতিহ্যমণ্ডিত মহাপ্ৰভু শ্ৰীশ্ৰী গোপাল আৰু জগন্নাথ থান সত্ৰ চৌহদত আজি বিদ্যালয় পৰিচালনা সমিতিসমূহৰ তামুলপুৰ ব্লক পৰ্যায়ৰ এখনি সংবেদনশীলতা সভা অনুষ্ঠিত হৈ যায়। অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক সুৰেন ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া অৰুঞ্জয় খুংগুৰ ব্ৰহ্মই। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি শিক্ষা বিষয়া ব্ৰহ্মই কয় এখন শিক্ষানুষ্ঠানৰ উত্তৰণৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানখনৰ পৰিচালনা সমিতিৰ অপৰিসীম ভূমিকা থাকে। তেওঁ নিজৰ বক্তব্যত পৰিচালনা সমিতিৰ দায়িত্ব, কৰ্তব্য, ক্ষমতা আদি সম্পৰ্কত এক বিস্তৃত ব্যাখ্যা দাঙি ধৰে। আই চি বি আৰ পি দেৱেশ্বৰ ৰাভাৰ সহযোগত অনুষ্ঠিত আজিৰ এই সভাখনত অংশগ্ৰহণ কৰি তামুলপুৰ বিধান সভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ মনোনীত পাৰিষদ হেমন্ত কুমাৰ ৰাভা, ডি পি ও চি পি ভূপেন দাস, উপ পৰিদৰ্শক ফুটেশ্বৰী নুনিচায়ো বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া সদস্যসকলে বিদ্যালয় এখনৰ শৈক্ষিক প্ৰগতিৰ লগতে আন্তঃগাঁঠনি উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ, দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে বহুমূলীয়া বক্তব্য ৰাখে। এই সভাত তামুলপুৰৰ কেইবাজনো শিক্ষাৰ লগত জড়িত বিশিষ্ট ব্যক্তি, বিদ্যালয় পৰিচালনা সমিতিসমূহৰ বিষয়ববীয়াসকল, শিক্ষক শিক্ষয়িত্ৰী আৰু বিদ্বৎ সমাজৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## নামৰূপ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহ উদযাপন

**ই-সংবাদ, নামৰূপ, ২২ মাৰ্চঃ** নামৰূপৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নামৰূপ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী সমাৰোহ আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হৈছে। আজিৰ প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হয় পতাকা উত্তোলনেৰে। মহাবিদ্যালয় চৌহদত পুৱা ৯.৩০ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মণিকান্ত চেতিয়াই। ইয়াৰ সমান্তৰালভাৱে ৰূপালী জয়ন্তী সমাৰোহৰ মূল পতাকা উত্তোলন কৰে সম্পাদক পংকজ গগৈয়ে। ইফালে, ৰূপালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি মুঠ ২৫ খন পতাকা উত্তোলন কৰা হয়। মুখ্য প্ৰৱেশ দ্বাৰ উন্মোচন কৰে যজ্ঞৰাম সোণোৱালে, মহাবিদ্যালয় মুখ্য দ্বাৰ উন্মোচন কৰে যাদৱ সোণোৱালে। ছহিদ তৰ্পণ কৰে প্ৰফুল্ল শৰ্মাই। ইয়াৰ পিছতে প্ৰতিষ্ঠা কালৰ প্ৰয়াত বিশিষ্ট ব্যক্তিসকলৰ স্মৃতি ৰোমন্থন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা স্মৃতি দত্ত বৰাই। প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰে বি ভি এফ চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বৰ্ণালী চেতিয়াই।

# সৰুপেটাত 'ব্ৰীজ কেনেল' নিৰ্মাণক লৈ উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, ভৱানীপুৰ, ২২ মাৰ্চঃ** আজি দিনৰ প্ৰায় ডেৰ বজাত সৰুপেটাৰ সমীপৰ অজাসন্তৰ গাঁৱৰ মাজেৰে যোৱা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ আৰু বাটোৰা গাঁও সংযোগী পথৰ সোঁমাজত পানী নিষ্কাশনৰ উদ্দেশ্যে স্থাপন কৰিবলগীয়া 'ব্ৰীজ কেনেল' এটা নিৰ্মাণক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পথছোৱাত চাৰিদিন আগেয়ে আৰম্ভ কৰা ব্ৰীজ কেনেলটোৰ নিৰ্মাণৰ কাম বিধিসন্মত নোহোৱাৰ অভিযোগ তুলি নিৰ্মাণ কাৰ্যত নিয়োজিত ঠিকাদাৰ আৰু কৰ্মচাৰীসকলৰ সৈতে বাটোৰা গাঁৱৰ ৰাইজ এক বাদানুবাদত লিপ্ত হয় আৰু পৰিস্থিতি উত্তপ্ত হৈ পৰে। এনে সময়তে সৰুপেটা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকী আৰক্ষীৰে সৈতে গৈ উক্ত স্থানত উপস্থিত হয় আৰু দুই পক্ষৰ মাজত বুজাপৰাৰে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ সক্ষম হয়। স্থানীয় ৰাইজে বিধ্বস্ত পথৰ মাজত সৃষ্টি হোৱা বিয়াগোম পুখুৰী সদৃশ গাত আৰু ভগ্ন অংশসমূহৰ ওপৰত কেৱল বালি জাপি দি ঠিকাদাৰ পক্ষই কাম আৰম্ভ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। তদুপৰি নিৰ্মাণস্থলীত আৰক্ষীক আমন্ত্ৰণ কৰাক লৈও তেওঁলোকে সংশ্লিষ্ট ঠিকাদাৰ পক্ষক জবাবদিহি কৰে। ক্ষুব্ধ ৰাইজে ইতিপূৰ্বে তিনিবছৰ আগেয়ে উক্ত স্থানত নিৰ্মিত ব্ৰীজ কেনেলটো একমাত্ৰ নিম্নমানৰ কামৰ বাবেই নিৰ্মাণৰ ছমাহ পিছতে বানপানীয়ে উটুৱাই নিয়া কথাটোলৈ আঙুলিয়াই দিয়ে। আনহাতে, এই বিষয়ে লোকনিৰ্মাণ বিভাগ আৰু সংশ্লিষ্ট চৰকাৰী পক্ষসমূহক অভিযোগ দিয়াৰ পিছতে সৰুপেটা আৰক্ষীৰ হতুৱাই ঠিকাদাৰে গাঁওবাসীক কৰা হাৰাশাস্তিৰ কথালৈও ক্ষুব্ধ ৰাইজে আঙুলিয়াই দিয়ে। উল্লেখ্য যে, দীৰ্ঘদিন উক্ত অংশ বিপদসংকুল হৈ থকাৰ পিছত বিগত বৰ্ষৰ ১৫ জুলাইত স্থানীয় অজাসন্তৰ গাঁৱৰ ৰিকু বৰুৱা (১৬) আৰু দিকু কলিতা (১৪) নামৰ সম্ভাৱনাপূৰ্ণ দুগৰাকী কিশোৰ বাইকেৰে সৈতে বৃহৎ পুখুৰীটোত পৰি অকালতে প্ৰাণত্যাগ কৰাত অঞ্চলটোত এক শোকাকুল আৰু উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হৈছিল। ইয়াৰ পিছতেই স্থানীয় ৰাইজ আৰু অঞ্চলটোৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে সাম্প্ৰতিক খৰালি মাহত পথছোৱাৰ ভগ্ন অংশৰ বৃহৎ পুখুৰীটোৰ কাষেৰে অহা-যোৱা কৰিছিল। তদুপৰি পথছোৱাৰ মেৰামতি আৰু নতুনকৈ ব্ৰীজ কেনেল নিৰ্মাণ অবিহনে আগন্তুক বাৰিষাৰ সময়ত বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ বিভিন্ন ঠাইলৈ যোগাযোগ বিচ্ছিন্ন হোৱাৰো শংকা প্ৰকাশ কৰিছিল স্থানীয় ৰাইজে। আনহাতে, ঘটনাৰ পিছতেই পথছোৱাৰ সংশ্লিষ্ট অংশত লোক নিৰ্মাণ বিভাগৰ সেউজ সংকেত লাভ কৰাৰ পিছতহে তেওঁলোকে পথছোৱাৰ সংশ্লিষ্ট অংশটোত ব্ৰীজ কেনেল নিৰ্মাণ আৰু পথ মেৰামতিৰ কাম আৰম্ভ কৰাৰ বিষয়ে সংশ্লিষ্ট ঠিকাদাৰ পক্ষই এই সাংবাদিকক জানিবলৈ দিয়ে। অৱশ্যে ৰাইজৰ প্ৰতিবাদত সেও মানি সংশ্লিষ্ট ঠিকাদাৰ পক্ষই ৰাইজৰ ওচৰত পথছোৱা বিধিসন্মতভাৱে নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি ৰাইজক প্ৰদান কৰিবলৈ বাধ্য হয়।

### যাত্ৰা পাৰ্টীৰ ওস্তাদ উদয় ভাগৱতীৰ জন্মদিন পালনৰ সিদ্ধান্ত

# মুকালমুৱাত বৰক্ষেত্ৰী নাট্য সন্মিলনৰ সভা

**ই-সংবাদ, মুকালমুৱা, ২২ মাৰ্চঃ** নলবাৰী জিলাৰ মুকালমুৱাস্থিত আদৰ্শ জাতীয় বিদ্যালয়ত আজি বৰক্ষেত্ৰী নাট্য সন্মিলনৰ সাধৰণ সভা এখন অনুষ্ঠিত হৈ যায়। নাট্য সন্মিলনৰ সম্পাদক কল্প তালুকদাৰে আঁত ধৰা সভাখনত নাট্য সন্মিলনৰ সভাপতি ৰবীন্দ্ৰ নাথ ডেকাই সভাপতিত্বত কৰে। নাট্য সন্মিলনৰ সম্পাদক কল্প তালুকদাৰে সভাৰ উদ্দেশ্য বাখ্যা কৰি যাত্ৰা পাৰ্টীৰ ওস্তাদ উদয় ভাগৱতীৰ জন্ম দিনটো ওস্তাদৰ দিন হিচাপে পালন আৰু বৰক্ষেত্ৰী অঞ্চলৰ যাত্ৰা পাৰ্টীৰ শিল্পীক সন্মান প্ৰদৰ্শনৰ কথা ব্যক্ত কৰে। সভাত বৰক্ষেত্ৰীৰ জ্যেষ্ঠ সাংবাদিক তথা নাট্যকৰ্মী সুভাষ কাকতিয়ে বিষয়বস্তুৰ ওপৰত মতামত দাঙি ধৰি নাট্য সন্মিলনৰ পদক্ষেপ উল্লেখনীয় বুলি কৈ অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাত সহযোগিতা আগবঢ়োৱাৰ কথা কয়। সভাত বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজ হিতৈষী ব্ৰজেন্দ্ৰনাথ শৰ্মাই বৰক্ষেত্ৰী অঞ্চলৰ যাত্ৰা পাৰ্টীৰ নমস্য শিল্পীসকলৰ কথা উল্লেখ কৰে। সভাত প্ৰগতিশীল লেখক পৰীক্ষিত বৈশ্যই ভাষণ প্ৰদান কৰি উদয় ভাগৱতীক লব্ধপ্ৰতিষ্ঠিত শিল্পী আখ্যা দি শিল্পীগৰাকীয়ে অভিনয়তকৈ নাট পৰিচালনাত অধিক গুৰুত্ব আৰোপ কৰিছিল বুলি মন্তব্য কৰে। পৰীক্ষিত বৈশ্যই বৰক্ষেত্ৰীৰ বৰতলা গাঁৱৰ স'তে উদয় ভাগৱতীৰ আত্মিক সম্পৰ্কৰ কথা উল্লেখ কৰি ভাগৱতীয়ে বৰতলাত যাত্ৰা পাৰ্টীৰ প্ৰশিক্ষণ দিছিল বুলিও কয়। ভাগৱতী মাটিৰ মানুহ আছিল বুলিও কয় বৈশ্যই। সভাত নাট্য সন্মিলনৰ আন এগৰাকী সম্পাদক পলাশ কুমাৰ ডেকা, সাংবাদিক তথা সাংস্কৃতিক কৰ্মী সুৱজিৎ পাঠক, জয়ন্ত ডেকাই মতামত দাঙি ধৰে। সভাত প্ৰয়াত উদয় ভাগৱতীৰ ৩ এপ্ৰিলৰ জন্মদিনটো ওস্তাদৰ দিন হিচাপে পালন কৰাৰ সমান্তৰালকৈ উদয় ভাগৱতীৰ নামত বঁটা প্ৰদান আৰু বৰক্ষেত্ৰী অঞ্চলৰ যাত্ৰা পাৰ্টীৰ স্বনামধন্য শিল্পীক সম্বৰ্ধনা জনোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। সভাৰ সিদ্ধান্ত মৰ্মে বৰপেটা জিলাৰ আমখোৱা গাঁৱৰ প্ৰবীণ নৃত্যশিল্পী প্ৰফুল্ল হালৈক বঁটা প্ৰদানৰ কৰা হ'ব। লগতে বৰক্ষেত্ৰী অঞ্চলৰ শতাধিক যাত্ৰা দলৰ শিল্পীক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব বুলিও জানিবলৈ দিয়ে বৰক্ষেত্ৰী নাট্য সন্মিলনৰ আন এগৰাকী সম্পাদক পলাশ কুমাৰ ডেকাই।

# আউনীআটী সত্ৰৰ বৰনামলগোৱা, শিল্পী পেঞ্চনাৰ সুৰেন বৰাৰ মৃত্যুত বিভিন্নজনৰ শোক

**ই-সংবাদ, মধ্য মাজুলী, ২২ মাৰ্চঃ** মাজুলীৰ ঐতিহাসিক আউনীআটী সত্ৰৰ প্ৰপন্ন বৈষ্ণৱ, অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ, সত্ৰৰ বৰনামলগোৱা সুৰেন বৰা বৰনামলগোৱাৰ আজি বিয়লি মৃত্যু হয়। সত্ৰখনৰ পশ্চিমহাটীৰ নিবাসী সুৰেন বৰা বৰনামলগোৱা দীৰ্ঘদিনৰপৰা শ্বাস-প্ৰশ্বাসজনিত সমস্যাত ভুগি আছিল আৰু স্বাস্থ্যৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত তিনিদিন পূৰ্বে মাজুলী জিলা চিকিৎসালয়ত বৈষ্ণৱ শিল্পীগৰাকীক ভৰ্ত্তি কৰোৱা হৈছিল। কিন্তু আজি স্বাস্থ্যৰ অধিক অৱনতি ঘটি চিকিৎসাধীন অৱস্থাতে বিয়লি ১.৩৩ বজাত সত্ৰখনৰ বৰনামলগোৱাৰ দৰে গুৰু দায়িত্ব গ্ৰহণ কৰি অহা বৈষ্ণৱ শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। সুৰেন বৰা বৰনামলগোৱাৰ নশ্বৰ দেহ সত্ৰখনত আহি পোৱাৰ পিছত সত্ৰ সমূহ বৈষ্ণৱৰ লগতে অঞ্চলৰ শুভাকাংক্ষী, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি সত্ৰখনত উপস্থিত হৈ বৈষ্ণৱ শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ইফালে, সত্ৰখনৰ বৰনামলগোৱা গৰাকীৰ মৃত্যুত গভীৰ শোকপ্ৰকাশ কৰিছে সত্ৰৰ অধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে। সত্ৰাধিকাৰগৰাকীয়ে সুৰেন বৰা বৰনামলগোৱাৰ মৃত্যুত শোকপ্ৰকাশ কৰি কয় যে দেৰগাঁৱৰ বহতীয়াত জন্মগ্ৰহণ কৰি সৰুতে সত্ৰলৈ আহি চুৰেন বৰা বৰনামলগোৱায়ে সত্ৰৰ প্ৰয়াত সত্ৰাধিকাৰ হেমচন্দ্ৰ দেৱগোস্বামীৰ সান্নিধ্য লাভ কৰি নামলগোৱাৰ শিক্ষা গ্ৰহণ কৰিছিল, তাৰপিছৰ পৰাই ক্ৰমে তেখেতৰ প্ৰতিভাৰ পৰিচয় প্ৰকাশ পায়। সত্ৰীয়া সংস্কৃতিৰ বিশেষ শিল্পী, শিল্পী পেঞ্চনাৰ, ভাওনা অভিনেতা, নামৰ পৰিচালক চুৰেন বৰা বৰনামলগোৱাই সত্ৰৰ ৰাসত গোপীৰ চৰিত্ৰত অভিনয় কৰি এগৰাকী নৃত্যশিল্পী হিচাপেও পৰিচয় লাভ কৰিছিল। চুৰেন বৰা বৰনামলগোৱা বৰ্তমান সত্ৰৰ সকলোবোৰ নামৰ এগৰাকী অভিজ্ঞ আৰু সুনিপুন শিল্পী আছিল বুলি সত্ৰাধিকাৰগৰাকীয়ে লগতে উল্লেখ কৰে। বিভিন্ন অনুষ্ঠানৰ লগত জড়িত হৈ খুবেই জনপ্ৰিয় হৈ পৰা চুৰেন বৰা বৰনামলগোৱাৰ মৃত্যুত সত্ৰৰ এগৰাকী গুণী শিল্পীক হেৰুৱালোঁ বুলি সত্ৰাধিকাৰগৰাকীয়ে গভীৰ শোক ব্যক্ত কৰে। ইফালে, সত্ৰখনৰ বৰনামলগোৱা গৰাকীৰ মৃত্যুত ক্ৰমে আউনীআটী সত্ৰৰ ডেকাধিকাৰ দেৱানন্দ দেৱগোস্বামী, আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্যমণ্ডিত বৰুৱা, বিশ্ববিদ্যালয়ৰ আচাৰ্য্যৰ সচিব তুলসী ৰাজখোৱা, সত্ৰ সংৰক্ষিণী সভাসহ সমূহ বৈষ্ণৱ, আউনীআটী হাইস্কুল, বিষ্ণুজ্যোতি শাখা সাহিত্য সভা, সংস্কৃতিক সেৱা সমিতি, আউনীআটী লেখিকা সমাৰোহ সমিতিকে আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে গভীৰ শোকপ্ৰকাশ কৰিছে। ৭৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰা চুৰেন বৰা বৰনামলগোৱাই মৃত্যুৰ সময়ত সত্ৰখনৰ বহাৰ তিনিগৰাকী বৈষ্ণৱৰ লগতে অলেখ গুণমুগ্ধক এৰি যায়।

# অসম সাহিত্য সভাক বিতৰ্কমুক্ত কৰিবৰ বাবে বাটত থকা শূল-জেং আঁতৰাই পেলোৱা হ'ব

## দুলীয়াজানত ড০ বসন্ত কুমাৰ গোস্বামীক বিপুল আদৰণি বিভিন্ন দল-সংগঠনৰ

**ই-সংবাদ বিশেষ, দুলীয়াজান, ২২ মাৰ্চঃ** অসম সাহিত্য সভাৰ বিতৰ্ক এইবছৰৰ পৰা নাইকীয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিছোঁ। সাহিত্য সভাক বিতৰ্কমুক্ত কৰিবৰ বাবে বাটত থকা শূল, জেং আঁতৰাই পেলোৱা হ'ব। এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীৰ। আজি দুলীয়াজানৰ সাহিত্য সভাৰ বৰদলৈ ভৱনত দুলীয়াজান সাহিত্য সভাৰ বিদায়ী সভাপতি ৰঞ্জন মহন্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এক সম্বৰ্ধনা সভাত অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে লগতে কয়, সমগ্ৰ জাতিয়ে সাহিত্য সভাক স্বাভিমানৰ প্ৰতীক হিচাপে যিহেতু গণ্য কৰে, সেয়েহে সেই মৰ্যাদা বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰিম। সাহিত্য সভাক জনসাধাৰণে কৰা সমালোচনাক শিৰৰ মুকুট বুলি বিবেচনাৰে প্ৰাণ আহৰণ কৰি দোষ ক্ৰুটিবোৰ নাইকীয়া কৰা হ'ব। অসমৰ চুবুৰীয়া ৰাজ্য অৰুণাচল, নগাভূমিৰ লগত সমন্বয়ৰ সেতু নিৰ্মাণ কৰিবৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই যাত্ৰাৰ অংশস্বৰূপে অহা ১ জুনত লুম্মেৰ দাইৰ প্ৰতিমূৰ্ত্তি পাছিঘাটত প্ৰতিষ্ঠা কৰা হ'ব। অচিৰেই অৰুণাচলত অসমীয়া ভাষাটো তৃতীয় ভাষা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছো। প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰিবলৈ কাৰ্টুন, এনিমেছনৰ যোগেদি ম'বাইল লাইব্ৰেৰী ব্যৱস্থা সামাজিক মাধ্যমত সহজলভ্য হোৱাকৈ অভিধানৰ ব্যৱস্থা, অসম সাহিত্য সভাই কৰিছে।



অৰুণাচল সীমান্তৰ বুঢ়িদিহিং অঞ্চলত প্ৰায় ২৫ খন গাৱঁৰ নতুন চামে অসমীয়া একেবাৰে নাজানে। তাত থকা বিদ্যালয়সমূহত অসমীয়া শিক্ষক নিযুক্তি দিবলৈ চৰকাৰক দাবী জনাব অসম সাহিত্য সভাই। দুলীয়াজান সাহিত্য সভাৰ উপ-সভাপতি ব্ৰজেন গগৈ আৰু সম্পাদক লোহিত দত্তই আঁতধৰা অনুষ্ঠানত দুলীয়াজান সাহিত্য সভাৰ উপৰিও দুলীয়াজান শাখা লেখিকা সংস্থা, উত্তৰণ কবি চক্ৰ, অসম আবৃত্তি আৰু সাংস্কৃতিক পৰিষদৰ দুলীয়াজান শাখা, লেখিকা সমাৰোহ সমিতিৰ দুলীয়াজান শাখা, সন্মিলিত সাংবাদিক মঞ্চ, দুলীয়াজান, দুলীয়াজান প্ৰেছ ক্লাব, আটাছু, চাহ জনজাতি ছাত্ৰ সন্থা, দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থা, আদিবাসী ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, শৈক্ষিক-সামাজিক সংগঠন বনমাণিকী আৰু সিদ্ধাৰ্থ সদন, বকুলনী শাখা সাহিত্য সভা, বৰকোলা গাঁৱবাসী, ইনাৰ হুইল ক্লাব, অইল ইণ্ডিয়া ঠিকাদাৰ সন্থা আৰু ভাদৈ শাখা সাহিত্য সভাই সভাপতিগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক শংকুসিদ্ধ নাথ, সাংগঠনিক সম্পাদক সুনীল গুৰুং, মুক্ত শিক্ষা সংসদৰ আহ্বায়ক তুফেল জিলানী, কোষাধ্যক্ষ মনিৰাম লাহন, কাৰ্য্যনিৰ্বাহক পুলক গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, দুলীয়াজান সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি ড° অজিৎ শইকীয়া আদি উপস্থিত থাকে।

# পাকাবেতবাৰীত ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিকৃতি দাহেৰে প্ৰতিবাদ, বিধায়ক পদ খাৰিজৰ দাবী

**ই-সংবাদ, কলগাছিয়া, ২২ মাৰ্চঃ** অসম বিধানসভাৰ পবিত্ৰ মজিয়াত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে অশালীন ব্যৱহাৰ কৰাৰ প্ৰতিবাদত শনিবাৰে দুপৰীয়া বৰপেটা জিলাৰ ভক্তৰডোবা পিঠাদিত ৰাইজৰ দলৰ পাকাবেতবাৰী ব্লক কমিটিৰ উদ্যোগত বিধায়কগৰাকীৰ প্ৰতিকৃতি দাহ কাৰ্যসূচী ৰূপায়ণ কৰে। ৰাইজৰ দলৰ নেতা-কৰ্মীসকলে ৰূপজ্যোতি কুৰ্মীৰ প্ৰতিকৃতি দাহ কৰি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদক মনিৰুজ জামানে কয় যে বিধান সভাৰ পবিত্ৰ মজিয়াত ৰূপজ্যোতি কুৰ্মীয়ে অশালীন মন্তব্য কৰিছে। শিৱসাগৰৰ বিধায়ক অখিল গগৈক বান্দৰ বুলি কৈছে, মাইক ভাঙি দিম বুলি কৈ অপমান কৰিছে। অখিল




গগৈ আৰু শ্বেৰমান আলীক টাৰ্গেট কৰি মাৰিবলৈ চোঁচা লৈছিল। বিধান সভাৰ বাহিৰত হ'লে কিজানি অখিল গগৈ আৰু শ্বেৰমান আলীক হত্যা কৰিলেহেঁতেন। ৰূপজ্যোতি কুৰ্মীৰ এই কাণ্ডক ধিক্কাৰ জনাই প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে কুৰ্মীৰ বিধায়ক পদ খাৰিজ কৰিবলৈ দাবী জনায় ৰাইজৰ দলৰ নেতৃ-কৰ্মীসকলে। তেওঁলোকে বিজেপি হায় হায়, ৰূপজ্যোতি কুৰ্মী মুৰ্দাবাদ, ৰূপজ্যোতি কুৰ্মীৰ বিধায়ক পদ খাৰিজ কৰক, ৰাইজৰ দল জিন্দাবাদ আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিকৃতি দাহ কাৰ্যসূচীত ৰাইজৰ দলৰ কেন্দ্ৰীয় সম্পাদক মনিৰুজ জামান, জাতীয় যুৱ বাহিনীৰ কেন্দ্ৰীয় উপ-সভাপতি ধৰ্মেন্দ্ৰ দাস, পাকাবেতবাৰী সমষ্টি সমিতিৰ উপ-সভাপতি সবজুল হক, ধন ভড়ালী খলিলুৰ ৰহমান, ব্লক কমিটিৰ সম্পাদক সফিকুল ইছলামৰ লগতে আঞ্চলিক সমিতিৰ বিষয়ববীয়া ক্ৰমে মুনছেৰ আলী, আতোৱাৰ ৰহমান, ময়নুল হক, আছমত আলীকে আদিকৰি ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

# কলগাছিয়াত চৰকাৰী সুবিধাৰপৰা বঞ্চিত কৃষক

**ই-সংবাদ, কলগাছিয়া ২২ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া, ক্ষুদ্ৰকুছি আৰু মইনবৰী কৃষিখণ্ডৰ অন্তৰ্গত বিভিন্ন অঞ্চলত হাজাৰ হাজাৰ বিঘা মাকৈ খেতিৰে বহু খেতিয়কে স্বাৱলম্বিতাৰ মুখ দেখিবলৈ সক্ষম হৈছে যদিও চৰকাৰৰ কোনো সুযোগ-সুবিধা নোপোৱাকৈ গাঁঠিৰ ধনেৰে চৰা দামত ৰাসায়নিক সাৰ, বীজ, কীটনাশক আদি ক্ৰয় কৰি খেতি কৰিছে কৃষকসকলে। জানিব পৰা মতে, প্ৰতিবিঘা মাটিত প্ৰায় ১৩-১৪ হাজাৰ টকা খৰচ কৰি ১৫ ৰপৰা ২০ কুইন্টল মাকৈ উৎপাদন কৰাৰ লগতে ৩০ ৰপৰা ৪০ হাজাৰকৈ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখযোগ্য যে মূৰৰ ঘাম মাটিত পেলাই খেতি কৰা কৃষকৰ খবৰ লবলৈ আহৰি নাই কৃষি বিষয়া আৰু গ্ৰাম সেৱকসকলৰ। কৃষকসকলে অতি কষ্টৰে খেতি কৰে যদিও গ্ৰাম সেৱকসকল কোনোদিনেই পথাৰলৈ নাহে বুলি অভিযোগ উত্থাপন কৰিছে মাকৈ খেতিয়কসকলে। ইফালে, পি এম কিষাণ আঁচনিৰপৰাও বঞ্চিত হৈছে অধিকাংশ প্ৰকৃত কৃষক। একাংশ খেতিয়কে আনৰ মাটি বন্ধকত লৈ খেতি-বাতি কৰে যদিও নিজৰ খেতি মাটি নথকাত পি এম কিষাণ আঁচনিৰ ধন কৰ্তন কৰা হৈছে বুলিও ক্ষোভ প্ৰকাশ কৰে। ইয়াৰ পিছতো প্ৰতিগৰাকী খেতিয়কে মাকৈ খেতি কৰি কমদিনৰ ভিতৰত লাভৱান হৈছে যদিও চৰকাৰী সুযোগ সুবিধা লাভ কৰিলে অধিক উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি জানিবলৈ দিছে।

# মাজুলীৰ কুমুদ চন্দ্ৰ দাসলৈ ড০ মামণি ৰয়ছম গোস্বামী স্মৃতি সাহিত্য সুৰভি বঁটা

**ই-সংবাদ বিশেষ, মাজুলী, ২২ মাৰ্চঃ** মাজুলীৰ বিশিষ্ট কথাশিল্পী, জনপ্ৰিয় ঘোষক, ৰতনপুৰ মিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক কুমুদ চন্দ্ৰ দাসলৈ মহাশয় প্ৰকাশন পৰিষদ, অসমৰ তৰফৰপৰা ২০২৫ বৰ্ষৰ বাবে ড০ মামণি ৰয়ছম গোস্বামী স্মৃতি সাহিত্য সুৰভি বঁটা আগবঢ়োৱা হৈছে। শিক্ষক প্ৰকাশন সংস্থা, অসমৰ অনুমোদিত মহাশয় প্ৰকাশন পৰিষদে উক্ত বঁটা প্ৰদান কৰিছে। উল্লেখযোগ্য যে সুদীৰ্ঘ সময় সমাজ, সংস্কৃতি আৰু সাহিত্য জীৱনৰ প্ৰতি সেৱা আগবঢ়োৱাৰ বাবে কুমুদ চন্দ্ৰ দাসক উক্ত বঁটা প্ৰদানৰ ঘোষণা কৰা হৈছে। কুমুদ চন্দ্ৰ দাসে উক্ত বঁটা লাভ কৰাত মাজুলীৰ বিভিন্ন প্ৰান্তৰ ব্যক্তি আৰু দল-সংগঠনে তেওঁক অভিনন্দন জ্ঞাপন কৰিছে।



# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বনৰীয়া ঘোঁৰা শীৰ্ষক কাৰাটে প্ৰতিযোগিতা

## বন-ঘৰচীয়া ঘোঁৰাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ পদক্ষেপ

**ই-সংবাদ, ডিব্ৰুগড়, ২২ মাৰ্চঃ** ডিব্ৰু-চৈখোৱাৰ পৃথিৱীবিখ্যাত দুষ্প্ৰাপ্য বন ঘৰচীয়া ঘোঁৰাৰ সংৰক্ষণ আৰু প্ৰচাৰৰ লগতে তৃণমূল পৰ্য্যায়ৰ কাৰাটে খেলুৱৈসকলক এখনি মঞ্চ দিয়াৰ উদ্দেশ্যে দুদিনীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হৈছে বনৰীয়া ঘোঁৰা শীৰ্ষক সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতা। উজনিৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে ডিব্ৰুগড় জিলা কাৰাটে সন্থা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যৌথ উদ্যোগত বিশ্ববিদ্যালয়ৰ বিষ্ণুৰাভা ৰংগ মঞ্চত বনৰীয়া ঘোঁৰা শীৰ্ষক সদৌ অসম মুকলি কাৰাটে প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন জিলাৰ ছয় শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাৰ উদ্বোধন কৰে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ জিতেন হাজৰিকাই। ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক অঞ্জন চেতিয়াই আঁতধৰা উদ্বোধনী অনুষ্ঠানত পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, জিলা কাৰাটে সন্থাৰ সভাপতি নিৰেণ ফুকনকে প্ৰমুখ্যে কৰি ক্ৰীড়া সংগঠক, বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ২০১৭ চনত কাৰাটেক খেল হিচাপে অন্তৰ্ভুক্ত কৰি উত্তৰ-পূৰ্বাঞ্চলত পোনপ্ৰথমবাৰৰ বাবে আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ভাৰতবৰ্ষৰ আন আন বিশ্ববিদ্যালয়ে কাৰাটে প্ৰতিযোগিতা অন্তৰ্ভুক্ত কৰিছিল। এই প্ৰতিযোগিতাতে 'অসম কাৰাটে সংগঠক বঁটা' সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰীক প্ৰদান কৰিব।

# সমগ্ৰ শিক্ষা শিৱসাগৰৰ উদ্যোগত বিদ্যালয়ৰ সামাজিক হিচাপ পৰীক্ষণৰ ৰাজহুৱা শুনানি সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ২২ মাৰ্চঃ** সমগ্ৰ শিক্ষা শিৱসাগৰৰ উদ্যোগত আৰু সামাজিক হিচাপ পৰীক্ষণ সংস্থা, অসমৰ সহযোগত জিলাখনৰ চাৰিওটা শিক্ষাখণ্ডৰ মুঠ ৯০ খন বিদ্যালয়ক সামৰি অনুষ্ঠিত হোৱা সামাজিক হিচাপ পৰীক্ষণৰ প্ৰথম পৰ্যায়ৰ ৰাজহুৱা শুনানি কালি শিৱসাগৰ চৰকাৰী মজলীয়া অসমীয়া বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। উল্লেখনীয় যে বিদ্যালয়সমূহত ৰূপায়িত বিভিন্ন কাৰ্যসূচী, আঁচনি, স্বচ্ছতা, ৰাইজৰ গ্ৰহণযোগ্যতা, নীতি-নিৰ্দেশনাৰ সফল ৰূপায়ণ, অনুদানৰ সৎ ব্যৱহাৰ আদি সামৰি প্ৰায় ১৩৩টা বিষয় এই সামাজিক হিচাপৰ জৰিয়তে পৰ্যৱেক্ষণ কৰা হয়। শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সম্পৰ্কীয়, প্ৰশাসনীয় আৰু বিত্ত সম্পৰ্কীয়, সুৰক্ষা আৰু নিৰাপত্তা আদিৰ বিষয়ে এই সামাজিক হিচাপৰ ৰাজহুৱা শুনানিত স্পষ্ট প্ৰতিচ্ছবি প্ৰতিফলিত হয়। শিৱসাগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত (শিক্ষা) মিনাক্ষী পাৰ্মে, সমগ্ৰ শিক্ষা শিৱসাগৰৰ প্ৰলোচক মৌচুমী দত্ত, লিয়'নিতা কাশ্যপ, কনিষ্ঠ অভিযন্তা নেছিমুল হুছেইন, মুজ্জামিল হুছেইন, আমগুৰি আৰু খেলুৱা শিক্ষাখণ্ডৰ বিষয়ববীয়া উপস্থিত থাকে। সামাজিক হিচাপ সংস্থা, অসমৰ শিৱসাগৰ জিলাৰ সমন্বয়ক সৌমিত্ৰ দাস, সমল ব্যক্তি পুষ্পধৰ নেওঁগ, মহেশ তেলী, প্ৰদীপ হাজৰিকাই সামাজিক হিচাপৰ পৰ্যৱেক্ষণৰ ব্যাখ্যা আগবঢ়ায়। অতিৰিক্ত আয়ুক্তই তেখেতৰ বক্তব্যত বিদ্যালয়লৈ আৱণ্টিত সকলো অনুদানৰ সঠিক ব্যৱহাৰৰ পোষকতা কৰাৰ লগতে বিদ্যালয়ৰ ন্যূনতম অভাৱ আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনাই আৰু সকলো চৰকাৰী নীতি-নিৰ্দেশনাৰ আধাৰত প্ৰতিখন বিদ্যালয়ে ভৱিষ্যতে কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ আৰু নেতিবাচক দিশৰ প্ৰতিফলন নোহোৱাটো নিশ্চিত কৰিবলৈ জনায়। সমগ্ৰ শিক্ষা শিৱসাগৰৰ জিলা আঁচনি বিষয়া (সমাজ জড়িতকৰণ) অসীম বৰুৱাই বৰ্তমান সময়ত চৰকাৰী বিদ্যালয়ত সামাজিক হিচাপ পৰীক্ষণ অনুষ্ঠিত কৰাৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বৰ বিষয়ে উল্লেখ কৰি আগন্তুক বৰ্ষত আৰু অধিক বিদ্যালয়ক সামৰি সামাজিক হিচাপ অনুষ্ঠিত হোৱাৰ সম্পৰ্কে অৱগত কৰাৰ লগতে অনুষ্ঠানটিৰ কাৰ্যসূচীসমূহৰ সফলতাৰে সম্পন্ন কৰাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

# জালুকবাৰী সমষ্টিত ইফটাৰৰ সামগ্ৰী বিতৰণ মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, বাইহাটা চাৰিআলি ২২ মাৰ্চঃ** বিগত বছৰবোৰৰ দৰে এইবেলিও মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰী সমষ্টিৰ মুছলমান ৰাইজক পত্ৰযোগে পৱিত্ৰ ৰমজানৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সমষ্টিটোৰ মছজিদ সমূহলৈ ইফটাৰৰ সামগ্ৰী প্ৰেৰণ কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীৰ তত্বাবধায়নত আৰু মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকাৰ নেতৃত্বত জালুকবাৰী সমষ্টিৰ প্ৰতিটো মছজিদত আজি মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা ইফটাৰৰ সামগ্ৰী বিতৰণ কৰা হয়। মান্দাকাটা, শিমেলিবাৰী, সাতগাঁও, বেজেৰা, ভোমোলাহাটী আদিকে ধৰি সমষ্টিটোৰ প্ৰতিখন গাঁৱৰ প্ৰতিটো মছজিদত ইফতাৰ বিতৰণত সহযোগ কৰে বেজেৰা মণ্ডল বিজেপিৰ সভাপতি নয়নমণি বড়া, সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি তবিবৰ ৰহমান, বেজেৰা মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি আমিনুল হক প্ৰমুখ্যে দলীয় কৰ্মকৰ্তাসকলে। তদুপৰি গোগ গাঁৱৰ ৭ টা জামাতকে ধৰি একাংশ মছজিদত স্থানীয় বুথ সমিতিৰ সহযোগত ইফটাৰৰ সামগ্ৰী বিতৰণ কৰে মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকাই। ইফটাৰৰ সামগ্ৰীৰ লগতে প্ৰতিটো জামাতক এক পত্ৰযোগে পৱিত্ৰ ৰমজান মাহৰ শুভেচ্ছা জ্ঞাপন কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। শুভেচ্ছা পত্ৰখনত ৰমজান এটি পবিত্ৰ মাহ। মহান আল্লাহ (তা:)ৰ সৃষ্টিত সকলোতকৈ শ্ৰেষ্ঠ আৰু ফজিলতৰ মাহ। এই মাহত ৰোজাদাৰসকলক অকণমান ইফটাৰৰ ব্যৱস্থা কৰি দিব পৰাটো সৌভাগ্য বুলি উল্লেখ কৰি ৰাজ্যখনৰ প্ৰতিটো অঞ্চলৰ আৰু প্ৰতিটো ঘৰত যাতে শান্তি অটুট থাকে তাৰ বাবে মহান আল্লাহৰ ওচৰত দোৱা কৰি বিকাশৰ গতি অধিক দ্ৰুত হোৱাৰ কামনাৰে দোৱা কৰিবলৈ অনুৰোধ জনাই মুখ্যমন্ত্ৰীয়ে।



আপোচবিহীন জ্যেষ্ঠ সাংবাদিক হাইদৰ হুছেইনক 'জাতীয় সম্প্ৰীতি বঁটা' প্ৰদান কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

# প্ৰতিশ্ৰুতি পালন! পথ নিৰ্মাণৰ শুভাৰম্ভ বিধায়ক পৰমানন্দ ৰাজবংশীৰ

**ই-সংবাদ, পশ্চিম দৰং, ২২ মাৰ্চঃ** ছিপাঝাৰৰ পদুমপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সতীৰ্থ ছাত্ৰৰ প্ৰহাৰত অকাল মৃত্যুক সাবতি লোৱা প্ৰয়াত ছাত্ৰ ভৱেশ ডেকাৰ পিতৃ-মাতৃক আজি নিজ গৃহত উপস্থিত হৈ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে মুখ্যমন্ত্ৰীৰ চেক্ প্ৰদান প্ৰদান কৰে। আনহাতে, কিছুদিন আগতে প্ৰয়াত ছাত্ৰ ভৱেশ ডেকাৰ নামেৰে পথ এটি নিৰ্মাণ কৰাৰ কথা ৰাজহুৱা কৰাৰ পিছত বিধায়কগৰাকীয়ে দিয়া প্ৰতিশ্ৰুতি অনুসৰি প্ৰয়াত ছাত্ৰজনৰ গৃহলৈ যোৱা পথটি নিৰ্মাণৰ আজি শুভাৰম্ভ কৰে। ২০২৪-২৫ বৰ্ষৰ এনৰেগা আঁচনিৰ অধীনত মহিলাপাৰা টংলা অসম মালা পথৰপৰা ক্ষীতেশ্বৰ ডেকা ঘৰ সংযোগী পথটো প্ৰয়াত ছাত্ৰ ভৱেশ ডেকাৰ নামেৰে নিৰ্মাণ কামৰ আজি শুভাৰম্ভ কৰে। উল্লেখ্য যে ২০২৪ চনৰ ২৩ ছেপ্টেম্বৰত বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ ভিতৰতে চাৰিগৰাকী ছাত্ৰৰ প্ৰহাৰত প্ৰাণ গৈছিল ভৱেশ ডেকা নামৰ ছাত্ৰগৰাকীৰ। বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে প্ৰয়াত ছাত্ৰগৰাকীৰ ঘৰত উপস্হিত হৈ মুখ্যমন্ত্ৰীৰ আৰ্থিক অনুদানৰ চেক প্ৰদান কৰি তাৰপৰাই মুখ্যমন্ত্ৰীক ভূয়সী প্ৰশংসা কৰাৰ লগতে শলাগ লয়। ইফালে, সেই ঘটনা সুঁৱৰি আজিও পিতৃ-মাতৃ শোকত ভাগি পৰে। আনহাতে, একে বৰ্ষৰ এনৰেগা আঁচনিৰ অধীনত ৪১,৯৪,৮১৮ লাখ টকাৰে আই চি চি ব্লক পথ এটাৰো নিৰ্মাণ কামৰ শুভাৰম্ভ কৰে। এই পথটো কেইমাহমান আগতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কৰ্তব্যৰত অৱস্থাত বাঘৰ আক্ৰমণত মৃত্যু হোৱা ধনমণি ডেকাৰ নামেৰে নামেৰে নিৰ্মাণ কৰা হ'ব। বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে ৰাইজক দিয়া প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰাত ৰাইজে ভূয়সী প্ৰশংসা কৰি আশীৰ্বাদ যাঁচিছে। বিধায়কগৰাকীৰ লগত সম আয়ুক্ত ইচানুল ইছলাম, ছিপাঝাৰ উন্নয়ন খণ্ডৰ বিষয়া ভৃগুপতি ৰয়, কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। গোটেই অনুষ্ঠানত আঁতধৰি কনিষ্ঠ অভিযন্তা বিনোদ চহৰীয়াই ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীয়ে ৰাইজৰ বাবে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিয়ে ছিপাঝাৰক ক্ষিপ্ৰতাৰে উন্নতি ঘটোৱা বুলি উল্লেখ কৰি বিধায়কগৰাকীয়ে প্ৰতিটো দিনেই ৰাইজৰ উন্নয়নৰ হকে কৰি অহা কাম নিয়াৰিকৈ সম্পন্ন হোৱাত তেওঁ অতিকৈ সুখী হৈ পৰা বুলি নিজৰ সুখানুভৱ প্ৰকাশ কৰে।

# শিৱসাগৰৰ গড়গাঁও মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ নতুন শাখা সভা গঠন


**ই-সংবাদ, শিৱসাগৰ, ২২ মাৰ্চঃ** শিৱসাগৰস্থিত অসমৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান গড়গাঁও মহাবিদ্যালয়ত আজি অসম সাহিত্য সভাৰ শিৱসাগৰ জিলা সাহিত্য সভাৰ অন্তৰ্গতভাৱে এখন নতুন শাখা সভা গঠন কৰা হয়। অসম সাহিত্য সভাই বিগত সময়ছোৱাত অসমীয়া জাতি, ভাষা, সমাজ, সাহিত্য, সংস্কৃতি ইত্যাদিৰ উত্তৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ প্ৰতি লক্ষ্যৰাখি গড়গাঁও মহাবিদ্যালয় পৰিয়ালৰ তৰফৰপৰা ইতিবাচক সহযোগ আগবঢ়োৱাৰ উদ্দেশ্যে গড়গাঁও মহাবিদ্যালয় শাখা সাহিত্য সভা নামেৰে এই শাখা সভাখন গঠন কৰা হৈছে বুলি মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক ড° সব্যসাচী মহন্তই জানিবলৈ দিয়ে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তক মুখ্য উপদেষ্টা, উপাধ্যক্ষ দিগন্ত কোঁৱৰ আৰু ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক অধ্যাপক ড° দিলীপ কুমাৰ ডেকাক উপদেষ্টা, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক প্ৰণৱ দুৱৰাক সভাপতি আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱযানী বকলীয়ালক এই শাখা সাহিত্য সভাৰ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ লগতে ড° জিতু শইকীয়া, ড° অনিল তাঁতী, ড° আন্না গগৈক উপ-সভাপতি, ৰুণজুন হাজৰিকাক কোষাধ্যক্ষ, ড° নীলোৎপল চুতীয়া, ড° অংকুৰ দত্ত, ড° অনুৰাগ প্ৰতীম দাস, গৌতম গগৈক সহকাৰী সম্পাদক, ড° অঞ্জন কোঁৱৰ, বনিকা বুঢ়াগোহাঁই, ড° সুৰজিৎ শইকীয়াক সাংগঠনিক সম্পাদক, ড° অংকুৰ দত্তক কাৰ্যালয় সম্পাদক, ড° শ্যামলীমা শইকীয়াক গ্ৰন্থ প্ৰণয়ন উপ-সমিতিৰ আহ্বায়ক, বিতোপল বৰগোহাঁই আৰু ড° যুৱৰাজ গগৈক কুঁহি উপ-সমিতিৰ আহ্বায়ক, মনোৰমা ফুকন আৰু প্ৰিয়মা দিহিঙীয়া ফুকনক ৰামধেনু উপ-সমিতিৰ আহ্বায়ক, নীলাক্ষী চেতিয়াক আকাশ উপ-সমিতিৰ আহ্বায়ক, ড° পৱন কুমাৰ গগৈ আৰু ড° ৰিমঝিম বৰাক কবি সন্মিলন উপ-সমিতিৰ আহ্বায়ক, ড° বলোৰাম দাসক সাংস্কৃতিক উপ-সমিতিৰ আহ্বায়ক, মহাবিদ্যালয়ৰ চৈধ্যগৰাকী বিভিন্ন বিভাগৰ অধ্যাপক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীক কাৰ্যকৰী সদস্য হিচাপে লৈ শাখা সাহিত্য সভাৰ সমিতিখন গঠন কৰা হয়।

---

## বিশমাইলত চাৰিচকীয়া বাহন বিধ্বস্ত, তদন্ত আৰম্ভ

# চাবুৱাৰ খাঁজিখোৱাত ৰে'লৰ খুন্দাত এজনৰ মৃত্যু

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২২ মাৰ্চঃ** আজিৰ দিনটোত চাবুৱাৰ খাঁজিখোৱা আৰু বিশমাইলত দুটাকৈ পৃথক দুৰ্ঘটনা সংঘটিত হোৱাত এজন লোকৰ মৃত্যু হয়। আজি পুৱাৰ ভাগত চাবুৱাৰ খাঁজিখোৱাত ডিব্ৰুগড়ৰপৰা তিনিচুকীয়াৰ দিশে গতি কৰি থকা নাহৰলগুন এক্সপ্ৰেছৰ খুন্দাত এজন অচিনাক্ত লোক থিতাতে নিহত হয়। ৰে'ল আৰক্ষী উপস্থিত হৈ ঘটনাটোত নিহত ব্যক্তিগৰাকীৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। ইপিনে, দিনটোৰ আবেলি চাৰিমান বজাত চাবুৱাৰ বিশমাইলত মালবাহী ৰে'লৰ খুন্দাত এখন চাৰিচকীয়া বাহন বিস্তৰ ক্ষতি হোৱাৰ লগতে চালকগৰাকী কথমপি ৰক্ষা পৰে। বিশমাইলৰ নিবাসী কোঁৱৰ উপাধিৰ এগৰাকী ব্যক্তিয়ে AS-06-AH-4060 নম্বৰৰ বাহনখনেৰে



ৰে'লপথ অতিক্ৰম কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ অহাৰ চেষ্টা কৰোঁতেই ডিব্ৰুগড়ৰপৰা তিনিচুকীয়া অভিমুখী মালবাহী ৰে'লখনে বাহনখনক খুন্দা মাৰে। খুন্দা মৰাৰ পূৰ্বেই চালকগৰাকীয়ে বাহনখন এৰি পলায়ন কৰাত কথমপি প্ৰাণৰক্ষা পৰে বুলি অনুমান কৰা গৈছে।

# শংকৰদেৱ সংঘৰ ভৰাগুৰি পদুমণি শাখাৰ ৰূপালী জয়ন্তী আৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ২২ মাৰ্চঃ** আজিৰেপৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলা শাখাৰ অধীনৰ পূৰ্বাঞ্চলিক আঞ্চলিক শাখাৰ অন্তৰ্গত ভৰাগুৰি পদুমণি প্ৰাথমিক শাখাৰ ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠান। আজি পুৱা প্ৰাতঃপ্ৰসংগ অনুষ্ঠানৰ পাছতে ধৰ্মধ্বজা উত্তোলন কৰে ভৰাগুৰি পদুমণি প্ৰাথমিক শাখাৰ সভাপতি লাহিৰাম হাজৰিকাই। লগতে ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে পূৰ্বাঞ্চলিক শাখাৰ ২৫ গৰাকী ভকত-বৈষ্ণৱে ২৫ খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে বুলেন বৈৰাগী আৰু চন্দনজ্যোতি দাসে সম্পাদনা কৰা স্মৃতিগ্ৰন্থ 'শিৰোমণি' উন্মোচন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদেন সদস্য অনন্ত ভূঞা, ভোলা শইকীয়া আৰু পূৰ্বাঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি দেবেন বৰাই। ইয়াৰ পাছতেই খোল-প্ৰসংগ, নাম-প্ৰসংগ অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানৰ পাছতে অবিৰত ভাগৱত পাঠ অনুষ্ঠিত হয়। অহা কাইলৈ অবিৰত ভাগৱত পাঠৰ সামৰণি পৰিব।

## কলগাছিয়াত দুৰ্ঘটনা অধিবক্তা শুকুৰ আলী গুৰুতৰভাৱে আহত

**ই-সংবাদ, কলগাছিয়া, ২২ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত বৰপেটা অসামৰিক চিকিৎসালয়ৰ ওচৰত শনিবাৰে বিয়লিত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয় অধিবক্তা শুকুৰ আলী। বামুনটাৰীৰ পৰা AS01 GA 4647 নম্বৰৰ মাৰুতি চুজুকি ব্ৰীজা বাহনখন চলাই অধিবক্তা শুকুৰ আলীয়ে কলগাছিয়া অভিমুখে গৈ থকা অৱস্থাত বৰপেটা অসামৰিক চিকিৎসালয়ৰ দক্ষিণফালে বিপৰীত দিশৰ পৰা আহি থকা এখন নিয়ন্ত্ৰণহীন ই-ৰিক্সাক বচাবলৈ গৈ চাৰিচকীয়া বাহনখনে ৰাস্তাৰ কাষত থকা বিদ্যুতৰ খুঁটাত খুন্দা মাৰে। বিদ্যুতৰ খুঁটা ভাঙি বাহনখনে ৰাস্তাৰ দাঁতিত থকা কদম আলীৰ বাসগৃহত খুন্দিয়ায় আৰু বাহনখন ভাঙি চূৰ্ণ-বিচূৰ্ণ হয়। ফলত বাহনৰ চালক অধিবক্তা শুকুৰ আলী গুৰুতৰভাৱে আহত হয় যদিও কথমপি প্ৰাণৰক্ষা পৰে। পিছে ৰাইজৰ তৎপৰতাত শুকুৰ আলীক বাহনৰ পৰা উদ্ধাৰ কৰা হয় যদিও নিয়ন্ত্ৰণহীন ই-ৰিক্সাখন ঘটনাস্থলীৰপৰা পলায়ন কৰে। স্থানীয় ৰাইজে প্ৰশাসনক ই-ৰিক্সা নিয়ন্ত্ৰণ কৰাৰ বাবে দাবী জনায়। দুৰ্ঘটনাটোক কেন্দ্ৰ কৰি এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।



# আইপিএলৰ উদ্বোধনী মেচত কেকেআৰৰ বিৰুদ্ধে সহজ জয় আৰচিবিৰ

**কলকাতা, ২২ মাৰ্চঃ** আইপিএল ২০২৫ৰ প্ৰথমখন মেচতে উৎকৃষ্ট বেটিঙেৰে আধিপত্য বিস্তাৰ কৰে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে। তাৰকা বেটছমেন বিৰাট কোহলী আৰু নতুনকৈ দলত অন্তৰ্ভুক্ত হোৱা ফিল ছল্টৰ বেটিঙৰ ওপৰত নিৰ্ভৰ কৰি ৭ উইকেটত সহজে জয়লাভ কৰে আৰচিবিয়ে। শনিবাৰে ইডেন গাৰ্ডেনত অনুষ্ঠিত উদ্বোধনী মেচত বেংগালুৰুৱে ১৬.২ অভাৰত ১৭৭ ৰানত পৰাস্ত কৰে ডিফেণ্ডিং চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছক। ১৭৫ ৰানৰ লক্ষ্যৰ পিছা কৰি আৰচিবিয়ে আৰম্ভণিৰ যুটিৰ সৈতে মেচখনৰ নিয়ন্ত্ৰণ লয়। কোহলীয়ে ৫৯ ৰান (৩৬ বল, ৪ চাৰি, ৩ ছয়)ত অপৰাজিত হৈ থকাৰ বিপৰীতে ধ্বংসাত্মক মুডত থকা ছল্টে মাত্ৰ ৩১ বলত ৫৬ ৰান সংগ্ৰহ কৰে, য'ত ৯টা চাৰি আৰু ২টা ছয় অন্তৰ্ভুক্ত আছিল। দুয়োজনে মাত্ৰ ৮.৩ অভাৰতে ৯৫ ৰানৰ ভেটি স্থাপন কৰি কলকাতাৰ জয়ৰ আশাৰ কাৰ্যতঃ অন্ত পেলায়। ইয়াৰ পূৰ্বে অধিনায়ক অজিংক্য ৰাহানে (৫৬) আৰু সুনীল নাৰিনে (২৬ বলত ৪৪)ৰ দৰ্শনীয় ইনিংছৰ সহায়ত কেকেআৰে অৱশেষত ২০ অভাৰত ১৭৪/৮ ৰানত ইনিংছ সামৰণি মাৰে। এটা সময়ত ২০০ ৰানৰ কাষ চাপিব পৰাৰ সম্ভাৱনা থকাৰ পাছতো বেংগালুৰুৰ বলাৰসকলে মেচখনত প্ৰত্যাৱৰ্তন ঘটায় নিজৰ নিয়ন্ত্ৰণত লয়। বাওঁহতীয়া স্পিনাৰ ক্ৰুনাল পাণ্ডিয়া (৩/২৯) আৰু পেচাৰ জোছ হেজলউডে (২ উইকেট) কলকাতাৰ বেটিংত ব্যাঘাত জন্মায়।



আইপিএল ২০২৫: প্ৰথম মেচতে অৰ্ধশতক অৰ্জন আৰচিবিৰ বিৰাট কোহলিৰ





বাজি উঠিল আইপিএল ২০২৫ৰ ৰণডংকা! ইডেন গাৰ্ডেনত কেকেআৰ বনাম আৰচিবিৰ প্ৰথম মেচত অনুৰাগী

## ধাৰাভাষ্যৰ সময়ত ক্ৰিকেটাৰক কঠোৰ সমালোচনাৰ শাস্তি

# আইপিএলৰ কমেন্ট্ৰীৰ পৰা বাদ পৰিল ক্ৰিকেটাৰ ইৰফান পাঠান

**নতুন দিল্লী, ২৩ মাৰ্চঃ** হিন্দী ধাৰাভাষ্যৰ জগতৰ অন্যতম আগশাৰীৰ নাম ইৰফান পাঠান। ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ পিছৰে পৰা কমেণ্ট্ৰী মঞ্চত আধিপত্য বিস্তাৰ কৰি আহিছে ভাৰতীয় প্ৰাক্তন অলৰাউণ্ডাৰগৰাকীয়ে। অৱশ্যে বৰ্তমানৰ আইপিএলৰ ধাৰাভাষ্যকাৰৰ তালিকাত তেওঁৰ নাম নাই। শেহতীয়াকৈ প্ৰকাশ পোৱা কমেণ্ট্ৰী পেনেলৰ পৰা তেওঁক আঁতৰাই ৰখা হৈছে। যদিও আনুষ্ঠানিকভাৱে একো ঘোষণা কৰা হোৱা নাই, তথাপিও পোহৰলৈ অহা কাৰণটোৰে আচৰিত কৰিছে ক্ৰিকেটপ্ৰেমীক। মাইকেলৰ সংগঠনৰ এক প্ৰতিবেদন অনুসৰি ইৰফান পাঠানে কমেণ্ট্ৰীৰ সময়ত ভাৰতীয় খেলুৱৈ এজনক কঠোৰ সমালোচনা কৰে। পিছত খেলুৱৈগৰাকীয়ে বিচিচিআইত আনুষ্ঠানিক অভিযোগ দাখিল কৰে, যাৰ ফলত পাঠানক পেনেলৰ পৰা বাদ দিয়া হয়। লগতে জানিব পৰা মতে অভিযোগকাৰীয়ে ক্ৰিকেটাৰ ইৰফান পাঠানক ছ'চিয়েল মিডিয়াতো ব্লক কৰিছে। এটা সূত্ৰই দাবী কৰিছে যে, "ইৰফান পাঠানৰ নাম ধাৰাভাষ্যকাৰৰ তালিকাত আছিল। অৱশ্যে যোৱা দুবছৰত দেখা গৈছে যে কিছুমান বিশেষ ক্ৰিকেটাৰৰ ওপৰত মন্তব্য দিওঁতে তেওঁ ব্যক্তিগত মতামত আনিছে আৰু কেতিয়াবা কঠোৰ সমালোচনাও কৰি আহিছে।" কমেণ্ট্ৰী পেনেলৰ পৰা আঁতৰি যোৱা প্ৰথমজন নহয় ইৰফান পাঠান। ইয়াৰ পূৰ্বে সঞ্জয় মঞ্জৰেকাৰ আৰু হৰ্ষ ভোগলেকো বাদ দিয়া হৈছিল। তেওঁলোকৰ গোচৰত অভিযোগো উত্থাপন হৈছিল যে ধাৰাভাষ্যৰ সময়ত ব্যৱহাৰ কৰা ভাষাক লৈ একাংশ ক্ৰিকেটাৰৰ আপত্তি আছিল। যদিও আইপিএলৰ কমেণ্ট্ৰী মঞ্চৰ পৰা আঁতৰাই দিয়া হৈছে, তথাপিও ইৰফানে ইয়াৰ বাবে বিশেষ অসুবিধা হোৱা নাই। ইতিমধ্যে নিজৰ ইউটিউব চেনেলত আইপিএল সন্দৰ্ভত বিশেষ বিশেষ অনুষ্ঠান কৰিব বুলি ঘোষণা কৰিছে ইৰফান পাঠানে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি